● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

কোনো এটা কাম সম্পূৰ্ণ কৰি নুঠালৈকে তাক অসম্ভৱ যেনেই লাগে।

নেলছন মেণ্ডেলা
*আফ্ৰিকাৰ ৰাষ্ট্ৰনেতা*



৭ অষ্ট্ৰেলিয়াত ক'ভিড আক্ৰান্তৰ সংখ্যা ১০ লাখলৈ বৃদ্ধি
১৫ আজিৰে পৰা ভাৰত-দক্ষিণ আফ্ৰিকাৰ তৃতীয় টেষ্ট
৪ চৰ-চাপৰি অঞ্চলত শিক্ষা বিস্তাৰৰ ৰূপৰেখা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৯৬তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ২৬ পুহ ১৪২৮ ভাস্কৰাব্দ ১১ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 11 January 2022 মূল্য ঃ ৯.০০ টকা

## স্বিজ'ফ্ৰেনিয়া

■ সঞ্জীৱ সভাপণ্ডিত



**স্বিজ'ফ্ৰেনিয়া** বুলি এবিধ মানসিক বিকাৰ আছে। আচলতে এইটো এটা মানসিক অৱস্থা য'ত এজন ব্যক্তিয়ে এটা কাল্পনিক অৱস্থাত নিজে সোমাই পৰিছে বুলি ভাবে— য'ৰ পৰা তেওঁ ওলাই আহিব নোৱাৰে। তেওঁ একেটা কথাতে লাগি থাকে অৰ্থাৎ তেওঁৰ মনটো একেটা কথাতে পাকঘূৰণি খাই ফুৰে। ফলত ব্যক্তিজনে একো কথা পৰিষ্কাৰকৈ চিন্তা কৰিব নোৱাৰে; ফলত তেওঁ কোনো কথা সূক্ষ্মভাৱে অনুভৱ কৰিব নোৱাৰে; *১০ পৃষ্ঠাত চাওক*

■ জিএছটি-বিদ্যুতৰ বৰ্ধিত নিৰিখ-কৰ'নাৰ প্ৰাদুৰ্ভাৱ ■ বেংকে উত্তৰ-পূৰ্বৰ হোটেল-টুৰিজিম খণ্ডত ঋণ দিয়া বন্ধ কৰি দিছে ■ তিনি বছৰত ঔষধৰ খুচুৰা-পাইকাৰী দোকান-চিএনএফ বন্ধ হ'ব

# শেষ নিশ্বাসৰ অপেক্ষাত ক্ষুদ্ৰ উদ্যোগ খণ্ড




*ভোগালী বিহুত জুলাবলৈ বিক্ৰীৰ বাবে মহানগৰীৰ পদপথত উলিওৱা হৈছে মেজি, সোমবাৰে।*

### মুকলিকৈয়ে ক্ষোভ-হতাশা ব্যক্ত কৰিলে ৰাজ্যৰ এমএছএমই খণ্ডৰ কে'বাজনো উদ্যোগীয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ জানুৱাৰী ঃ** এফালে ঊৰ্ধ্বমুখী জিএছটি আৰু আনফালে বৰ্ধিত বিদ্যুতৰ নিৰিখ। সমান্তৰালভাৱে কৰ'না অতিমাৰীৰ পুনৰ প্ৰাদুৰ্ভাৱ। একে সময়তে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অসমক অহা পাঁচ বছৰৰ ভিতৰত ভাৰতৰ অন্যতম পাঁচখন উন্নত ৰাজ্যৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ প্ৰতিশ্ৰুতি আৰু আগ্ৰাসী প্ৰচাৰ। পিছে ৰাজ্যৰ বিশেষকৈ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া ঔদ্যোগিক খণ্ডৰ শ্ৰীবৃদ্ধি হৈছে নে? ৰাজ্যৰ বহুকেইগৰাকী উদ্যোগীৰ ক্ষোভ— পূৰ্বে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰাৰ দৰে সমাগত পাঁচ ৰাজ্যৰ নিৰ্বাচনৰ পাছত যদি পুনৰ জিএছটি বৃদ্ধি কৰে, তেন্তে গৰিষ্ঠসংখ্যক ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগেই শেষ নিশ্বাস ত্যাগ কৰিব। ইতিমধ্যে বিগত দুটা বছৰত বহু উদ্যোগৰ অস্তিত্ব নোহোৱা হ'ল আৰু এতিয়া যিসমূহ উদ্যোগ জীয়াই আছে, সেইসমূহৰো অৱস্থা অত্যন্ত সংকটজনক। সাম্প্ৰতিক সময়ৰ অসমৰ এমএছএমই খণ্ডৰ পৰিস্থিতি সন্দৰ্ভত অসম ৰুফিং কোম্পানীৰ সভাপতি ৰমেশ পাচাৰীয়ে কয় যে কেঁচামালত জিএছটি লাগিলে কোম্পানীয়ে ক্ৰেডিট পায় ঠিকেই কিন্তু সুদৰ বোজা মূৰত পৰে আৰু শেষত গৈ উৎপাদিত সামগ্ৰীৰ মূল্যবৃদ্ধি কৰিবলগীয়া হয়। পাচাৰীয়ে কয়, 'মূল্যবৃদ্ধিৰ *১০ পৃষ্ঠাত চাওক*

## জখলাবন্ধাত ৩১টা গৰুসহ দুখন বাহন জব্দ, ধৃত চাৰি



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১০ জানুৱাৰী ঃ** ৰাজ্যত প্ৰতিদিনে অব্যাহত আছে গোধনৰ অবৈধ সৰবৰাহ। কলিয়াবৰৰ জখলাবন্ধাত অবৈধভাৱে গৰু সৰবৰাহ কৰা *দুই পৃষ্ঠাত চাওক*

## এটিএম লুটৰ চেষ্টা, আৰক্ষীৰ গুলিত আহত ডকাইত


**অগ্ৰদূত বাৰ্তা**

**চাবুৱা, ১০ জানুৱাৰী ঃ** চাবুৱাত যোৱা নিশা টহলদাৰী আৰক্ষীৰ গুলিত আহত হয় বিতু ভূমিজ নামৰ এজন ডকাইত। ভাৰতীয় ষ্টেট বেংকৰ চাবুৱা শাখাৰ সমীপতে এটা *দুই পৃষ্ঠাত চাওক*

## জনসংযোগৰ প্ৰাক্তন সঞ্চালক কবিন বৰাৰ বিয়োগ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১০ জানুৱাৰী ঃ** নগাঁও চহৰৰ ফৌজদাৰীপট্টি নিবাসী তথ্য আৰু জনসংযোগ বিভাগৰ অৱসৰপ্ৰাপ্ত সঞ্চালক কবিন বৰা (৮২)ৰ যোৱা নিশা ১১ বজাত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। বিগত কিছু মাহ ধৰি তেওঁ দুৰাৰোগ্য ৰোগত *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৭° | ১৪° |
| ডিব্ৰুগড় | ২৬° | ১২° |
| দিল্লী | ১৬° | ০৮° |
| কলকাতা | ২৭° | ১৮° |
| মুম্বাই | ২৫° | ১৮° |
| চেন্নাই | ৩১° | ২৪° |
| বাংগালুৰু | ২৮° | ১৭° |
| শ্বিলং | ১৯° | ০৮° |

*১০ জানুৱাৰী, ২০২২*

## চেঙা তেল



*পুলিচক পুঠি-খলিহনা ধৰিবলৈ ব্যস্ত কৰি থোৱা, আৰু আমাৰ কামবোৰ ঠিকে চলাই যোৱা!*

■ ব্যাপক অনিয়ম-স্বজন তোষণৰ অভিযোগ ■ উচ্চ ন্যায়ালয়ত লেখ আবেদন ■ চৰকাৰৰ স্থিতি অৱগত কৰিবলৈ সময় আদালতৰ

## এপিএছচি ২০১৪ৰ পৰীক্ষা ন্যায়িক তদন্ত আয়োগৰ আওঁতালৈ অনাৰ দাবী



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ জানুৱাৰী ঃ** অসম লোকসেৱা আয়োগৰ দ্বাৰা ২০১৩ত আয়োজিত পৰীক্ষাত যিদৰে কেলেংকাৰি সংঘটিত হৈছিল একে আৰ্হিৰে ২০১৪ৰ পৰীক্ষাতো বৃহৎ কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগ তুলি ২০১৩ৰ দৰে ২০১৪ৰ লোকসেৱা আয়োগৰ পৰীক্ষাও ন্যায়িক তদন্তৰ আওঁতালৈ আনিবলৈ দাবী উত্থাপন কৰিছে ফাইট এগেইনষ্ট ইনজাষ্টিছ অৱ এপিএছচি নামৰ সংগঠনটোৱে। এই দাবীৰে গুৱাহাটী উচ্চ ন্যায়ালয়ত সংগঠনটোৱে ডব্লিউ পি (চি) ৬৪৪২/২১ নম্বৰত দাখিল কৰা এক লেখ আবেদনৰ ভিত্তিত ন্যায়ালয়ে চৰকাৰক এই ক্ষেত্ৰত স্থিতি অৱগত কৰিবলৈ *১০ পৃষ্ঠাত চাওক*

জৰীপ নোহোৱা ভূমিত আছে ৬৭২খন গাঁও

১,৭৫০ বৰ্গ কিলোমিটাৰৰ জৰীপ হোৱা নাই

## জৰীপৰ পাছতে একাংশ গাঁও উচ্ছেদৰ সম্ভাৱনা, আন একাংশই পাব আঁচনি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ জানুৱাৰী ঃ** ৰাজ্যত ইমানদিনে জৰীপ নোহোৱা গাঁওসমূহত জৰীপ প্ৰক্ৰিয়া আৰম্ভ কৰিছে অসম চৰকাৰে। জৰীপৰ পাছতে একাংশ গাঁৱত চলিব উচ্ছেদ অভিযান। দিছপুৰৰ সূত্ৰই সদৰী কৰা অনুসৰি অসমৰ মুঠ ভূমি খণ্ডৰ ১,৭৫০ বৰ্গ কিলোমিটাৰ ভূমিৰ আজি পৰ্যন্ত জৰীপ হোৱা নাই। এই ভূমিত প্ৰায় ৬৭২ খন গাঁও আছে। এই গাঁওসমূহ বিস্তাৰিত হৈ আছে ২২ খন জিলাত। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত ভূমি তথ্য সঞ্চালকালয়ে আৰম্ভ কৰা জৰীপ প্ৰক্ৰিয়াৰ *১০ পৃষ্ঠাত চাওক*

## ৰহাত এটিএম ভাঙি দুৰ্বৃত্তই লুটিলে ৫০ লাখ টকা

**অগ্ৰদূত বাৰ্তা**

**ৰহা, ১০ জানুৱাৰী ঃ** ৰহা আৰক্ষী থানাৰ অন্তৰ্গত ৰহা বজাৰৰ মাজমজিয়াত থকা ভাৰতীয় ষ্টেট বেংকৰ ৰহা শাখাৰ সন্মুখত এটিএম ভাঙি আজি পুৱতি নিশা দুৰ্বৃত্তই ৫০ লাখ টকা লৈ উধাও হয়। উল্লেখ্য যে এটিএমৰ তিনিটা মেচিনত এই ধন আছিল। দুৰ্বৃত্তৰ দলটোৱে আটাইকেইটা মেচিন কৌশলৰে ভাঙি *১০ পৃষ্ঠাত চাওক*

সত্ৰৰ বেদখলকৃত ভূমি জৰীপ সমিতিৰ পৰিদৰ্শন ■ চলিছে ব্যৱসায়

## গুৰুজনাৰ জন্মস্থান বটদ্ৰৱাৰ সত্ৰৰ শ শ বিঘা ভূমি বেদখলকাৰীৰ কবলত

**অগ্ৰদূত বাৰ্তা**

**বটদ্ৰৱা, ১০ জানুৱাৰী ঃ** ৰাজ্য চৰকাৰে সত্ৰৰ বেদখলকৃত ভূমি জৰীপৰ বাবে বিধায়ক প্ৰদীপ হাজৰিকাৰ নেতৃত্বত বিধায়কদ্বয় ৰূপক শৰ্মা আৰু মৃণাল শইকীয়াক সদস্যৰূপে লৈ গঠন কৰা ভূমি জৰীপ সমিতি আজি গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা থানত উপস্থিত হয়। বটদ্ৰৱা থানৰ *১০ পৃষ্ঠাত চাওক*



■ গুলি ফুটাইহে খেদিলে বনকৰ্মীয়ে

## মানাহ অভয়াৰণ্যত পৰ্যটকৰ বাহনত বন্যহস্তীৰ আক্ৰমণ, কথমপি ৰক্ষা



**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১০ জানুৱাৰী ঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যানত পুনৰ এক অঘটনৰ পৰা ৰক্ষা পৰিল পৰ্যটকৰ বাহন। মানাহৰ এটা প্ৰকাণ্ড বন্যহস্তীয়ে পৰ্যটকৰ বাহনত আক্ৰমণ কৰাত বনকৰ্মীয়ে গুলী ফুটাই হাতীটোক খেদিব লগা হয়। মানাহৰ বাঁহবাৰী ৰেঞ্জৰ মথনগুৰি আৰু পাঁচমাইল সংযোগী পথৰ শ্বৰফুলি বীটত সংঘটিত হয় এই ঘটনা। কালি আবেলি ৰাষ্ট্ৰীয় উদ্যানৰ *১০ পৃষ্ঠাত চাওক*

## বনভোজলৈ যোৱাত বাধা ঃ মহানগৰীত কলেজীয়া ছাত্ৰীৰ আত্মহত্যা



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ জানুৱাৰী ঃ** সহপাঠীৰ স'তে বনভোজলৈ যোৱাত পিতৃয়ে সন্মতি নিদিয়াত মহানগৰীত স্নাতক প্ৰথম ষাণ্মাসিকৰ এগৰাকী ছাত্ৰীয়ে আত্মহত্যাৰ দৰে চৰম পন্থা বাছি লয়। কালি *১০ পৃষ্ঠাত চাওক*

## ৰাজ্যত কৰ'নাৰ তৃতীয় পালি প্ৰতিষেধক প্ৰদান আৰম্ভ

সাংবাদিককো গণ্য কৰা হ'ব প্ৰথম শ্ৰেণীৰ ক'ভিড যোদ্ধাৰূপে ঃ স্বাস্থ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১০ ডিচেম্বৰ ঃ** অসমতো আজিৰে পৰা চিকিৎসক তথা স্বাস্থ্যকৰ্মী, ক'ভিড প্ৰতিৰোধ অভিযানৰ আগশাৰীৰ কৰ্মী আৰু গুৰুতৰ উপসৰ্গ *১০ পৃষ্ঠাত চাওক*

■ জিলাই জিলাই ৰাজহুৱা অনুষ্ঠানত নিষেধাজ্ঞা জাৰি ■ অসমত প্ৰথম দিনা ৭,৯১২ জনক বুষ্টাৰ পালি প্ৰদান ■ চাৰি জিলাত সৰ্বাধিক

## ক'ভিডৰ তৃতীয় ঢৌত ৰাজ্যত এদিনত সৰ্বাধিক ২,১৯৮জন সংক্ৰমিত




**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ জানুৱাৰী ঃ** ক'ভিডৰ চলিত তৃতীয় ঢৌত অসমত আজি এদিনত সৰ্বাধিক লোক আক্ৰান্ত হয়। স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই সদৰী কৰা অনুসৰি যোৱা ২৪ ঘণ্টাত ৪৮,৯৬৪ টা নমুনা পৰীক্ষাৰ জৰিয়তে ২,১৯৮ জন লোকৰ শৰীৰত সংক্ৰমণ ধৰা পৰে। তাৰে ৭৬০জন কামৰূপ মহানগৰৰ। *দুই পৃষ্ঠাত চাওক*

■ সজাগতা সৃষ্টিৰ বাবে ৰাজ্যজুৰি ১৬ জানুৱাৰীত অনুষ্ঠিত হ'ব বিশেষ গাঁও সভা ■ উপযুক্ত পৰিকাঠামোৰ অভাৱতে মধ্যভোগীয়ে ধান ক্ৰয়ৰ সুযোগ লাভ কৰে ■ বঞ্চিত হয় কৃষক

## ১০ লাখ টন ধান কিনিব চৰকাৰী সংস্থাই

১৯৪০ টকা দৰত কিনিবলৈ সন্মত খাদ্য নিগম



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১১ জানুৱাৰী ঃ** প্ৰতি বছৰে ৰাজ্যৰ কৃষকসকলে প্ৰায় ৮০ লাখ মেট্ৰিকটন ধান উৎপাদন কৰে। ধান ক্ৰয়ৰ উপযুক্ত ব্যৱস্থাপনা, তথা পৰিকাঠামো আৰু সংঘবদ্ধ প্ৰয়াস নোহোৱাৰ বাবে কৃষকৰ এই ধান মধ্যভোগীয়ে ক্ৰয় কৰে। ফলত কৃষকসকলে উপযুক্ত দৰ লাভৰ পৰা বঞ্চিত হয়। ৰাজ্য চৰকাৰে পৰিস্থিতিৰ অৱসান ঘটাব বিচাৰিছে যাতে কৃষকসকল অৰ্থনৈতিকভাৱে লাভান্বিত হ'ব পাৰে। আজি জিলা উপায়ুক্ত, চক্ৰ বিষয়া, জিলা কৃষি বিষয়া আৰু কৃষি উন্নয়ন *১০ পৃষ্ঠাত চাওক*

পঞ্জাৱত প্ৰধানমন্ত্ৰী মোদীৰ নিৰাপত্তা ব্যৱস্থাত সুৰুঙাৰ অভিযোগ

## তদন্ত কমিটী গঠন কৰি দিলে উচ্চতম ন্যায়ালয়ে

**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১০ জানুৱাৰী ঃ** পঞ্জাৱত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কনভয় আৱদ্ধ হোৱা ঘটনাৰ তদন্তৰ বাবে চাৰিজনীয়া কমিটী গঠন কৰিলে দেশৰ উচ্চতম ন্যায়ালয়ে। এই কমিটীৰ নেতৃত্বত থাকিব উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ। আনহাতে, পেনেলৰ বাকী তিনিজন সদস্যৰূপে থাকিব চণ্ডীগড় আৰক্ষীৰ সঞ্চালকপ্ৰধান, ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা (এন আই এ)ৰ মহাপৰিদৰ্শক আৰু উচ্চ ন্যায়ালয়ৰ মহাপঞ্জীয়ক। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ নেতৃত্বাধীন বিচাৰপীঠে আজি এই ৰায় প্ৰদান কৰে। *১০ পৃষ্ঠাত চাওক*

মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে মিথ্যাচাৰৰ অভিযোগ কোচ ৰাজবংশী সন্মিলনীৰ

## ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণত কোনো বাধা দিয়া নাই জনজাতিয়ে



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ জানুৱাৰী ঃ** 'মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চূড়ান্ত মিথ্যাচাৰৰ আশ্ৰয় লৈছে। বছৰটোৰ প্ৰথম দিনটোৱেই তেওঁ মিছা কথাৰে আৰম্ভ কৰিছে। তাতোকৈ ডাঙৰ কথাটো হ'ল ৰাজ্যৰ ভূমিপুত্ৰ কোচ ৰাজবংশীসকলৰ লগতে তাই আহোম, মৰাণ, মটক, চুতীয়া, চাহ জনগোষ্ঠী এই ছটা *ছয় পৃষ্ঠাত চাওক*

নগালেণ্ডত ৭০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পদযাত্ৰা

## ক'লা আইন প্ৰত্যাহাৰ-ভুক্তভোগীৰ ন্যায় প্ৰদানৰ দাবীত পদযাত্ৰাৰ আৰম্ভণি

**■ নিউজ ব্যুৰ'**

**ডিমাপুৰ, ১০ জানুৱাৰী ঃ** নগালেণ্ডৰ ডিমাপুৰৰ পৰা ৰাজধানী কহিমালৈ ৭০ কিলোমিটাৰ অধিক বাট খোজ কাঢ়ি প্ৰতিবাদ সাব্যস্তৰ বাবে দুদিনীয়া কাৰ্যসূচীত অংশ লৈছে হেজাৰ হেজাৰ নগা লোকে। ৰাজ্যখনৰ পৰা সেনা প্ৰত্যাহাৰৰ দাবী আৰু মন জিলাত এই আইনৰ গইনা লৈ ১৪জন নিৰীহক নিৰাপত্তা বাহিনীয়ে হত্যা কৰাৰ ঘটনাৰ ন্যায় বিচাৰি *১০ পৃষ্ঠাত চাওক*

সৰব সাংসদ ভূঞা

## চৰকাৰক প্ৰশ্ন সোধাৰ পৰিৱেশ নোহোৱা হৈছে অসমত




**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ জানুৱাৰী ঃ** অসম চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাই আজি ইয়াত এক সংবাদমেলত মন্তব্য কৰে যে ৰাইজক *দুই পৃষ্ঠাত চাওক*

তৃতীয় ঢৌত দেশৰ চিকিৎসালয়ৰ প্ৰয়োজনীয়তাৰ ছবিখন সলনি হ'ব পাৰে ঃ সমীক্ষাৰ তথ্য

## সাধাৰণ চৰ্দিয়ে ক'ভিডৰ পৰা সুৰক্ষা দিব পাৰে



**■ নিউজব্যুৰ'**

**নতুন দিল্লী, ১০ জানুৱাৰী ঃ** ক'ভিডৰ তৃতীয় ঢৌত দেশৰ চিকিৎসালয়ত ভৰ্তি হোৱা আক্ৰান্তৰ হাৰ পাঁচৰ পৰা ১০ শতাংশ হৈছে। কেন্দ্ৰীয় চৰকাৰে আজি কয় যে পৰিস্থিতি পৰিবৰ্তিত হৈ আছে আৰু চিকিৎসালয়ত ভৰ্তিৰ প্ৰয়োজনীয়তাৰ ছবিখন দ্ৰুতগতিত সলনি হ'ব পাৰে। দ্বিতীয় ঢৌত চিকিৎসালয়ত ভৰ্তি হোৱাৰ হাৰ ২০-৩০ শতাংশ আছিল। আনহাতে, আজি পুৱা ১.৭৯ লাখ লোক দেশত নতুনকৈ কৰ'নাত সংক্ৰমিত হয়। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি দৈনিক সংক্ৰমণৰ হাৰ ১৩.২৯ শতাংশ। প্ৰায় ১০ দিন পূৰ্বে দেশত দৈনিক গড়ে ১০,০০০-১৫,০০০ লোক সংক্ৰমিত হৈছিল।

স্বাস্থ্য মন্ত্ৰণালয়ে আজি কয় যে এই বৃদ্ধি অ'মিক্ৰন আৰু ডেল্টাৰ নিৰন্তৰ উপস্থিতিৰ ফলতে হৈছে। ভাৰতত এতিয়ালৈকে নতুন প্ৰজাতিৰ দ্বাৰা চাৰি হেজাৰৰো অধিক লোক সংক্ৰমিত হৈছে যিয়ে বিশ্বজুৰি সংক্ৰমণৰ নতুন বৃদ্ধিত ইন্ধন যোগাইছে। সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত *১০ পৃষ্ঠাত চাওক*

# দৈনিক অগ্ৰদূত

গুৱাহাটী, ১১ জানুৱাৰী, ২০২২ মঙলবাৰ পৃষ্ঠা তিনি


# ধুবুৰীৰ পৰা ড্ৰাগছ বিক্ৰী কৰিবলৈ আহি ঢালিগাঁৱত আটক দুই



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ১০ জানুৱাৰী ঃ** চিৰাঙৰ ঢালিগাঁৱত আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান অব্যাহত আছে। এক বিশেষ তথ্যৰ ভিত্তিত ঢালিগাঁও থানাৰ আৰক্ষীয়ে চলোৱা অভিযানত ঢালিগাঁৱৰ মেইন গেটত এ এছ-১৭ ই-৮৮৭৮ নম্বৰৰ গ্লেমাৰ মটৰ চাইকেল এখন ২৫টা ড্ৰাগছভৰ্তি প্লাষ্টিকৰ কণ্টেইনাৰ, এটা ছিৰিঞ্জসহ অন্যান্য সামগ্ৰীৰ স'তে দুজনক আটক কৰে। ঢালিগাঁও আৰক্ষীয়ে ধৃত লোক দুজন ধুবুৰী জিলাৰ গৌৰীপুৰৰ টিয়ামাৰী গাঁৱৰ ক্ৰমে ছবুৰুদ্দিন আহমেদ (২৫) আৰু শাহিন আলী (২৫)। ড্ৰাগছ ব্যৱসায়ী দুজনে সদৰী কৰা মতে, গৌৰীপুৰৰ পৰা এটা ড্ৰাগছভৰ্তি প্লাষ্টিক কণ্টেইনাৰ চাৰিশ টকাত কিনি আনি ঢালিগাঁৱত ছয় পৃষ্ঠাত চাওক

দৈয়াঙৰ তিনি সমষ্টিত মন্ত্ৰী অতুল বৰাৰ নিৰ্বাচনী প্ৰচাৰ

# মিত্ৰজোঁটৰ চৰকাৰৰ সীমাহীন উন্নয়নে আকৃষ্ট কৰিছে ৰাজ্যবাসীক

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ১০ জানুৱাৰী ঃ** অহা ২০ জানুৱাৰীত অনুষ্ঠিতব্য ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনক লৈ প্ৰতিটো সমষ্টিতে তুংগত উঠিছে নিৰ্বাচনী প্ৰচাৰ। ইয়াৰ মাজতে গোলাঘাট জিলাৰ দৈয়াঙৰ তিনি সমষ্টি ক্ৰমে ১৩ নম্বৰ কাছমাৰী, ১৪ নম্বৰ চাউদাং পথাৰ আৰু ১৫ নম্বৰ চাউদাং-দৈয়াং সমষ্টিকেইটাত বিজেপি মিত্ৰজোঁট আৰু কংগ্ৰেছ প্ৰাৰ্থীৰ মাজত প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা প্ৰকট হৈছে। আজি মিত্ৰজোঁটৰ অন্যতম সহযোগী দল অগপৰ সভাপতি তথা কৃষি, পশুপালন আৰু সীমান্ত উন্নয়ন মন্ত্ৰী অতুল বৰাই ১৩ নম্বৰ কাছমাৰী সমষ্টিৰ মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী শিখামণি ঠেঙালৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। বিয়লি কল্যাণপুৰত অনুষ্ঠিত এক নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি অগপ সভাপতি বৰাই কয় যে অসমত মিত্ৰজোঁটৰ চৰকাৰৰ দিনত হোৱা সীমাহীন উন্নয়নে চৰকাৰখনৰ প্ৰতি আকৃষ্ট কৰিছে ৰাজ্যবাসীক। কংগ্ৰেছৰ শাসনত ৰাজ্যখনৰ উন্নয়ন স্থবিৰ হোৱাৰ ছয় পৃষ্ঠাত চাওক

নগাঁৱত পুনৰ আক্ৰান্ত ৫৭গৰাকী লোক

# গীতাঞ্জলি জুনিয়ৰ কলেজৰ ছয় শিক্ষাৰ্থী আক্ৰান্ত ক'ভিডত

বিশেষ সংবাদদাতা

**নগাঁও, ১০ জানুৱাৰী ঃ** নগাঁও জিলাত দ্ৰুত হাৰত ক'ভিড আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত উদ্বিগ্ন হৈ পৰিছে জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগ। নগাঁও জিলা স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে, আজি জিলাখনৰ ২০০৩গৰাকী লোকৰ ৰেপিড এণ্টিজেন টেষ্ট (আৰএটি) আৰু ৪৯গৰাকী লোকৰ আৰপিচিআৰ টেষ্ট কৰাৰ অন্তত ৫৭গৰাকী লোকৰ দেহত ক'ভিড-১৯ৰ অৱস্থিতি ধৰা পৰে। উল্লেখ্য যে আজিৰ দিনটোত জিলাখনত ক'ভিডত আক্ৰান্ত হোৱা বুলি নিশ্চিত কৰাসকলৰ ভিতৰত চহৰখনৰ মোৰোৱাৰীপট্টিস্থিত গীতাঞ্জলি জুনিয়ৰ কলেজৰ ছগৰাকী শিক্ষাৰ্থীও আছে বুলি জিলাখনৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ অতুল চন্দ্ৰ পাটৰে জনাইছে। স্মৰ্তব্য যে চলিত মাহটোৰ ছয় পৃষ্ঠাত চাওক

# গৰুখুঁটি ঘটনাৰ তদন্তৰ বাবে মঙলদৈত আজি তদন্ত আয়োগ

বিশেষ সংবাদদাতা

**মঙলদৈ, ১০ জানুৱাৰী ঃ** যোৱা ২৩ ছেপ্টেম্বৰত ঢলপুৰৰ গৰুখুঁটি অঞ্চলৰ চৰকাৰী ভূমিৰ পৰা একাংশ বেদখলকাৰীক উচ্ছেদ কৰাৰ সময়ত সৃষ্টি হোৱা অনাকাংক্ষিত ঘটনাত ৰাজ্য চৰকাৰে যি তদন্ত ঘোষণা কৰিছিল তাৰেই অংশ স্বৰূপে কাইলৈ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বি ডি আগৰৱালাৰ নেতৃত্বত এক তদন্ত আয়োগ দৰং জিলাত উপস্থিত হ'ব । আয়োগে উল্লেখ কৰা মতে, দুপৰীয়া ১২ বজাৰ পৰা মঙলদৈস্থিত আবৰ্ত ভৱনত অনুষ্ঠিত হ'বলগীয়া শুনানিৰ সময়ত জিলা প্ৰশাসন তথা আৰক্ষী বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ ভাষ্য গ্ৰহণ কৰা হ'ব। তদুপৰি উক্ত ঘটনাত নিহত লোকসকলৰ নিকট আত্মীয়সকলৰ ঘটনা সন্দৰ্ভত অভিযোগসমূহ গ্ৰহণ কৰিব। লগতে যদিহে কোনো ছয় পৃষ্ঠাত চাওক

# বহিঃৰাজ্যত হাজোৰ চি আৰ পি এফ জোৱানৰ ক্ষত-বিক্ষত মৃতদেহক লৈ গভীৰ ৰহস্য

অগ্ৰদূত বাৰ্তা

**হাজো, ১০ জানুৱাৰী ঃ** কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অন্তৰ্গত কুলহাটী গাঁৱৰ প্ৰয়াত প্ৰসন্ন দাসৰ পুত্ৰ ভাস্কৰজ্যোতি দাসৰ ক্ষত-বিক্ষত মৃতদেহ পশ্চিমবংগৰ কিষাণগঞ্জত ৰেলৰ লাইনত উদ্ধাৰ হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তথ্য মতে কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অন্তৰ্গত কুলহাটী গাঁৱৰ দুই পুত্ৰ আৰু পত্নীৰে সংসাৰ কৰি থকা ভাস্কৰে চাকৰি সূত্ৰে চত্তিছগড়ত চি আৰ পি এফ বাহিনীত কৰ্মৰত আছিল। যোৱা নিশা চত্তিছগড়ৰ পৰা ১২৩৪৫ ৰেলৰ কোচ নম্বৰ এছ- চি টি নম্বৰ ৫০ চি যোগে চাৰি সতীৰ্থ বন্ধুৰ স'তে ঘৰলৈ আহি আছিল। আজি পুৱা প্ৰায় ছয় বজাত ভাস্কৰৰ পত্নী ৰীতা দাসলৈ একেলগে চাকৰি কৰা সহযাত্ৰী নাৰায়ণ মণ্ডলে ফোন কৰি ভাস্কৰ নিশা ছয় পৃষ্ঠাত চাওক

# হাজোৰ ঐতিহাসিক মণিকূট উৎসৱ-সমন্বয় শোভাযাত্ৰা বাতিল হাজো আছুৰ সংবাদমেলত ঘোষণা

অগ্ৰদূত বাৰ্তা

**হাজো, ১০ জানুৱাৰী ঃ** ১৯৯২ত ৰাম মন্দিৰ আৰু বাবৰি মছজিদ ধ্বংসক লৈ সৃষ্টি হোৱা গোষ্ঠী সংঘৰ্ষই সমগ্ৰ দেশৰ লগতে অসমতো ভয়াবহ ৰূপ লৈছিল। তেনে সময়তে হাজো আঞ্চলিক ছাত্ৰ সন্থা আৰু হাজো মণিকূট সাহিত্য সমাজে শান্তি- সমন্বয়ৰ মিলন ভূমি হাজোত সেই বৰ্ষৰ পহিলা মাঘত হাজো হয়গ্ৰীৱ মাধৱ মন্দিৰৰ দলৈ আৰু পোৱামক্কাৰ দৰগাহ শ্বৰীফৰ খাদিমক সদৌ অসম ছাত্ৰ সন্থাৰ পতাকাৰ তলত একত্ৰিত কৰিছিল। লগতে সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা আদান-প্ৰদান কৰি পোৱামক্কা দৰগাহৰ পৰা মাধৱ মন্দিৰ লৈ শান্তি আৰু সমন্বয় শোভাযাত্ৰা উলিয়াই দেশবাসীৰ দৃষ্টি আকৰ্ষণ কৰিছিল। পৰৱৰ্তী সময়ত হাজো আঞ্চলিক ছাত্ৰ সন্থাই উদ্‌যাপন কৰা 'মণিকূট উৎসৱ আৰু সমন্বয় শোভাযাত্ৰা' বিগত ২৫ বছৰ ধৰি প্ৰতি বছৰৰ পহিলা মাঘত পালন কৰি আহিছে। এই শোভাযাত্ৰাত জাতি- ধৰ্ম-ভাষা নিৰ্বিশেষে হেজাৰ হেজাৰ লোকে অংশগ্ৰহণ কৰি সমগ্ৰ বিশ্বতে সমন্বয়ৰ শান্তিৰ বাৰ্তা প্ৰেৰণ কৰি আহিছে। পূৰ্বৰ দৰে কোনো ব্যতিক্ৰম নোহোৱাকৈ হাজো আঞ্চলিক ছাত্ৰ সন্থাই এইবেলিও মণিকূট আৰু সমন্বয় শোভাযাত্ৰাৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলাৰ সময়তে সমগ্ৰ দেশৰ লগতে কামৰূপ জিলাতো কৰ'না অতিমাৰী আৰু অমিক্ৰনৰ সংক্ৰমণ দ্ৰুত গতিত বৃদ্ধি ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



■ নগাঁৱৰ বহু কৃষকৰ ঘৰতেই নাই ধান-মাহ-তিল

# গ্ৰামাঞ্চলত হেৰাইছে ভোগালীৰ মাদকতা



নদীদ্বীপ মাজুলীত দৃষ্টিনন্দন ভেলাঘৰ নিৰ্মাণত ব্যস্ত গঞা, সোমবাৰে।

■ হেমেন কুমাৰ দাস

**নগাঁও, ১০ জানুৱাৰী ঃ** হেঁপাহৰ ভোগালী বিহুলৈ মাজত মাথোঁ দুদিন থকা অৱস্থাত নগাঁও জিলাৰ গ্ৰামাঞ্চলত এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। অৱশ্যে পূৰ্বৰ তুলনাত এইবাৰ তৎপৰতা ভালেখিনি হ্ৰাস পাইছে। ইয়াৰ অন্যতম প্ৰধান কাৰণ হ'ল জিলাখনৰ গ্ৰামাঞ্চলত কৃষকৰ ছয় পৃষ্ঠাত চাওক

# গহপুৰত মহিলাসহ সাতগৰাকী তীৰ খেলৰ বুকীক গ্ৰেপ্তাৰ ঃ জেললৈ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

**গহপুৰ, ১০ জানুৱাৰী ঃ** গহপুৰ মহকুমাৰ হেলেম আৰু গহপুৰ আৰক্ষীয়ে যোৱা নিশা মহকুমাটোৰ বিভিন্ন প্ৰান্তত পৃথকে পৃথকে অভিযান চলাই এগৰাকী মহিলাসহ সাতগৰাকী তীৰ খেলৰ বুকীক গ্ৰেপ্তাৰ কৰে। এই সন্দৰ্ভত জানিব পৰা মতে, এক নিৰ্ভৰযোগ্য সূত্ৰৰ পম খেদি মহকুমাটোৰ অন্তৰ্গত হেলেম আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হৰেণ গগৈৰ নেতৃত্বত আৰক্ষীৰ এটা অভিযানকাৰী দলে বৃহত্তৰ হেলেম অঞ্চলৰ বিভিন্ন প্ৰান্তত চলোৱা অভিযান কালত মুঠ ছয় পৃষ্ঠাত চাওক

# ভাৰতৰ ২২ টাকৈ ভাষাত প্ৰশিক্ষণ নলবাৰীৰ গীতিকাৰ কেশৱ দত্তৰ 'দেশৰ মাটিৰ গান'

■ আব্দুল মজিদ



**নলবাৰী, ১০ জানুৱাৰী ঃ** নলবাৰীৰ বৰকুৰাৰ মূল পথৰ কাষতে এটা আটোম-টোকাৰিকৈ ৰখা ঘৰ। সম্মুখত এখন সৰু বাগিচা। ঘৰৰ ভিতৰত সৰু কোঠালি এটাত সজোৱা আছে দুটাকৈ ৰেডিঅ', টেপ ৰেকৰ্ডাৰ, এলপি 'কাঁহী' ৰেকৰ্ডাৰ, ডেক, কেছেট আদি পুৰণি সংগীতশ্ৰৱণ যন্ত্ৰসমূহ। এই কোঠাটোতে গীত লিখি আহিছে কেশৱ দত্ত নামৰ গীতিকাৰজনে। আজিৰ প্ৰজন্মৰ বাবে গীতিকাৰসকল প্ৰায় অপৰিচিত হৈ আহিব ধৰাৰ দৰে গীতিকাৰ কেশৱ দত্তৰ পৰিচিতিও আজিৰ প্ৰজন্মৰ মাজত ব্যাপক নহয় যদিও স্তব্ধ হোৱা নাই ছয় পৃষ্ঠাত চাওক






## গোৱাত পুনৰ বিজেপি ত্যাগ বিধায়কৰ

**নিউজ ব্যুৰ', পানাজি, ১০ জানুৱাৰী ঃ** গোৱাৰ বিজেপিৰ বিধায়ক তথা ব্যৱসায়ী প্ৰবীণ জান্তেয়ে বিধায়ক পদ ত্যাগ কৰিলে। প্ৰবীণে অচিৰে মহাৰাষ্ট্ৰবাদী গোমান্তক পাৰ্টিত যোগদান কৰিব। মায়েম সমষ্টিৰ বিধায়ক প্ৰবীণে গোৱা বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে বিজেপি ত্যাগ কৰাটো দলটোৰ বাবে এক বৃহৎ খতি হিচাপে পৰিচিত হৈছে। উল্লেখ্য যে প্ৰবীণৰ পূৰ্বে আন তিনিজন বিজেপিৰ বিধায়কে দলত্যাগ কৰিছিল।

## বেআইনী আমদানিৰ গোচৰত পুনৰ চাৰি বছৰৰ কাৰাদণ্ড ছ্যু কীক



নিউজ ব্যুৰ', য়াংগুন, ১০ জানুৱাৰী ঃ ম্যানমাৰৰ ক্ষমতাচ্যুত নেত্ৰী আন ছাং ছ্যু কীক পুনৰ চাৰি বছৰৰ কাৰাদণ্ডৰ ৰায় দিলে দেশখনৰ এখন আদালতে। যোৱা মাহতো আদালতে ছ্যু কীক চাৰি বছৰৰ কাৰাদণ্ডৰ নিৰ্দেশ দিছিল। এই শাস্তিৰ স'তে আজি পুনৰ আদালতে চাৰি বছৰ যোগ কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি, ৱাকি টকিৰ বেআইনী আমদানি আৰু দেশৰ কৰ'না বিধি ভংগৰ অভিযোগত নতুনকৈ শাস্তিৰ ৰায় দিয়া হ'ল দেশৰ গণতান্ত্ৰিক নেত্ৰীৰ বিৰুদ্ধে। শান্তিৰ ন'বেলজয়ী ছ্যু কীক সেনাৰ বিৰুদ্ধে উচটনি যোগোৱাৰ আন এক গোচৰত যোৱা মাহত চাৰি বছৰৰ কাৰাদণ্ড বিহা হৈছিল। ম্যানমাৰৰ ৭৬ বছৰীয়া গণতান্ত্ৰিক নেত্ৰীগৰাকীয়ে জীৱনৰ অধিকাংশ সময় কাৰাগাৰতে অতিবাহিত কৰিছে। ম্যানমাৰৰ সামৰিক চৰকাৰে ছ্যু কীৰ বিৰুদ্ধে উত্থাপন কৰা কমেও ১১ টা অভিযোগ প্ৰমাণিত হ'লে গণতান্ত্ৰিক নেত্ৰীগৰাকীৰ বিৰুদ্ধে আদালতে এশ বছৰৰো অধিক কাৰাদণ্ডৰ ৰায় দিয়াৰ সম্ভাৱনা আছে।

## নিউ য়ৰ্কৰ অট্টালিকাত অগ্নিকাণ্ডত ন শিশুসহ মৃত্যু ১৯ জনৰ



**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ১০ জানুৱাৰী ঃ** দেওবাৰে আমেৰিকাৰ নিউ য়ৰ্ক চহৰৰ ব্ৰংকছ অঞ্চলৰ এটা কে'বামহলীয়া আৱাসিক ভৱনত সংঘটিত হোৱা ভয়াৱহ অগ্নিকাণ্ডত প্ৰাণ হেৰুৱালে কমেও ১৯ জন লোকে। এই অগ্নিকাণ্ডত নজন শিশুৰ মৃত্যু হ'ল। ব্ৰংকছৰ ১৮১ নম্বৰ ষ্ট্ৰীটত থকা এটা বিশাল অট্টালিকাত বৈদ্যুতিক হিটাৰৰ বিজুতিৰ ফলত এইদৰে অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটে। গুৰুতৰভাৱে অগ্নিদগ্ধ ৩২ জন লোকৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। তদুপৰি আন ৬৩ জন লোকো অগ্নিকাণ্ডত আংশিকভাৱে দগ্ধ হৈছে।

## সংক্ৰমণ বৃদ্ধি ঃ ব্ৰিটেইনত পুনৰ বন্ধ হ'ব পাৰে বিদ্যালয়

**নিউজ ব্যুৰ', লণ্ডন, ১০ জানুৱাৰী ঃ** কৰ'নাৰ নতুন সংক্ৰমণ বৃদ্ধিৰ ফলত আকৌ এবাৰ ব্ৰিটেইনৰ পৰিস্থিতি জটিল হৈছে। ব্ৰিটেইন চৰকাৰৰ সন্মুখত বিদ্যালয়সমূহ খোলা ৰখাটো সম্প্ৰতি এক উদ্বেগৰ বিষয়ত পৰিণত হৈছে। দেশখনৰ বিভিন্ন বিদ্যালয়ত শিক্ষক আৰু কৰ্মচাৰীৰ সংখ্যা সম্প্ৰতি যথেষ্ট হ্ৰাস পাইছে। দৰাচলতে এক বৃহৎসংখ্যক শিক্ষক আৰু কৰ্মচাৰী কৰ'নাত সংক্ৰমিত হোৱাৰ ফলত এইসকল শিক্ষকে কৰ্তব্যত উপস্থিত থকাৰ পৰা বিৰত আছে। ফলত বিদ্যালয়ত পাঠদান অব্যাহত ৰখাটো কঠিন হৈছে। ব্ৰিটেইন চৰকাৰৰ লগতে একাংশ অভিভাৱকে বিগত দুবছৰ ধৰি বিদ্যালয় বন্ধ থকাৰ পাছত এতিয়া সকলোবোৰ শিক্ষানুষ্ঠান স্বাভাৱিকভাৱে খুলি ৰখাটো বিচাৰিছে। কিন্তু শিক্ষক-কৰ্মীৰ অভাৱত বিদ্যালয়সমূহ স্বাভাৱিকভাৱে পৰিচালনা কৰাটো কঠিন হৈছে। সেয়েহে ব্ৰিটেইনত ক'ভিড পৰিস্থিতিত আকৌ এবাৰ বিদ্যালয় বন্ধ হোৱাৰ শংকা প্ৰকট হৈছে।



### দেশত হঠাতে ক'ভিডৰ সংক্ৰমণ পুনৰ উদ্বেগজনক হোৱাৰ বাবে অ'মিক্ৰনকে জগৰীয়া কৰিলে বিশেষজ্ঞই

# দেশত চাৰি হেজাৰৰ অধিক হ'ল অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা

**নিউজ ব্যুৰ' নতুন দিল্লী, ১০ জানুৱাৰী ঃ** যোৱা ২৪ ঘণ্টাত ভাৰতত কৰ'নাৰ দৈনিক সংক্ৰমণ ১২.৫ শতাংশ বৃদ্ধি পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, আজি দেশত নতুনকৈ এক লাখ ৭৯ হেজাৰ ৭২৩ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। ফলত দেশৰ মুঠ কৰ'নাৰ আক্ৰান্তৰ সংখ্যা তিনি কোটি ৫৭ লাখ সাত হেজাৰ ৭২৭ জনলৈ বৃদ্ধি পালে। দেশৰ দৈনিক সংক্ৰমণৰ হাৰ হৈছে ১৩.২৯ শতাংশ। সুস্থতাৰ হাৰো কিছু হ্ৰাস পাই ৯৬.৬২ শতাংশ হৈছে। ভাৰতত বৰ্তমানে সাত লাখ ২৩ হেজাৰ ৬১৯ জন সক্ৰিয় কৰ'না ৰোগী আছে। আনহাতে, যোৱা ২৪ ঘণ্টাত দেশত ১৪৬ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। বৰ্তমানলৈকে ভাৰতত চাৰি লাখ ৮৩ হেজাৰ ৯৩৬ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। সবাতোকৈ অধিক আক্ৰান্ত ৰাজ্যৰ শীৰ্ষত আছে মহাৰাষ্ট্ৰ। মহাৰাষ্ট্ৰত যোৱা ২৪ ঘণ্টাত ৪৪,৩৮৮ জন লোক ক'ভিডত আক্ৰান্ত হ'ল।

একে সময়তে দেশত উদ্বেগজনকভাৱে বৃদ্ধি পাইছে কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ। যোৱা ২৪ ঘণ্টাত দেশত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ৪,০৩৩ জনলৈ বৃদ্ধি পালে। অৱশ্যে এইসকল ক'ভিডৰ নতুন প্ৰজাতিত আক্ৰান্তৰ ১,৫৫২ জন ইতিমধ্যে সুস্থ হৈ উঠিছে। অ'মিক্ৰন সংক্ৰণৰ ক্ষেত্ৰতো দেশৰ ভিতৰতে শীৰ্ষত আছে মহাৰাষ্ট্ৰ। ৰাজ্যখনত মুঠ ১,২৬২ জন লোক কৰ'নাৰ নতুন প্ৰজাতিত সংক্ৰমিত হৈছে। অ'মিক্ৰন আক্ৰান্তৰ নিৰিখত দিল্লীক পিছ পেলাই দ্বিতীয় স্থান লাভ কৰিলে ৰাজস্থানে। ৰাজস্থানত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা হৈছে ৫২৯ জন। তৃতীয় স্থানত থকা দিল্লীত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ৫১৩ জন। দেশত হঠাতে ক'ভিডৰ সংক্ৰমণ পুনৰ উদ্বেগজনক হোৱাৰ বাবে বিশেষজ্ঞসকলে অ'মিক্ৰনৰ বৰ্ধিত সংক্ৰমণকে জগৰীয়া কৰিছে।







## গ'ল্ডেন গ্ল'ব ঃ 'দ্য পাৱাৰ অৱ ডগ' শ্ৰেষ্ঠ চলচ্চিত্ৰ, স্মিথ-কিডমেন শ্ৰেষ্ঠ অভিনেতা

**নিউজ ব্যুৰ', হলিউড, ১০ জানুৱাৰী ঃ** হলিউডৰ অন্যতম প্ৰসিদ্ধ গ'ল্ডেন গ্ল'ব বঁটা আজি ঘোষণা কৰা হ'ল। ২০২২ৰ গ'ল্ডেন গ্ল'ব বঁটা অনুষ্ঠানত শ্ৰেষ্ঠ চলচ্চিত্ৰৰ বঁটা লাভ কৰিলে 'দ্য পাৱাৰ অৱ ডগ' ছবিখনে। আনহাতে, চলচ্চিত্ৰৰ শিতানত গ'ল্ডেন গ্ল'বৰ চলিত বৰ্ষৰ শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ কৰিলে উইল স্মিথে। অভিনেতাজনে 'কিং ৰিচাৰ্ড' ছবিত কৰা অভিনয়ৰ জৰিয়তে এই বঁটা অৰ্জন কৰিলে। ক'ভিড সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠুপীয়াকৈ আয়োজন কৰা হৈছিল। গ'ল্ডেন গ্ল'বৰ ২০২২ৰ শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰিলে নিক'ল কিডমেনে। আনহাতে, শ্ৰেষ্ঠ সংগীত মধুৰ/কমেডী ছবিৰ বঁটা লাভ কৰিলে 'ৱেষ্ট ছাইড ষ্ট'ৰী'য়ে।



## তেলেংগানাত কালী মন্দিৰত মানৱমুণ্ড উদ্ধাৰ, নৰবলিক লৈ ব্যাপক চাঞ্চল্য

**নিউজ ব্যুৰ', হায়দৰাবাদ, ১০ জানুৱাৰী ঃ** তেলেংগানাৰ নালগোন্দা মহানকালী মন্দিৰত কটা মানৱমুণ্ড উদ্ধাৰক লৈ ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। আজি পুৱাতে মেটু মহানকালী মন্দিৰৰ পুৰোহিতে আনদিনাৰ দৰে মন্দিৰটোত পূজা-অৰ্চনা কৰিবলৈ মন্দিৰ প্ৰাংগণত উপস্থিত হোৱাৰ পাছতে দেৱী মূৰ্তিৰ ভৰিৰ কাষত এটা নৰমুণ্ড প্ৰত্যক্ষ কৰে। লগে লগে পুৰোহিতে ঘটনাৰ বিষয়ে স্থানীয় আৰক্ষীক অৱগত কৰে। তদন্তকাৰী আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি মৃতকৰ বয়স ৩০-৩৫ বছৰৰ ভিতৰত হ'ব। মন্দিৰৰ চৌহদৰ ভিতৰত তেজৰ কোনো চিহ্ন প্ৰত্যক্ষ নকৰা হেতুকে আৰক্ষীয়ে ব্যক্তিজনক কোনো লোকে আন স্থানত হত্যা কৰি নৰমুণ্ড মন্দিৰত পেলাই যোৱা বুলি সন্দেহ কৰিছে। এয়া নৰবলিৰ ঘটনা নে আন কাৰণত সংঘটিত কৰা হত্যাকাণ্ড সেয়া এতিয়াও স্পষ্ট হোৱা নাই।



## কাশ্মীৰত পুনৰ সেনাৰ গুলিত নিহত আল বদৰৰ দুজন সন্ত্ৰাসবাদী

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ১০ জানুৱাৰী ঃ** নতুন বছৰৰ আৰম্ভণিৰে পৰা আকৌ এবাৰ সেনা আৰু সন্ত্ৰাসবাদীৰ সংঘৰ্ষত উত্তপ্ত হৈ উঠিছে জম্মু-কাশ্মীৰ। যোৱা নিশা ধৰি ৰাজ্যখনৰ কুলগামত নিৰাপত্তা বাহিনীয়ে সন্ত্ৰাস দমন অভিযান চলাই সফলতা অৰ্জন কৰিলে। নিৰাপত্তা বাহিনীৰ অভিযানত ধৰাশায়ী হ'ল আল বদৰৰ দুজন স্থানীয় সদস্য। সন্ত্ৰাসবাদীয়ে কুলগামত বাহৰ পতাৰ বাতৰি লাভৰ পাছত নিৰাপত্তা বাহিনীয়ে যোৱা নিশা উক্ত অঞ্চলত তালাচী চলাবলৈ উপস্থিত হোৱাৰ সময়তে আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীয়ে সেনালৈ গুলিবৰ্ষণ কৰিছিল। নিশাজুৰি উভয় পক্ষৰ মাজত হোৱা গুলীয়াগুলিত দুজন সন্ত্ৰাসবাদী নিহত হ'ল।



## দিল্লীত ২৪ ঘণ্টাত ১৮ কৰ'না ৰোগীৰ মৃত্যু, আক্ৰান্তৰ সংখ্যা ২২,৭৫১ লৈ বৃদ্ধি

**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ জানুৱাৰী ঃ** দেশৰ ৰাজধানী দিল্লীত বিভিন্ন ধৰণৰ নিষেধাজ্ঞা আৰোপৰ পাছতো কৰ'নাৰ সংক্ৰমণ বৃদ্ধি অব্যাহত আছে। যোৱা ২৪ ঘণ্টাত দিল্লীত নতুনকৈ ক'ভিডত আক্ৰান্ত হ'ল ২২,৭৫১ জন লোক। আনহাতে, ৰাজধানী চহৰখনত বিগত এদিনত ১৭ জন ৰোগীৰ প্ৰাণ কাঢ়িলে এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে। যোৱা শনিবাৰে দিল্লীত ২০,১৮১ জন লোক কৰ'নাত আক্ৰান্ত আৰু সাতজন ৰোগীৰ মৃত্যু হৈছিল। মাত্ৰ এদিনতে দেশৰ ৰাজধানীত কৰ'নাত মৃতকৰ সংখ্যা আঢ়ৈ গুণ বৃদ্ধি পালে। স্বাস্থ্য বিভাগৰ পৰিসংখ্যা অনুসৰি বৰ্তমান দিল্লীত ৬০,৭৩৩ জন ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে আৰু ইয়াৰে ৪৪ জন ৰোগীক ভেণ্টিলেটৰত ৰখা হৈছে।

## অষ্ট্ৰেলিয়াত ক'ভিড আক্ৰান্তৰ সংখ্যা ১০ লাখলৈ বৃদ্ধি

**নিউজ ব্যুৰ', ছিডনী, ১০ জানুৱাৰী ঃ** অষ্ট্ৰেলিয়াত কৰ'না ভাইৰাছৰ সংক্ৰমণ দিনকদিনে বৃদ্ধি পাইছে। দৈনিক আক্ৰান্তৰ সংখ্যা একেৰাহে ঊৰ্ধ্বমুখী হোৱাৰ ফলত দেশখনৰ চিকিৎসালয় আৰু পৰীক্ষণ কেন্দ্ৰসমূহত হেঁচা বৃদ্ধি পাইছে। দেশখনত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণে শীৰ্ষত আৰোহণ কৰিছে। অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী স্কট মৰিছনে আজি কয় যে এই ভাইৰাছত আক্ৰান্তৰ সংখ্যা দেশখনত ১০ লাখৰ অধিক হ'ল আৰু যোৱা সপ্তাহৰ তুলনাত ক'ভিডৰ সংক্ৰমণ অৰ্ধেকতকৈ অধিক বৃদ্ধি পালে। ধাৰাবাহিক সংক্ৰমণ বৃদ্ধিৰ ফলত স্বাস্থ্য ব্যৱস্থাত নেতিবাচক প্ৰভাৱ পৰা বুলিও প্ৰধানমন্ত্ৰীজনে জানিবলৈ দিয়ে। কঠোৰ তলাবন্ধ আৰু ক'ভিড বিধি পালনৰ জৰিয়তে প্ৰথম পৰ্যায়ত মহামাৰীক নিয়ন্ত্ৰণ কৰা সম্ভৱ হৈছিল যদিও ক'ভিডৰ শেহতীয়া ঢৌক প্ৰতিৰোধ কৰাটো কঠিন হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। মৰিছনে লগতে কয় যে অষ্ট্ৰেলিয়াই সম্প্ৰতি মহামাৰীৰ এক গভীৰ পৰিস্থিতিৰ মাজেৰে অগ্ৰসৰ হৈছে। অৱশ্যে দেশৰ স্বাস্থ্য ব্যৱস্থাই ক'ভিডে সৃষ্টি কৰা প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ সফল হোৱা বুলিও অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰীজনে দাবী কৰে। সম্প্ৰতি দেশখনৰ চিকিৎসালয়ত ৩৫০০ৰো অধিক ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে। এসপ্তাহ পূৰ্বে অষ্ট্ৰেলিয়াত চিকিৎসাধীন ক'ভিড ৰোগীৰ সংখ্যা আছিল দুহেজাৰ। আনহাতে, এই ভাইৰাছৰ প্ৰকোপত ২,৩৮৭ জন লোকৰ মৃত্যু হৈছে। সোমবাৰে অষ্ট্ৰেলিয়াত ক'ভিডৰ সংক্ৰমণে ১০ লাখ সীমা অতিক্ৰম কৰিলে।



## আমেৰিকাত কৰ'নাৰ বিস্ফোৰণ ঃ ছয় কোটি লোক প্ৰভাৱিত

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১০ জানুৱাৰী ঃ** ক'ভিডৰ ডেল্টা প্ৰজাতিৰ সংক্ৰমণে আমেৰিকাত ত্ৰাস অব্যাহত ৰখাৰ সময়তে দেশখনত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণে দিনক দিনে উদ্বেগ বৃদ্ধি পৰিছে। সোমবাৰলৈকে আমেৰিকাত ছয় কোটিৰো অধিক লোক ক'ভিডৰ নতুন প্ৰজাতিত সংক্ৰমিত হ'ল। বিশ্বৰ ভিতৰতে ক'ভিডৰ সংক্ৰমণে সৰ্বাধিক প্ৰভাৱিত কৰিছে আমেৰিকাক। বিশেষকৈ ডেল্টা প্ৰজাতিৰ পাছত আমেৰিকাত অ'মিক্ৰনৰ সংক্ৰমণে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। চেণ্টাৰ ফ'ৰ ছিষ্টেম ছায়েন্স এণ্ড ইঞ্জিনিয়াৰিং (চি এছ এছ ই)ৰ তথ্য অনুসৰি, আমেৰিকাত বৰ্তমানলৈকে ৬০,০৭২,৩২১ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। আনহাতে, এই ভাইৰাছত এতিয়ালৈকে ৮৩৭,৫৯৪ জন লোকৰ দেশখনত মৃত্যু হ'ল। আমেৰিকাত ৫১৬,৮৮০,৪৩৬ জন লোকৰ ক'ভিড টিকাকৰণ সম্পূৰ্ণ হ'ল। বিশ্বত কৰ'নাত আক্ৰান্ত হৈ যিমানসংখ্যক লোকৰ মৃত্যু হ'ল, কেৱল আমেৰিকাতে এনে মৃতকৰ সংখ্যা ১৫ শতাংশতকৈ অধিক হ'ব। যোৱা ন নৱেম্বৰ ২০২০ত আমেৰিকাত মুঠ কৰ'নাত আক্ৰান্তৰ সংখ্যাই এক কোটিৰ সীমা অতিক্ৰম কৰিছিল। পহিলা জানুৱাৰী ২০২১ত আক্ৰান্তৰ সংখ্যা দুই কোটিলৈ বৃদ্ধি পাইছিল। ইয়াৰ পাছত ২৪ মাৰ্চ ২০২১ত সংক্ৰমণ তিনি কোটিলৈ, ছয় ছেপ্টেম্বৰ ২০২১ত চাৰি কোটিলৈ আৰু ১৩ ডিচেম্বৰ ২০২১ত আক্ৰান্তৰ সংখ্যা পাঁচ কোটিৰ অধিক হৈছিল। জন্স হপকিন্স বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা অনুসৰি, আমেৰিকাত বৰ্তমানে দৈনিক গড়ে ৭,০০,০০০ ৰো অধিক লোক কৰ'নাত আক্ৰান্ত হৈছে।



## মহাৰাষ্ট্ৰত নৈশ সান্ধ্যআইন-১৪৪ ধাৰা বলৱৎ, ১৫ ফেব্ৰুৱাৰীলৈ বন্ধ শিক্ষানুষ্ঠান



**নিউজ ব্যুৰ', মুম্বাই, ১০ জানুৱাৰী ঃ** মহাৰাষ্ট্ৰত কৰ'নাৰ সংক্ৰমণৰ তৃতীয়টো ঢৌৱে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। যোৱা ২৪ ঘণ্টাত ৰাজ্যখনত পুনৰ নতুনকৈ ক'ভিডত আক্ৰান্ত হ'ল ৪৪,৩৮৮ জন লোক। তদুপৰি বিগত এদিনত মহাৰাষ্ট্ৰত ১২ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। সংক্ৰমণ প্ৰতিৰোধৰ বাবে সোমবাৰে নিশাৰে পৰা মহাৰাষ্ট্ৰত নতুন ক'ভিড বিধি চৰকাৰে বলৱৎ কৰিলে। শিৱসেনা নেতৃত্বাধীন চৰকাৰে ইয়াক 'মিনি লকডাউন' আখ্যা দিছে। নতুন নিৰ্দেশনা অনুসৰি সোমবাৰৰ পৰা নিশা ১১ বজাৰ পৰা পুৱা পাঁচ বজালৈকে মহাৰাষ্ট্ৰত সান্ধ্যআইন বলৱৎ থাকিব। তদুপৰি দিনৰ পাঁচ বজাৰ পৰা নিশা ১১ বজালৈকে মহাৰাষ্ট্ৰত বাহাল থাকিব ১৪৪ ধাৰা। অৰ্থাৎ এই সময়ছোৱাত কোনো ৰাজহুৱা স্থানত পাঁচ বা ততোধিক লোকে ভিৰ কৰিব নোৱাৰিব। ইফালে, ৰাজ্যখনত ক'ভিড প্ৰতিৰোধৰ বাবে অহা ১৫ ফেব্ৰুৱাৰীলৈকে সকলোবোৰ শিক্ষানুষ্ঠান বন্ধ ৰখাৰ নিৰ্দেশ দিয়া হৈছে। বিনাকামত ঘৰৰ বাহিৰলৈ ওলোৱাৰ ক্ষেত্ৰতো প্ৰশাসনে নিষেধাজ্ঞা আৰোপ কৰিছে। মহাৰাষ্ট্ৰৰ সকলোবোৰ উদ্যান, পৰ্যটন কেন্দ্ৰ, ছুইমিং পুল, স্পা, জিম, পানশালা আদি পৰৱৰ্তী নিৰ্দেশ নিদিয়ালৈকে সম্পূৰ্ণ বন্ধ থাকিব।




## চীনৰ টিয়ানজিন চহৰত অ'মিক্ৰনৰ সংক্ৰমণ চিনাক্ত, কঠোৰ কৰ'না বিধি বলৱৎ

নিউজ ব্যুৰ', বেইজিং, ১০ জানুৱাৰী ঃ উত্তৰ চীনৰ টিয়ানজিন চহৰত কৰ'নাৰ ব্যাপক সংক্ৰমণৰ মাজতে অ'মিক্ৰনৰ উপস্থিতি ধৰা পৰিল। টিয়ানজিনত ইতিমধ্যে ক'ভিডৰ নতুন প্ৰজাতিৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। অ'মিক্ৰনৰ উপস্থিতি ধৰা পৰাৰ পাছত এই অতি সংক্ৰামক ক'ভিড ভাইৰাছ প্ৰতিৰোধৰ বাবে স্থানীয় প্ৰশাসনে কঠোৰ ভ্ৰমণ নিষেধাজ্ঞা আৰোপ কৰিছে। অ'মিক্ৰনৰ সংক্ৰমণ ধৰা পৰা টিয়ানজিনত এতিয়া স্থানীয় বাসিন্দাসকলক প্ৰশাসনে ঘৰৰ বাহিৰলৈ ওলাবলৈ অনুমতি লোৱাটো বাধ্যতামূলক কৰিছে। চীনৰ ৰাষ্ট্ৰীয় স্বাস্থ্য আয়োগে আজি প্ৰকাশ কৰা অনুসৰি, বেইজিঙৰ দক্ষিণ-পূব বন্দৰ চহৰখনত দেওবাৰে ২১ জন লোক নতুনকৈ কৰ'নাত আক্ৰান্ত হৈছিল। ১.৪ কোটিৰ জনসংখ্যাৰ টিয়ানজিনত ডেল্টা প্ৰজাতিৰ লগতে দুজনকৈ অ'মিক্ৰনত আক্ৰান্ত ৰোগীক চিনাক্ত কৰা হৈছিল। অ'মিক্ৰনৰ সংক্ৰমণ ধৰা পৰাৰ পাছতে টিয়ানজিনৰ প্ৰশাসনে চহৰৰ বাসিন্দাসকলক ঘৰতে আবদ্ধ থাকিবলৈ নিৰ্দেশনা জাৰি কৰিলে। উল্লেখ্য যে চীনত ক'ভিড নিয়ন্ত্ৰণৰ বাবে প্ৰশাসনে অতি কঠোৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে। কৰ'নাৰ সংক্ৰমণ ধৰা পৰা মাত্ৰকে প্ৰশাসনে উক্ত অঞ্চল সম্পূৰ্ণৰূপে তলাবন্ধ কৰাত গুৰুত্ব আৰোপ কৰিছে। টিয়ানজিনতো দুজনকৈ লোক অ'মিক্ৰনত আক্ৰান্ত হোৱাৰ তথ্য লাভৰ পাছত তলাবন্ধসদৃশ পৰিৱেশ চহৰখনত বিৰাজ কৰিছে। স্থানীয় প্ৰশাসনে আগন্তুক দুদিনৰ ভিতৰত চহৰখনৰ বাসিন্দাসকলৰ সামূহিক ক'ভিড পৰীক্ষণ সম্পন্ন কৰাৰ অভিযান চলাব। চীনে ক'ভিড নিয়ন্ত্ৰণৰ বাবে তলাবন্ধৰ লগতে নাগৰিকসকলৰ ক'ভিড পৰীক্ষণত অগ্ৰাধিকাৰ দি আহিছে।

# ইন্ধনৰ মূল্য বৃদ্ধিক লৈ হিংসা অব্যাহত কাজাখস্তানত, দুদিনত মৃত্যু ১৬৪ জনৰ

**নিউজ ব্যুৰ', আলমাটি, ১০ জানুৱাৰী ঃ** কাজাখস্তানত অব্যাহত আছে অশান্তি। দেওবাৰে দেশখনত সংঘটিত হোৱা হিংসাৰ ঘটনাত ১৬০ জনৰো অধিক লোক নিহত হৈছিল। সংঘৰ্ষত জড়িত কমেও ছহেজাৰ অভিযুক্তক প্ৰশাসনে গ্ৰেপ্তাৰ কৰিছে। হিংসাত অভিযুক্ত কে'বাজনো বিদেশী নাগৰিককো আটক কৰা হৈছে। বিগত কে'বাদিন ধৰি বিক্ষোভত উত্তপ্ত হৈ আছে মধ্য এছিয়াৰ দেশ কাজাখস্তান। তেল উৎপাদনকাৰী দেশখনত হঠাতে ইন্ধনৰ অত্যধিক মূল্যবৃদ্ধিৰ বিৰোধিতাৰে দেশখনৰ জনগণে চৰকাৰ বিৰোধী প্ৰতিবাদ অব্যাহত ৰাখিছে। এইদৰে পেট্ৰ'ল, ডিজেল আৰু ৰন্ধন গেছৰ মূল্য বৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা বিক্ষোভকাৰীক কাজাখস্তানৰ ৰাষ্ট্ৰপতি কাছিম জ'মাৰ্ট ট'কায়েভে সন্ত্ৰাসবাদী আখ্যা দিছে। ট'কায়েভে আনকি বিক্ষোভকাৰীলৈ গুলিবৰ্ষণ কৰিবলৈকো সেনাক নিৰ্দেশ দিছে। ৰাষ্ট্ৰপতিৰ অনুমতি লাভৰ পাছতে সেনাৰ নিৰ্বিচাৰ গুলিবৰ্ষণৰ ফলত বিগত দুদিনত দেশখনত ১৬৪ জন লোকৰ মৃত্যু হ'ল। ইফালে বিক্ষোভকাৰীসকলেও সেনাক একাধিক স্থানত আক্ৰমণ কৰিছে। সেনাৰ সূত্ৰই দাবী কৰা অনুসৰি সশস্ত্ৰ বিক্ষোভকাৰীয়ে ১৮ জন আৰক্ষীক ইতিমধ্যে হত্যা কৰিছে। দেওবাৰে কাজাখস্তানৰ ৰাজধানী



আলমাটিত ১০৩ জন বিক্ষোভকাৰীৰ মৃত্যু হৈছিল। মৃতকৰ মাজত কে'বাজনো শিশুও আছে। কাজাখস্তানৰ গৃহ মন্ত্ৰণালয়ৰ বিবৃতি অনুসৰি, দেওবাৰে সংঘটিত হোৱা হিংসাৰ ঘটনাত অসংখ্য লোকৰ মৃত্যুৰ লগতে ১৯৮ নিযুত ডলাৰৰ চৰকাৰী সম্পত্তিৰ ক্ষতিসাধন হৈছিল। শতাধিক ব্যৱসায়িক প্ৰতিষ্ঠান আৰু বেংকতো বিক্ষোভকাৰীয়ে আক্ৰমণ চলাই লুটপাত কৰিছে। আলমাটিত বিগত দুদিনত কমেও ৪০০ যানবাহন বিক্ষোভকাৰীয়ে ধ্বংস কৰিলে। কাজাখস্তানৰ এই পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ ইতিমধ্যে আগবাঢ়ি আহিছে ৰাছিয়াৰ সেনা। যোৱা শুকুৰবাৰে ২৫০০ ৰুছ সেনাক কাজাখস্তানলৈ প্ৰেৰণ কৰা হৈছিল। ৰাছিয়াৰ সেনা প্ৰেৰণৰ পাছত ইন্ধনৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে কাজাখস্তানত অব্যাহত থকা আন্দোলন অধিক হিংসাত্মক হোৱাৰ শংকা প্ৰকট হৈছে।

## ২৪ ঘণ্টাত বিশ্বত পুনৰ ক'ভিডত আক্ৰান্ত ১৮.৫ লাখ লোক




**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১০ জানুৱাৰী ঃ** বিশ্বত ক'ভিডৰ নতুন সংক্ৰমণৰ দ্ৰুত বৃদ্ধি অব্যাহত আছে। যোৱা ২৪ ঘণ্টাত বিশ্বৰ বিভিন্ন দেশত পুনৰ নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ১৮.৫ লাখ লোক। আনহাতে, বিগত এদিনত বিশ্বৰ বিভিন্ন দেশত ৫.৬০ লাখ ক'ভিড ৰোগী সুস্থ হ'ল। একে সময়তে ক'ভিডে যোৱা এদিনত বিশ্বত ৩,৪৮৯ জন লোকৰ প্ৰাণ কাঢ়িলে। নতুন সংক্ৰমণৰ শীৰ্ষত ৩.০৮ লাখ ৰোগীৰে আমেৰিকা থকাৰ বিপৰীতে, ২.৯৬ লাখ ৰোগীৰে ফ্ৰান্সে দ্বিতীয় আৰু ১.৮০ লাখ ৰোগীৰে ভাৰতে তৃতীয় স্থান লাভ কৰিছে। সক্ৰিয় ক'ভিড ৰোগীৰ ক্ষেত্ৰতো বৰ্তমানে বিশ্বৰ ভিতৰতে শীৰ্ষত আছে আমেৰিকা। সমগ্ৰ বিশ্বত সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা হৈছে ৪.২৭ কোটি। ইয়াৰে ১.৮১ কোটি সক্ৰিয় ক'ভিড ৰোগী হৈছে আমেৰিকাৰ। সমগ্ৰ বিশ্বত বৰ্তমানলৈকে প্ৰায় ৩১ কোটি লোক কৰ'নাত সংক্ৰমিত হৈছে। ইয়াৰে প্ৰায় ২৬ কোটি ৰোগী ইতিমধ্যে সুস্থ হৈ উঠিছে। বিশ্বত বৰ্তমানলৈকে ক'ভিডে প্ৰাণ কাঢ়িলে ৫৫ লাখ লোকৰ। কেৱল আমেৰিকাতে কৰ'নাত প্ৰাণ হেৰুৱালে ৮.৯৫ লাখ লোকে। আনহাতে, ব্ৰাজিলত ৬.২০ লাখ আৰু ভাৰতত ৪.৮৩ লাখ ক'ভিড ৰোগীয়ে প্ৰাণ হেৰুৱালে।

# নগাঁৱত এডিপি কলেজ, বুক-নুক কাফেৰ উদ্যোগত গ্ৰন্থমেলা আৰম্ভ

## ■ কবিতাৰ বিপৰীত অৰ্থবাচক শব্দটো বিজ্ঞান ঃ ডাঃ অপূৰ্ব কুমাৰ শইকীয়া

বিশেষ সংবাদদাতা

**নগাঁও, ১০ জানুৱাৰী ঃ** নগাঁৱৰ আনন্দৰাম ঢেকীয়াল ফুকন মহাবিদ্যালয়ৰ এডিপিৰ উদ্যোগত আৰু নগাঁৱৰ ব্যতিক্ৰমী গ্ৰন্থ বিপণী ‘বুক-নুক কাফে’ৰ সহযোগত আজিৰ পৰা তিনিদিনীয়াকৈ নগাঁও ছহিদ ভৱনত গ্ৰন্থমেলা আৰম্ভ হৈছে। গ্ৰন্থমেলা উদ্বোধন কৰে সাহিত্য অকাডেমী বঁটা প্ৰাপক ডাঃ অপূৰ্ব কুমাৰ শইকীয়াই। গ্ৰন্থমেলা উন্মোচন কৰি ডাঃ শইকীয়াই কয়, ‘কবিতাৰ বিপৰীত অৰ্থবাচক শব্দটো বিজ্ঞানহে, গদ্য নহয়।’ তেওঁ লগতে কয় যে যুক্তিকতাৰ ফালে গ’লে আমি কবিতাৰ পৰা আঁতৰি থাকিম। গল্পৰ কোনো সৰ্বজন গ্ৰাহ্য সংজ্ঞা নাই বুলি মন্তব্য কৰি ডাঃ শইকীয়াই কয়, ‘গ্ৰন্থৰ পৰা মানুহ আঁতৰি যোৱা নাই।’ বিজ্ঞানৰ ছাত্ৰ হৈয়ো সাহিত্য চৰ্চা কৰাৰ পটভূমি আলোচনা কৰি মানুহৰ শিপাৰ প্ৰতি থকা আকৰ্ষণৰ কথা উল্লেখ কৰি ডাঃ শইকীয়াই কয় যে বিজ্ঞজনৰ ক্ষেত্ৰখনত ভূতক বিশ্বাস কৰিব নোৱাৰে। কৰিলে



সমাজলৈ বেয়া বাৰ্তা যাব। কিন্তু সাহিত্যৰ বাবে ভূত বিশ্বাস কৰিব পাৰি। আনহাতে, সততে পশ্চিমীয়া কলা-সংস্কৃতি আৰু সাহিত্যৰ পৰা ভাৰতীয়ই অনুপ্ৰেৰণা বিচাৰি ফুৰা সমকালীন প্ৰেক্ষাপটৰ প্ৰসংগত আজি পেৰিছ প্ৰবাসী বিশিষ্ট চিত্ৰশিল্পী-লেখক সমীৰণ বৰুৱাই প্ৰাচ্যৰ নিজস্ব ঐতিহ্য আৰু সংস্কৃতিৰ গতিত মনোযোগ দিয়াৰ পোষকতা কৰে। গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি বিশিষ্ট চিত্ৰশিল্পীজনে ‘ছবি, সাহিত্য আৰু মোৰ অভিজ্ঞতা’ শীৰ্ষক এটি মনোজ্ঞ আলোচনা আগবঢ়াই এইদৰে অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত কবি আৰু বিজ্ঞানী ড° বিপুলজ্যোতি শইকীয়াই ‘কবিতা বিজ্ঞান আৰু মোৰ অভিজ্ঞতা’ শীৰ্ষক বক্তৃতা প্ৰদান কৰি বিজ্ঞান আৰু কলাৰ সমধৰ্মী চৰিত্ৰ আৰু বৈপৰীত্যক চুম্বকধৰ্মী উদাহৰণেৰে মনোজ্ঞৰূপত উপস্থাপন কৰে। নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই মুখ্য অতিথিৰূপে উপস্থিত থাকি মহাবিদ্যালয়খনৰ এই প্ৰচেষ্টাক আদৰণি জনোৱাৰ লগতে মহাবিদ্যালয় চৌহদত এটা স্থায়ী গ্ৰন্থ বিক্ৰী কেন্দ্ৰ স্থাপনৰ বাবে পৰামৰ্শ আগবঢ়ায়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সুৰজিৎ কুমাৰ ভাগৱতীয়ে আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানটোত নগাঁৱৰ ভালেকেইগৰাকী সন্মানীয় নাগৰিক উপস্থিত থাকে। কাইলৈ একেখন মঞ্চতে অনুষ্ঠিত হ’ব ‘বিষয় কিতাপঃ লেখক পঢ়ুৱৈৰ আড্ডা’ শীৰ্ষক এক মনোজ্ঞ আলোচনা। উক্ত অনুষ্ঠানত বুক-নুক কাফেৰ স্বত্বাধিকাৰী প্ৰশান্ত বৰা উপস্থিত থাকে।

# নলবাৰী জিলা সাহিত্য সভাৰ ৩৫ সংখ্যক প্ৰতিষ্ঠা দিৱস

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১০ জানুৱাৰী ঃ** নলবাৰী জিলাত সাহিত্য সভাৰ ৩৫ সংখ্যক প্ৰতিষ্ঠা দিৱস বিভিন্ন কাৰ্যসূচীৰে পালনৰ আয়োজন কৰা হৈছে। এই সন্দৰ্ভত নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱাই জনোৱা অনুসৰি নলবাৰী জিলা সাহিত্য সভাৰ কাৰ্যালয় সুভদ্ৰা চৌধুৰী ভৱন প্ৰাংগণত কাইলৈ পুৱা ৮-৪৫ বজাত অসম সাহিত্য সভাৰ মূল পতাকা উত্তোলন কৰিব নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই। মূল পতাকা উত্তোলনৰ লগে লগে সভাৰ আন ৩৪ খন পতাকা নলবাৰী জিলা সাহিত্য সভাৰ উপ-সভাপতি, প্ৰাক্তন সভাপতি, সম্পাদক, আজীৱন সভ্য, বিশিষ্ট শিক্ষাব্ৰতী, সাহিত্য সেৱক, সমাজকৰ্মীয়ে উত্তোলন কৰিব। স্মৃতি তৰ্পণ কৰিব অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ডাঃ বিপিন চন্দ্ৰ কলিতাই।

# অস্বাস্থ্যকৰ পৰিৱেশত আইচক্ৰীম প্ৰস্তুত ঃ বালিপৰাত কাৰখানা ছীল

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১০ জানুৱাৰী ঃ** আইচক্ৰীম প্ৰস্তুতৰ এক কাৰখানাৰ চূড়ান্ত অস্বাস্থ্যকৰ পৰিৱেশৰ বিপৰীতে এনে অৱস্থাত আইচক্ৰীম খোৱাৰ পাছত দুগৰাকী যুৱতী অসুস্থ হৈ পৰা ঘটনাই তেজপুৰৰ নিকটৱৰ্তী বালিপৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। শিশুৰ পৰা জ্যেষ্ঠজনলৈকে এক মুখৰোচক খাদ্য হিচাপে ব্যৱহাৰ হোৱা আইচক্ৰীম বালিপৰাৰ এক কাৰখানাত এনে কদৰ্যময় পৰিৱেশত প্ৰস্তুত কৰা হয় যে সেয়া নিশা পোহৰলৈ অহাৰ পাছত আজি আৰক্ষীৰ লগতে খাদ্য সুৰক্ষা বিভাগৰ দলে এই আইচক্ৰীম প্ৰস্তুত কৰা কাৰখানাটো ছীল কৰে। লগতে ইয়াৰ গৰাকীকো আটক কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি কালি ভালুকপুঙৰ বনভোজস্থলীত বিক্ৰী কৰি থকা আইচক্ৰীম খাই দুগৰাকী যুৱতী পেটৰ বিষত আক্ৰান্ত হোৱাৰ পাছতে বমি হ’বলৈ ধৰে। বনভোজ দলৰ একাংশ লোকে বিক্ৰী কৰি থকা আইচক্ৰীমৰ বাকচ খুলি চোৱাত আইচক্ৰীম বাকচত পঁইতাচোৰা দেখিবলৈ পায়। লগে লগে আইচক্ৰীম বিক্ৰেতাজনক আবদ্ধ কৰি চাৰিদুৱাৰ আৰক্ষীক খবৰ দিয়ে। আৰক্ষীৰ আগত বিক্ৰেতাজনে সেই আইচক্ৰীম বালিপৰাৰ সজল গুপ্তাৰ আইচক্ৰীম প্ৰস্তুত কৰা কাৰখানাৰ পৰা অনাৰ বিষয়ে জনোৱাত কাৰখানাটোত তালাচী চলোৱা হয়। চূড়ান্ত অস্বাস্থ্যকৰ পৰিৱেশ আৰু পঁইতাচোৰা, মকৰা আদিৰে ভৰি থকা কাৰখানাটোত আজি আৰক্ষী আৰু স্বাস্থ্য বিভাগৰ খাদ্য সুৰক্ষা শাখাৰ লোক উপস্থিত হৈ ছীল কৰাৰ লগতে কাৰখানাটোৰ গৰাকী সজল গুপ্তাকো আটক কৰে।

# ভট্টদেৱ বিশ্ববিদ্যালয়ৰ প্ৰথম বেটচৰ ফলাফল ঘোষণা

বিশেষ সংবাদদাতা

**পাঠশালা, ১০ জানুৱাৰী ঃ** ভট্টদেৱ বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ প্ৰথম বেটচৰ ফলাফল ঘোষণা কৰা হৈছে। বিশ্ববিদ্যালয়খনৰ স্নাতকোত্তৰ ক’লা আৰু বিজ্ঞান শাখাৰ চূড়ান্ত ষান্মাসিকৰ ২০২১ৰ অসমীয়া, ভূগোল, গণিত, পদাৰ্থ বিজ্ঞান আৰু প্ৰাণী বিজ্ঞান বিভাগৰ ফলাফল ছয়মাহ পূৰ্বে ঘোষণা কৰিবলগীয়া আছিল যদিও ক’ভিডকালীন পৰিস্থিতিৰ বাবে ফলাফলত বিলম্ব হয়। উল্লেখ্য যে ২০১৯ত উক্ত বিষয়কেইটাৰ প্ৰথম বেটচৰ নামভৰ্তি হৈছিল।

No. NDIC/G/MSME-Award/07/2022/

NOTICE

Application are invited from the Micro, Small and Medium Enterprises as defined under MSMED Act-2006 of Nalbari district for nomination for MSME award in different category for their outstanding efforts towards entrepreneurship.
For each Sector (Micro, Small, Medium, Women owned & Enterprise with Innovative Ideas) there will be three award as shown below:

| Sl No | Category of Award | Number | Award |
|---|---|---|---|
| 1 | UDYAM RATNA | 1 | Cash prize Rs. 3.00 lakhs, Memento & citation |
| 2 | UDYAM BIBHUTI | 1 | Cash prize Rs. 2.00 lakhs, Memento & citation |
| 3 | UDYAM SHREE | 1 | Cash prize Rs. 1.00 lakhs, Memento & citation |

For outstanding performance there will two special categories.
A) Entrepreneur of the year (UDYOG SHRESTHA) : Cash prize Rs. 4.00 Lakh with Citation and Memento.
B) Women entrepreneur of the year (UDYOG SHRESTHA) : Cash prize Rs. 4.00 Lakh with Citation and Memento.

The units which have commenced commercial production on or after 01/04/2016 will be eligible to apply for the award. The eligible unit may submit their application in prescribed format obtained from office of the undersigned or downloaded from www.industries.assam.gov.in and www.industriescom.assam.gov.in on or before 12/01/2022

General Manager
District Industries & Commerce Centre, Nalbari.

Janasanyog/DF/2439/21

# অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ দ্বিবাৰ্ষিক বঙাইগাঁও অধিবেশনৰ সামৰণি

অগ্ৰদূত ব্যুৰ’

**বঙাইগাঁও, ১০ জানুৱাৰী ঃ** বঙাইগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত তিনিদিনীয়া কাৰ্যক্ৰমণিকাৰে বঙাইগাঁও চহৰত অনুষ্ঠিত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৪৩ সংখ্যক দ্বিবাৰ্ষিক অধিবেশনৰ কালি সন্ধিয়া সামৰণি পৰে। ৰাজ্যখনৰ বিভিন্ন জিলাৰ ৫২ টা মহকুমাৰ সাত শতাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা অধিবেশনৰ সামৰণি দিনৰ কাৰ্যসূচী অনুসৰি পুৱা প্ৰতিনিধি সভাৰ শেষ বৈঠক আৰু বিষয় বাছনি সভা অনুষ্ঠিত হয়। আগন্তুক কাৰ্যকালৰ বাবে গঠন কৰিবলগীয়া নতুন সমিতিৰ বিষয় বাছনি সভাত কে’বাটাও পদৰ বাবে ভোটদান হয়। সভাপতি, এগৰাকী উপ-সভাপতি, সহকাৰী সম্পাদক, কোষাধ্যক্ষৰ লগতে ছটা সৰ্বভাৰতীয় সদস্য পদৰ বাবে ভোটদান হয়। আনহাতে, একেৰাহে প্ৰধান সম্পাদক পদত চতুৰ্থ কাৰ্যকালৰ বাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয় বৰ্তমানৰ প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামী। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ আগন্তুক কাৰ্যকালৰ বাবে গঠিত নতুন ২১ জনীয়া কাৰ্যনিৰ্বাহক সমিতিৰ সভাপতি পদত গোৱালপাৰাৰ অখিল চন্দ্ৰ নাথ নিৰ্বাচিত হৈছে। বঙাইগাঁও অধিবেশনত ৰাজ্যৰ শিক্ষামন্ত্ৰী উপস্থিত থাকি শিক্ষকসকলৰ বিভিন্ন সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত কি পদক্ষেপ গ্ৰহণ কৰিছে বা কৰিব সেয়া ৰাজহুৱা কৰিব বুলি শিক্ষকসকলে আশা কৰিছিল যদিও সেয়া নহ’ল। অধিবেশনলৈ আমন্ত্ৰণ জনোৱাৰ পাছতো শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে খাদ্য আৰু বঙাইগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত দাসো শনিবাৰে উপস্থিত নাথাকিল। উক্ত বিষয়টো বিৰোধী দলৰ বিধায়ক আব্দুল বাতেন খণ্ডকাৰে মুকলি সভাত উত্থাপন কৰে। ৰাজ্যখনত শিশু শ্ৰমিক বন্ধ কৰাৰ লগতে বিদ্যালয় বহিৰ্ভূত শিশুসকলক বিদ্যালয়মুখী কৰা আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ বাবে সকলোৱে শপত বাক্য পাঠ কৰি সংকল্প গ্ৰহণ কৰে।

# ৰঙা ফিটাৰ মেৰপাকত মাজুলীৰ ১০ প্ৰাথমিক বিদ্যালয়ৰ প্ৰাদেশিকীকৰণ

**গুৱাহাটী, ১০ জানুৱাৰী ঃ** মাজুলী জিলাৰ ১০ খন প্ৰাথমিক বিদ্যালয় প্ৰাদেশিকীকৰণৰ ক্ষেত্ৰত শিক্ষা বিভাগৰ হেমাহীয়ে বিদ্যালয়কেইখনত প্ৰতিষ্ঠা কালৰে পৰা কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে অধ্যয়নৰ শিক্ষাৰ্থীসকলৰ ভৱিষ্যতো অনিশ্চয়তাৰ গৰাহলৈ ঠেলি দিয়াৰ অভিযোগ উত্থাপিত হৈছে। জিলাখনৰ মেৰবিল চাপৰি, আমলখিগুৰি, কুমলীয়া চাপৰি, মাজৰ দেউৰী শিলিখাগুৰি, উজনি যমুদচুক, নতুন মহৰিচুক, ঢেঁড়াগুৰি, উদয়পুৰ, কমিছন চুবুৰি আৰু মাজটিকিৰা প্ৰাথমিক বিদ্যালয়ৰ চৰকাৰী প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছতো ৰঙাফিটাৰ মেৰপেচত আজিকোপতি প্ৰাদেশিকীকৰণ নোহোৱাত ক্ষোভ আৰু হতাশাৰ সৃষ্টি হৈছে কৰ্মৰত শিক্ষক, শিক্ষাৰ্থী আৰু ৰাইজৰ মাজত। উল্লেখ্য যে এক দৰ্শক পূৰ্বে বিভাগীয় ডাইচ ক’ড, মধ্যাহ্ন ভোজন, চৰকাৰী বিত্তীয় সাহায্য আৰু ৰান্ধনি ঘৰ লাভ কৰা এই বিদ্যালয়কেইখন জিলা পৰ্যায়ৰ ডি এল চি কমিটীয়ে পুনৰীক্ষণ কৰি যাৱতীয় ফাইল বিগত বৰ্ষৰ ২৬ ফেব্ৰুৱাৰীতে ডি পি আই কাৰ্যালয়ত যাৱতীয় অনুমোদনৰ বাবে দাখিল কৰিছিল (ফাইল নং ২০২১/১৪২৯) যদিও অজ্ঞাত কাৰণত ডিপিআই কাৰ্যালয়ে অনুমোদন বিগত এবছৰে নজনোৱাত কৰ্মৰত শিক্ষকসকল মানসিক দুঃচিন্তা আৰু হতাশাত ভুগিব লগা হৈছে। আনহাতে, একে কাৰণত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ ভৱিষ্যতো অনিশ্চি তহৈছে। উপায়ন্তৰ শিক্ষকসকলে প্ৰাদেশিকীকৰণৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক বিষয়টো আবেদনযোগে উত্থাপন কৰিছে।

# পথ দুৰ্ঘটনাত মৃত্যু

বিশেষ সংবাদদাতা

**নগাঁও, ১০ জানুৱাৰী ঃ** নগাঁও সদৰ আৰক্ষী থানাৰ অন্তৰ্গত বিৰহ বেবেজীয়াত ঘাইপথত আজি বিয়লি ৩-৩০ বজাত সংঘটিত পথ দুৰ্ঘটনাত জাজৰি আৰক্ষী থানাৰ অন্তৰ্গত ভালুকমাৰীৰ ৰূপক ডেকা (১৯) নামৰ যুৱকৰ মৃত্যু হয়। উক্ত দুৰ্ঘটনাত দুজন যুৱক গুৰুতৰভাৱে আহত হয়।

# ওৰাং উদ্যানত গঁড়ৰ পোৱালিৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ১০ জানুৱাৰী ঃ** ওৰাং ৰাষ্ট্ৰীয় উদ্যানত আজি এটা মৃত গঁড়ৰ পোৱালি উদ্ধাৰ হয়। ৰাষ্ট্ৰীয় উদ্যানখনৰ ৰৌমাৰী বন শিবিৰৰ সন্মুখত গঁড়ৰ পোৱালিটোৰ মৃতদেহ উদ্ধাৰ হয়। মৃতদেহটোৰ একাংশ বাঘে ভক্ষণ কৰাৰ সন্দেহ কৰা হৈছে।

# নগাঁৱত মহিলাসহ গ্ৰেপ্তাৰ সাত ড্ৰাগছ সৰবৰাহকাৰী

বিশেষ সংবাদদাতা

**নগাঁও, ১০ জানুৱাৰী ঃ** নগাঁও আৰক্ষীয়ে আজি চহৰখনৰ কে’বা ঠাইত অভিযান চলাই মহিলাসহ সাতগৰাকী ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। চহৰখনৰ নিউ আমোলাপট্টি, পানীগাও আৰু সমীপৰ ডিফলু, তেলিয়া গাঁৱত অভিযান চলাই আৰক্ষীয়ে বৃহৎ পৰিমাণৰ হেৰ’ইন জব্দ কৰে। ধৃত সৰবৰাহকাৰী কেইগৰাকী হ’ল সীমা বৰা, পিংকী বৰা, বিকাশ সিং, ৰাজু সিনহা, ৰমেন গগৈ, মানস কলিতা আৰু অবিনাশ কলিতা।

# সৃজনগ্ৰামত শিক্ষকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১০ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম গাঁও পঞ্চায়তৰ অন্তৰ্গত দুই নম্বৰ খামাৰপাৰাৰ ধীৰেশ্বৰ ৰায়ৰ আজি মৃত্যু হ’ল। তেওঁ সৃজনগ্ৰাম প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত দুই নম্বৰ হালধিবাৰীৰ শ্ৰীশ্ৰীশংকৰদেৱ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে কৰ্মৰত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুজন পুত্ৰ এৰি যায়।

# বৰপেটাত প্ৰাক্তন আছু কৰ্মীৰ সতীৰ্থ সন্মিলন

বিশেষ সংবাদদাতা

**বৰপেটা, ১০ জানুৱাৰী ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ বিস্তাৰিত হৈ থকা প্ৰাক্তন সতীৰ্থসকলক একেখন মঞ্চতে সমবেত কৰাৰ উদ্দেশ্য লৈ অহা ১৬ জানুৱাৰীত বৰপেটা জিলাৰ আছুৰ প্ৰাক্তন সতীৰ্থ সন্মিলনৰ আয়োজন কৰা হৈছে। সন্মিলনৰ প্ৰথম অভিৱৰ্তন বৰপেটা সাহিত্য সভাৰ ভৱনত অনুষ্ঠিত হ’ব। উক্ত অভিৱৰ্তনলৈ বৰপেটা জিলাৰ প্ৰতিজন আছুৰ প্ৰাক্তন সতীৰ্থৰ সহায়-সহযোগ আৰু নিশ্চিত অংশগ্ৰহণ অভ্যৰ্থনা সমিতিৰ সভাপতি সঞ্জীৱ ওজা আৰু সাধাৰণ সম্পাদক সত্যেন্দ্ৰনাথ দাসে আন্তৰিকতাৰে কামনা কৰিছে। ইতিমধ্যে উপদেষ্টা হিচাপে মুকুল দাস, দীপক দাস, হিমাংশু ভৰালী, ডম্বৰুধৰ নাথ, হৰমোহন ডেকা, গোবিন্দ গায়ন, সভাপতি সঞ্জীৱ ওজা, কাৰ্যকৰী সভাপতি বিৰাজ কুমাৰ দাস, অশোক কুমাৰ দাস, সাধাৰণ সম্পাদক সত্যেন্দ্ৰ নাথ দাস, উপ-সভাপতি উৎপল (বিবেক) দাস, বিবেকানন্দ পাঠক, মুকুট ৰঞ্জন দাস, মুকুট মণি দাস, উত্তম চন্দ্ৰ দাস, তন্ময় বৈশ্য, যুটীয়া সম্পাদক বিদ্যুৎ দাস, কৃষ্ণগোপাল পাঠক, খঞ্জন শৰ্মা আৰু সদস্য হিচাপে নীলকমল দাস, নৱজিৎ দাস, সঞ্জীৱ কুমাৰ দাস, গুণ দাস, পৰাগমণি দাস, মনোজ বায়ন, সত্যবান দাস, হিৰণ্য পাঠক, পিংকু বৈশ্য আৰু হৃষীকেশ সূত্ৰধাৰক লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে।

# মৰনৈ গাঁও পঞ্চায়তত নলা নিৰ্মাণত অনিয়ম তদন্তৰ দাবীৰে উপায়ুক্তক ৰাইজৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১০ জানুৱাৰী ঃ** মাটিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত মৰনৈ গাঁও পঞ্চায়তৰ নলা নিৰ্মাণত অনিয়ম সংঘটিত হোৱা বুলি যোৱা ছয় জানুৱাৰীত একাংশ ৰাইজে জিলা উপায়ুক্তক এখন লিখিত অভিযোগ দাখিল কৰে। প্ৰাপ্ত অভিযোগ মতে গাঁও পঞ্চায়তটোৰ অন্তৰ্গত মৰনৈ গাঁওৰ হিৰাপাৰাত চতুৰ্দশ বিত্তীয় আয়োগৰ পুঁজিৰে নয়ন দাসৰ ঘৰৰ পৰা মৰনৈ নদীলৈ নলা নিৰ্মাণ কৰি থকা হৈছে । কিন্তু নিয়ম বহিৰ্ভূতভাৱে স্থানীয় পঞ্চায়ত সদস্যা মিনতি দাসৰ স্বামী ধ্ৰুৱ দাসক উক্ত নলা নিৰ্মাণ কমিটীৰ সভাপতিৰ দায়িত্ব দিয়া হৈছে। লগতে অতি নিম্নমানৰ বাংলা ভাটাৰ ইটাৰে নলা নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে। এই অনিয়মৰ বিৰুদ্ধে মৰনৈ গাঁও পঞ্চায়তৰ সচিব আৰু মাটিয়া উন্নয়ন খণ্ডৰ বিষয়াক অৱগত কৰা সত্ত্বেও কোনো ধৰণৰ সুফল নোপোৱা বুলি অভিযোগ পত্ৰত উল্লেখ কৰিছে। সেয়ে স্থানীয় সীমান্ত দাসসহ ২৩ গৰাকী লোকে স্বাক্ষৰিত অভিযোগপত্ৰ এখন জিলা উপায়ুক্তক প্ৰদান কৰাৰ লগতে অভিযোগ পত্ৰৰ প্ৰতিলিপি গোৱালপাৰা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াকো প্ৰেৰণ কৰে। প্ৰেৰক ইব্ৰাহিম আলী মাটিয়া।

# ধুবুৰীত ২২ জন জুৱাৰী গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**আগমনি, ১০ জানুৱাৰী ঃ** আজি ধুবুৰী আৰক্ষীয়ে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা জুৱাত জড়িত ২২ জন লোকক গ্ৰেপ্তাৰ কৰে। আজি পুৱাৰে পৰা আৰক্ষীয়ে জিলাখনৰ বিভিন্ন অঞ্চলত এই অভিযান চলায়। উল্লেখ্য যে আৰক্ষীয়ে চহৰখনতে নজন লোকক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰাৰ লগতে তীৰ খেলৰ টিকটসহ বিভিন্ন সামগ্ৰী জব্দ কৰে।

# প্ৰবীণ ৰাজনীতিবিদ ওংকাৰমল আগৰৱালাৰ বিয়োগ

অগ্ৰদূতবাৰ্তা

**যমুনামুখ/হোজাই, ১০ জানুৱাৰী ঃ** হোজাই জিলাৰ বিশিষ্ট সমাজসেৱক, প্ৰবীণ ৰাজনীতিবিদ ওংকাৰমল আগৰৱালা (৭৭)ৰ আজি দিল্লীৰ এখন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। অগপৰ এসময়ৰ নেতা, সমাজসেৱীজনৰ মৃত্যুত হোজাই জিলাত শোকৰ ছাঁ পৰিছে। হোজাই চহৰৰ মেইন ৰোডৰ বাসিন্দা আগৰৱালা ব্যৱসায়িক সূত্ৰে দীৰ্ঘদিন ধৰি গুৱাহাটীত বসবাস কৰি আছিল। ১৯৪৫ত জন্ম গ্ৰহণ কৰা আগৰৱালাই হোজাইৰ বিভিন্ন সামাজিক কাম কাজৰ স’তে জড়িত আছিল। তেওঁ অসম সাহিত্য সভাৰ তৃতীয় বিশেষ বাৰ্ষিক হোজাই অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি আছিল। তেওঁ পূৰ্বোত্তৰ প্ৰাদেশীয় মাৰৱাৰী সন্মিলনৰ অধ্যক্ষ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। আগৰৱালাৰ মৃত্যুত হোজাই জিলা সাহিত্য সভা, মাৰৱাৰী পঞ্চায়ত, মাৰৱাৰী সন্মিলন, মাৰৱাৰী যুৱ মঞ্চ, হোজাই প্ৰেছ ক্লাৱ নীলবাগান প্ৰেছ ক্লাৱ, হোজাই জিলা আমছু, যমুনাপৰীয়া শাখা সাহিত্য সভাকে ধৰি বিভিন্ন দল সংগঠনে শোক প্ৰকাশ কৰি শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি দুই পুত্ৰ আৰু তিনি কন্যা এৰি যায়। উল্লেখ্য যে আগৰৱালাই ৮৫ৰ অগপৰ শাসন কালত কংগ্ৰেছৰ পৰা অগপত যোগদান কৰি পৰৱৰ্তী সময়ত অগপৰ কেন্দ্ৰীয় সমিতিতো স্থান লাভ কৰিছিল। প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ স’তে তেওঁ অতি ঘনিষ্ঠ আছিল।

# ‘পৰিৱেশ সুৰক্ষা-নৱপ্ৰজন্মৰ ভূমিকা’ শীৰ্ষক আলোচনাচক্ৰ

## ■ ছাত্ৰ-ছাত্ৰীৰ ব্যৱহাৰিক শিক্ষা সম্প্ৰসাৰণৰ লক্ষ্য

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১০ জানুৱাৰী ঃ** ছাত্ৰ-ছাত্ৰীৰ ব্যৱহাৰিক শিক্ষাৰ সম্প্ৰসাৰণৰ অংশ আৰু পৰিৱেশ সুৰক্ষা সজাগতা সন্দৰ্ভত আজি উত্তৰ লখিমপুৰ (স্বাঃ) মহাবিদ্যালয় অসমীয়া বিভাগৰ উদ্যোগত আৰু কাকৈ ৰাজগড় উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহযোগত ‘পৰিৱেশ সুৰক্ষা আৰু নৱপ্ৰজন্মৰ ভূমিকা’ শীৰ্ষক এক বক্তৃতা আলোচনাচক্ৰ কাকৈ ৰাজগড় উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। উত্তৰ লখিমপুৰ (স্বাঃ) মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাৰ নেতৃত্বত অনুষ্ঠিত অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকে প্ৰকৃতিবিদ নেচাৰ্চ বেকনৰ সঞ্চালক সৌম্যদ্বীপ দত্ত। আলোচনাচক্ৰৰ বিষয় সন্দৰ্ভত দত্তই বক্তব্য প্ৰদান কৰি পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত গছ-গছনি, জীৱ-জন্তুৰ ভূমিকা উপৰি ছাত্ৰ-ছাত্ৰী তথা নৱপ্ৰজন্মৰ মাজত পৰিৱেশ সজাগতাৰ গুৰুত্ব কিমান এই বিষয়ত বহলাই আলোচনা কৰে। অনুষ্ঠানত প্ৰকৃতিবিদ দত্তৰ স’তে ছাত্ৰ-ছাত্ৰীৰ মত বিনিময় শিতানো ৰখা হয়। পৰিৱেশ-সজাগতা ওপৰত ছাত্ৰ-ছাত্ৰীয়ে সোধা বিভিন্ন প্ৰশ্নৰ উত্তৰত প্ৰকৃতিবিদ দত্তই সহজ-সৰল সাৱলীল ভাষাত ছাত্ৰ-ছাত্ৰীক বুজাই দিয়ে। অনুষ্ঠানত কাকৈ ৰাজগড়ৰ প্ৰধান শিক্ষক গোবিন্দ চন্দ্ৰ দাস উপস্থিত থকাৰ লগতে বিদ্যালয়খনৰ কে’বাজনোসহ শিক্ষক উপস্থিত থাকে। কাকৈ ৰাজগড় উচ্চ মাধ্যমিক বিদ্যালয় হৈ শিক্ষক কনক চন্দ্ৰ নাথ আৰু উত্তৰ লখিমপুৰ মহাবিদ্যালয়ৰ হেমন্ত কুমাৰ দত্তই অনুষ্ঠানটোৰ শলাগৰ শৰাই আগবঢ়ায়।



# অৱসৰপ্ৰাপ্ত স্বাস্থ্য কৰ্মী ফৰিদুৰ ৰহমানক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১০ জানুৱাৰী ঃ** ১৯৮৪ৰ পৰা সেৱা আগবঢ়াই থকা ফৰিদুৰ ৰহমানে যোৱা ৩১ ডিচেম্বৰত চাকৰিৰ পৰা অৱসৰ লৈছিল যদিও আজি তেওঁক বাৰাংহাটী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সমূহ কৰ্মচাৰীৰ উদ্যোগত বিদায় সম্বৰ্ধনা জনায়। লেবৰেটৰী টেকনিচিয়ান কুমুদ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অৱসৰপ্ৰাপ্ত স্বাস্থ্য কৰ্মী তথা নলবাৰী জিলাৰ বড়িগাঁৱৰ নিবাসী ফৰিদুৰ ৰহমানক ফুলাম গামোচা, শৰাই আৰু মানপত্ৰৰে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে ডাঃ অৰ্পণা দাসৰ উপস্থিতিত স্বাস্থ্য কেন্দ্ৰৰ সমূহ কৰ্মচাৰীসকলে। বিগত ক’ভিড মহামাৰীৰ দিনতো অহৰহ সেৱা আগবঢ়াই, নিজৰ জীৱনকো আওকাণ কৰি নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰি অহা স্বাস্থ্য কৰ্মীজনৰ বিদায়ী সময়ত সকলোৰে চকুৰে অশ্ৰু নিগৰে। নিয়মিতভাৱে স্বাস্থ্য কেন্দ্ৰটোত সময়মতে আহি নিজৰ কৰ্তব্যৰে নিজৰ কামসমূহ দায়িত্ব সহকাৰে পালন কৰি অহা স্বাস্থ্য কৰ্মী ৰহমানৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে অঞ্চলটোৰ ৰাইজৰ লগতে বাৰাংহাটী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সমূহ কৰ্মচাৰীসকলে।

জাননী

অসম সংখ্যালঘু উন্নয়ন বৰ্ডৰ তৰফৰ পৰা নিম্ন উল্লেখিত বিষয়সমূহৰ পাঠ্যক্ৰমত বৰ্ডৰ আৰ্থ-সাহায্যৰে (পাঠ্যক্ৰমৰ মুঠ খৰচৰ ৯০% চৰকাৰী অনুদান আৰু ১০% হিতাধিকাৰীয়ে বহন কৰিব লাগিব) অসমৰ স্থায়ী বাসিন্দাৰ অধিসূচীত ধৰ্মীয় সংখ্যালঘু (মুছলিম, খ্ৰীষ্টান, শিখ, বৌদ্ধ, জৈন আৰু পাৰ্চী) ছাত্ৰ-ছাত্ৰীৰ বাবে পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হৈছে। ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ বছেৰেকীয়া আয় দুই লাখ (২.০০ লাখ) টকাতকৈ অধিক হ’ব নোৱাৰিব। বাছনি মেধাভিত্তিত কৰা হ’ব আৰু কিছু আসন বিভিন্ন শ্ৰেণীৰ বাবে সংৰক্ষিত থাকিব। ছাত্ৰ-ছাত্ৰীয়ে অনলাইনযোগে পূৰণ কৰা আবেদনৰ প্ৰতিলিপিৰ লগত যাৱতীয় নথি-পত্ৰ আপলোড কৰিব লাগিব । ইয়াৰ উপৰিও এই নথি-পত্ৰ সমূহৰ ফটোকপিসহ মূল কপি কাউন্সিলিংৰ সময়ত লৈ আহিব লাগিব। কাউন্সিলিংৰ বাবে বাছনিকৃত আবেদনকাৰী ছাত্ৰ-ছাত্ৰীসকলক পৰৱৰ্তী সময়ত কাউন্সিলিংৰ তাৰিখ জনোৱা হ’ব। ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে অহা ২৮/০১/২০২২ তাৰিখৰ ভিতৰত https://amdb.assam.gov.in (Assam Minorities Development Board) ৱেবচাইটত অনলাইন যোগে আবেদন দাখিল কৰিব লাগিব। অসম্পূৰ্ণ আবেদন প্ৰ-পত্ৰ গ্ৰহণযোগ্য নহ’ব। অসম সংখ্যালঘু উন্নয়ন বৰ্ডৰ বাছনি কমিটিৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ’ব।

| ক্ৰমিক নং | পাঠ্যক্ৰমৰ নাম | শিক্ষাগত অৰ্হতা | পাঠ্যক্ৰমৰ সময়সীমা | বয়স |
|---|---|---|---|---|
| ১ | বি.এম.এল.টি. (B.M.L.T.) | উচ্চতৰ মাধ্যমিক (১০+২) বিজ্ঞান শাখাত (পি.চি.বি.ৰ সৈতে) নিম্নতম ৪৫% নম্বৰ। | ৩ ১/২ বছৰ | ১৭-২৪ বছৰ |
| ২ | ডি.এম.এল.টি. (D.M.L.T.) | উচ্চতৰ মাধ্যমিক (১০+২) বিজ্ঞান শাখাত (পি.চি.বি.ৰ সৈতে) নিম্নতম ৪০% নম্বৰ। | ২ বছৰ | ১৭-২৪ বছৰ |
| ৩ | এ.এন.এম. (A.N.M) | উচ্চতৰ মাধ্যমিকৰ (১০+২) যিকোনো শাখাত নিম্নতম ৪০% | ২ বছৰ | ১৭-৩০ বছৰ |
| ৪ | মেডিকেল, ইঞ্জিনিয়াৰিং ও এ.পি.এচ.চি. পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষাৰ বাবে প্ৰশিক্ষণ (Coaching for Entrance Exam (Medical, Engineering & APSC) | মেডিকেল, ইঞ্জিনিয়াৰিংৰ বাবে উচ্চতৰ মাধ্যমিক (১০+২) বিজ্ঞান শাখাত অৱতীৰ্ণ অথবা উত্তীৰ্ণ হব লাগিব। অৱতীৰ্ণ প্ৰাৰ্থীয়ে উচ্চ মাধ্যমিক (HSLC)ত নিম্নতম ৬০% অথবা উচ্চতৰ মাধ্যমিক (HS) উত্তীৰ্ণ প্ৰাৰ্থীয়ে (পি.চি.বি./পি.চি.এম.ৰ সৈতে) নিম্নতম ৬০% নম্বৰ। | ৬ মাহ | ১৭-২৪ বছৰ |
| | | এ.পি.এচ.চি. ৰ বাবে স্নাতক (১০+২+৩) যিকোনো শাখাত উত্তীৰ্ণ হব লাগিব। | ৬ মাহ | ২১-৩৮ বছৰ |

বি.দ্ৰ:
১. বি.এম.এল.টি., ডি.এম.এল.টি. আৰু এ.এন.এম. পাঠ্যক্ৰমৰ মুঠ খৰচৰ ৯০% চৰকাৰী অনুদান আৰু ১০% হিতাধিকাৰীয়ে বহন কৰিব লাগিব। মেডিকেল ও ইঞ্জিনিয়াৰিং পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষাৰ বাবে প্ৰশিক্ষণৰ সম্পূৰ্ণ খৰচ চৰকাৰে বহন কৰিব।
2. The above schemes will be implemented subject to issue of sanction and FOC from the Govt.

For any official clarification: Cell No. 7635998002 (M)
For any technical issues relating to uploading of forms: Cell No. 8822935542 (M)

স্বাক্ষৰ/-
সঞ্চালক,
অসম সংখ্যালঘু উন্নয়ন বৰ্ড
বাপা গোবিন্দ বৰুৱা পথ, গণেশগুৰি, গুৱাহাটী-৬

Janasanyog/DF/2430/21

অসম দাপোণ

দৈনিক অগ্ৰদূত

গুৱাহাটী, ১১ জানুৱাৰী মঙলবাৰ ২০২২ পৃষ্ঠা ১১

# ধোঁৱাচাঙত ক'ভিড বিধি, নাই মাস্ক, সামাজিক দূৰত্ব

## ■ মৰিয়নিৰ দেওবৰীয়া সাপ্তাহিক বজাৰতো নাই নিয়ন্ত্ৰণ ■ ব্যৱস্থা গ্ৰহণৰ বাবে ৰাইজৰ দাবী

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১০ জানুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে অসমতো ক'ভিড-১৯ৰ তৃতীয় ঢৌৱে উদ্বেগজনক পৰিস্থিতিৰ সৃষ্টি কৰিছে। ইতিমধ্যে ৰাজ্য চৰকাৰে সংক্ৰমণ ৰোধিবলৈ কেতবোৰ নীতি-নিয়ম বান্ধি দিছে। আনকি পঞ্চম শ্ৰেণীলৈকে বিদ্যালয় বন্ধ দিবলগীয়া পৰিস্থিতিৰো সৃষ্টি হৈছে। কিন্তু মৰিয়নিত ইয়াৰ ওলোটা ছবিহে ফুটি উঠিছে। মৰিয়নিত ইতিমধ্যে ক'ভিডত আক্ৰান্ত বৃদ্ধি পাইছে। ইয়াৰ পাছতো ৰাইজ সতৰ্ক হোৱা নাই। চৰকাৰে সকলো লোককে মাস্ক ব্যৱহাৰ কৰাটো বাধ্যতামূলক কৰিছে যদিও অধিকাংশ লোকেই ব্যৱহাৰ কৰা নাই। মৰিয়নিৰ বজাৰত এতিয়া মাস্ক ব্যৱহাৰ নকৰা লোকৰ সংখ্যাই বেছি। কালি দেওবৰীয়া সাপ্তাহিক বজাৰতো ক্ৰেতা-বিক্ৰেতাই ব্যৱহাৰ কৰা নাই মাস্ক। তদুপৰি বজাৰত নাই কোনো সামাজিক ব্যৱধান। আনহাতে, ৰাজ্য চৰকাৰে শেহতীয়াকৈ সকলো হাট আৰু সাপ্তাহিক বজাৰ ছয় ঘন্টাৰ বাবে খুলিবলৈ নিৰ্দেশ দিছে যদিও মৰিয়নিত এনে নিয়ম নমনা লোকৰ সংখ্যাই বেছি । পুৱা সাত বজাৰে পৰা আৰম্ভ হোৱা দেওবৰীয়া সাপ্তাহিক বজাৰ নিশালৈ চলে।

## ছয়গাঁও হাইস্কুলৰ ১৯৮৪ৰ সতীৰ্থসকলে একত্ৰিত হৈ আৰম্ভ কৰিলে ব্যতিক্ৰমী প্ৰীতি সন্মিলন

অগ্ৰদূত বাৰ্তা

**ছয়গাঁও, ১০ জানুৱাৰী ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও বিধানসভা সমষ্টিৰ অন্যতম এখন আগশাৰীৰ বিদ্যালয় হৈছে ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়। বিদ্যালয়খনৰ ১৯৮৪ৰ ছাত্ৰ-ছাত্ৰীসকলে ৩৮ বছৰ পাছত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা আহি কালি একত্ৰিত হৈ এখন প্ৰীতি সন্মিলনৰ আয়োজন কৰে। ছয়গাঁও চৰকাৰী মজলীয়া বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত ব্যতিক্ৰমী প্ৰীতি সন্মিলনত সভাপতিত্ব কৰে প্ৰতাপ কলিতাই। ছয়গাঁও মহাবিদ্যালয়ৰ অধ্যাপক ধীৰেণ দাসে আদৰণি ভাষণ প্ৰদান কৰা সভাত স্কুলীয়া জীৱনৰ শিক্ষক ক্ৰমে ৰত্নেশ্বৰ দাস, তাৰিণী কলিতা, অনন্ত দাস, দিবাকৰ কলিতাৰ লগতে কে'বাগৰাকী শিক্ষকক সম্বৰ্ধনা জনাই আৰম্ভ কৰে প্ৰীতি সন্মিলন। সভাত অতীত ৰোমন্থন কৰি আবেগিক হৈ পৰে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী ক্ৰমে বিশিষ্ট সংগীত পৰিচালক উমেশ নাথ, অপূৰ্ব দাস, দীপাঞ্জলি দাস, মুনীন্দ্ৰ দাস, দীপালী দাস প্ৰমুখ্যে ভালেমান ছাত্ৰ-ছাত্ৰী। তেওঁলোকে কবিতা আবৃত্তি, গীত, নাটকৰ সংলাপ আদি প্ৰদৰ্শন কৰে। প্ৰীতি সন্মিলন পৰিচালনা কৰে জ্যোতিষ দলৈয়ে। সভাত টিকেন শালৈয়ে শলাগৰ শৰাই আগবঢ়োৱাৰ অন্তত আগন্তুক ২০২৩ৰ বাবে কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে।

## নৱবৰ্ষৰ দ্বিতীয়টো দেওবাৰত ভৈৰৱকুণ্ডত বনভোজকাৰীৰ ভিৰ

বিশেষ সংবাদদাতা

**ওদালগুৰি, ১০ জানুৱাৰী ঃ** নতুন বৰ্ষৰ দ্বিতীয়টো দেওবাৰতো উখল-মাখল পৰিৱেশ বিৰাজ কৰে ওদালগুৰি জিলাৰ ভৈৰৱকুণ্ড বনভোজস্থলী। অৰ্ধ সহস্ৰাধিক বাহনেৰে কে'বা হেজাৰ লোকৰ কালি সমাৱেশ ঘটে অসম-অৰুণাচল প্ৰদেশ আৰু ভূটানৰ ত্ৰিবেণী সংগমস্থলী ভৈৰৱকুণ্ডত। সকলোৱে নৱবৰ্ষ উপলক্ষে পৰিয়ালৰ স'তে বনভোজৰ আনন্দ লয়। ইফালে দৈনন্দিন ব্যস্ততাৰ মাজতো কালি নৱবৰ্ষৰ দ্বিতীয় দেওবাৰৰ দিনটোত ওদালগুৰি জিলাৰ ভিন্ন প্ৰান্তৰ একাংশ সাংবাদিকে ভৈৰৱকুণ্ড বনভোজস্থলীত বনভোজ খাই আনন্দ কৰে। ক'ভিডৰ সম্পূৰ্ণ প্ৰতিষেধক গ্ৰহণ কৰা ওদালগুৰি জিলাৰ কলাইগাঁও, ওদালগুৰি, ভৈৰৱকুণ্ড, ওৰাঙৰ একাংশ সাংবাদিকে কালি বনভোজৰ আনন্দ লৈ লগে-ভাগে এসাঁজ খাই আনন্দ কৰে।

## বিশ্বনাথ ৰাভাক দ্ৰোণাচাৰ্য-২০২১ বঁটা



অগ্ৰদূত বাৰ্তা

**আগিয়া, ১০ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ বালিজানা শিক্ষাখণ্ডৰ বৰঝৰা বামুণডাংগা প্ৰাথমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক, সাহিত্যসেৱী বিশ্বনাথ ৰাভা (তাৰা)ই 'মেধী ধৰণীধৰ আৰু গুণলতা ন্যাস'ৰ দ্ৰোণাচাৰ্য-২০২১ বঁটা লাভ কৰে। উক্ত বঁটা প্ৰাপ্তিয়ে জিলাবাসীক গৌৰৱান্বিত আৰু আনন্দিত কৰিছে। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত মঙলদৈ মহকুমাৰ অৱসৰপ্ৰাপ্ত শিক্ষক ধৰণীধৰ মেধী আৰু তেওঁৰ পত্নী গুণলতা মেধীয়ে আগবঢ়োৱা অনুদানেৰে গঠন কৰা 'মেধী ধৰণীধৰ-গুণলতা ন্যাস'এ দ্বিতীয়বাৰৰ বাবে প্ৰদান কৰা দ্ৰোণাচাৰ্য বঁটা বিশ্বনাথ ৰাভাই লাভ কৰে। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ বঙাইগাঁৱত যোৱা আঠ জানুৱাৰীত অনুষ্ঠিত ৪৩ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশনৰ মুকলি সভাত এই বঁটা প্ৰদান কৰা হয়। বৰ্তমানৰ পৰিস্থিতিতো শৈক্ষিক দিশৰ উত্তৰণৰ হকে তেওঁ যত্ন কৰাৰ উপৰি বিদ্যালয়ৰ সামগ্ৰিক দিশত সঠিক পৰিচালনাত গুৰুত্ব আৰোপ কৰি আহিছে। বিদ্যালয়ৰ সমান্তৰালকৈ বিভিন্ন সামাজিক কাম-কাজত তেওঁ নিবিড়ভাৱে জড়িত। বিশ্বনাথ ৰাভা (তাৰা) বিশেষকৈ গোৱালপাৰা জিলা ৰাভা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক, মালাধৰা শংকৰদেৱ শিশু নিকেতনৰ প্ৰতিষ্ঠাপক সম্পাদক, নিখিল ৰাভা সাহিত্য সভাৰ প্ৰাক্তন কেন্দ্ৰীয় সাধাৰণ সম্পাদক, বালিজানা খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি বৰ্তমানে গোৱালপাৰা জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সহকাৰী সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। 'ৰাভা লোকগীত সংগ্ৰহ, ৰাভা লোকসংস্কৃতিৰ ৰূপৰেখা, ৰাভা লোকবাদ্য সৃষ্টি আৰু অভিজ্ঞান, পাতি ৰাভাৰ বিয়ানাম, ৰাভা লোকবিশ্বাস, ৰাভা সাঁথৰ, ৰাভা ভাষা শিক্ষা আৰু সহজ ৰাভা ভাষা শিক্ষকে আদি কৰি ১৫খন গ্ৰন্থ তেওঁৰ ইতিমধ্যে প্ৰকাশ পাইছে। তেওঁ ইতিপূৰ্বে ২০১৬ত জিলাভিত্তিত কৃতী শিক্ষক বঁটা, সৃষ্টিৰ পদাতিকৰ অসম সাহিত্য বঁটা (২০১৯) আৰু অসম ৰাজ্যিক সমিতিৰ কৃতী শিক্ষক বঁটা (২০২১) লাভ কৰাৰ উপৰি অসম চৰকাৰৰ সাংস্কৃতিক বিভাগে বিশিষ্ট সাহিত্যিক হিচাপে তেওঁক ২০১৯ত সম্বৰ্ধনা জনায়।

## বিদ্যুৎ মাছুল বৃদ্ধিৰ পৰিকল্পনাত উদ্বেগ প্ৰকাশ কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ

বিশেষ সংবাদদাতা

**লখিমপুৰ, ১০ জানুৱাৰী ঃ** কৰ'না অতিমাৰীৰ তাণ্ডৱ, নিৰ্মাণ, খাদ্য, নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্যবৃদ্ধি আদি সমস্যাই ৰাজ্যৰ সৰ্বস্তৰৰ জনসাধাৰণৰ অৰ্থনৈতিক পৰিকাথামো জুৰুলা কৰি তোলাৰ সময়তেই অসমত পুনৰ বিদ্যুৎ মাছুল বৃদ্ধিৰ পৰিকল্পনা কৰাত তীব্ৰ অসন্তোষ ব্যক্ত কৰিছে কোচ ৰাজবংশী সংগ্ৰাম সমিতিয়ে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি, সমাজ সংগঠক ৰূপজ্যোতি দত্তই উল্লেখ কৰে, 'অসমত পুনৰ প্ৰতি ইউনিট বিদ্যুতৰ মাছুল দুটকাকৈ বৃদ্ধি কৰি সৰ্বস্তৰৰ জনতা জনাৰ্দনক ক্ষতিগ্ৰস্ত কৰিব বিচৰা কাৰ্য নিশ্চতভাৱেই গ্ৰহণযোগ্য হ'ব নোৱাৰে। কোচ ৰাজবংশী সংগ্ৰাম সমিতি চমুকৈ কে আৰ এছ এছৰ কেন্দ্ৰীয় সমিতিয়ে অসমৰ খাটিখোৱা দুখীয়া-নিচলা ৰাইজৰ লগতে সৰ্বস্তৰৰ জনসাধাৰণৰ অৰ্থনীতিত আঘত কৰি বিদ্যুৎ মাছুল বৃদ্ধি নকৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনোৱাৰ লগতে পূৰ্বৰ স্থিতি বাহাল ৰাখিবলৈ আহ্বান জনাইছে।

## চৰগুৱা কছাৰীভেটিত 'সংকটত পানীদিহিং' শীৰ্ষক আলোচনাচক্ৰ

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ১০ জানুৱাৰী ঃ** পানীদিহিং সুৰক্ষা সমিতি, সন্মিলিত প্ৰয়াসৰ উদ্যোগত আৰু পানীদিহিঙৰ স্থানীয় ৰাইজৰ সহযোগত চৰগুৱা কছাৰীভেটিত 'সংকটত পানীদিহিং ঃ সাম্প্ৰতিক সময়ত জলাশয় সংৰক্ষণৰ গুৰুত্ব আৰু আমাৰ কৰণীয়' শীৰ্ষক বিষয়ৰ ওপৰত এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। আলোচনাচক্ৰত আলোচক হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূ-বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° শৰৎ ফুকন, পৰিৱেশ গৱেষক অনুপম চক্ৰৱৰ্তী আদি উপস্থিত থাকে।



*লেখিকা সাৱিত্ৰী খাটনিয়াৰ বৈশ্যৰ উপন্যাস 'ভগা জখলাৰ সপোন' উন্মোচন কৰা মুহূৰ্ত, দেওবাৰে হাউলীত।*

## মাজুলীৰ বিদ্যালয়ত চুঙাপিঠাৰ সোৱাদ ল'লে ছাত্ৰ-ছাত্ৰীয়ে

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ১০ জানুৱাৰী ঃ** মাজুলীৰ বনগাঁও শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যা নিকেটনত কালি চুঙাপিঠা উৎসৱ পালন কৰা হয়। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক চুঙাপিঠাৰ সোৱাদ দিয়ে। জাতি বাঁহৰ চুঙাত ছাত্ৰ-ছাত্ৰীসকলে পিঠাগুড়ি ভৰাই জুইত পুৰি নিজে পোৱা চুঙাপিঠাৰ জুতি লৈ আনন্দিত হৈ পৰে। বিদ্যালয়খনৰ আচাৰ্য-আচাৰ্যাসকলে সমীপৱৰ্তী গাঁৱৰ বয়োজ্যেষ্ঠ লোকক মাতি আনি চুঙাপিঠা বনোৱা কাৰ্যৰ অনুশীলন কৰোৱায় ছাত্ৰ-ছাত্ৰীসকলক। আধুনিকতাৰ ধামখুমীয়াত একক পৰিয়ালকেন্দ্ৰিক ব্যৱস্থাসমূহৰ পৰা ক্ৰমাৎ হেৰাই যোৱা চুঙাপিঠাৰ লগত আজিৰ ছাত্ৰ-ছাত্ৰীৰ পৰিচয়হীন অৱস্থাৰ সৃষ্টি হৈছে। এনে সময়ত বিদ্যালয়খনে অসমীয়াৰ প্ৰাচীন পৰম্পৰা ধৰি ৰখাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক চুঙাপিঠাৰ সোৱাদ দিলে।

## কৃষ্ণাইত অচিনাক্ত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ১০ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত বেকীপুলত কালি উদ্ধাৰ হয় এটা অচিনাক্ত মৃতদেহ। বেকীপুলৰ জলাশয় এটাত উদ্ধাৰ হয় অচিনাক্ত মৃতদেহটো। শৱদেহটো প্ৰায় ৪৫ বছৰীয়া এজন পুৰুষৰ। কালি দিনৰ প্ৰায় ১২ বজাত বেকীপুলত মৃতদেহটো পৰি থকা দেখি কোনো পথচাৰীয়ে আৰক্ষীক খবৰ দিয়ে। পাছত কৃষ্ণাই আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। কৃষ্ণাই আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই জনোৱা অনুসৰি, মৃতদেহটোৰ পৰিচয় এতিয়ালৈকে উদ্ধাৰ হোৱা নাই।

## ডিমৌত আটাছুৰ প্ৰতিনিধি সভা অনুষ্ঠিত ঃ নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ১০ জানুৱাৰী ঃ** সদৌ তাই আহোম ছাত্ৰ সন্থাৰ অধীনৰ ডিমৌৰ আঞ্চলিক তাই আহোম ছাত্ৰ সন্থাৰ প্ৰতিনিধি সভা কালি ডিমৌৰ বহুমুখী ভৱন প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। ডিমৌ আটাছুৰ উপদেষ্টা তথা আটাছুৰ শিৱসাগৰ জিলা সমিতিৰ সম্পাদক নিপন বৰুৱাই সভাপতিত্ব কৰা প্ৰতিনিধি সভাত উদ্দেশ্য ব্যাখ্যা কৰে দেবাশীষ গগৈয়ে। সভাত পৰ্যবেক্ষক তথা বিশিষ্ট অতিথি হিচাপে আটাছুৰ শিৱসাগৰ মহকুমাৰ সম্পাদক সুমিত কুমাৰ সন্দিকৈ, উপ-সভাপতি মনোৰঞ্জন চেতিয়া, প্ৰচাৰ সম্পাদক ভীমকান্ত গগৈ, আটাছুৰ ডিমৌ আঞ্চলিকৰ মুখ্য উপদেষ্টা মাৰ্ধুয্য চেতিয়া উপস্থিত থাকে। সভাই আগন্তুক ২০২২-২০২৪ৰ বাবে বিদ্যুৎ দুৱৰাক সভাপতি, সৌৰভ দিহিংগীয়াক কাৰ্যকৰী সভাপতি, দেবাশীষ গগৈক সাধাৰণ সম্পাদক হিচাপে লৈ ৩১ জনীয়া আটাছুৰ ডিমৌ আঞ্চলিক সমিতিখন গঠন কৰা হয়। প্ৰতিনিধি সভাই আজি মে-ডাম-মেফি উদ্‌যাপন কৰাকে ধৰি বিভিন্ন সমস্যা সমাধানৰ অৰ্থে বহুকেইটা প্ৰস্তাৱ গ্ৰহণ কৰে।

### ■ চুতীয়া যুৱ সন্মিলন যোৰহাট জিলা সমিতি গঠন

## জনজাতিকৰণৰ দাবীত আন্দোলনৰ পোষকতা

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ১০ জানুৱাৰী ঃ** যোৰহাট জিলা চুতীয়া যুৱ সন্মিলন, অসমৰ এখন প্ৰতিনিধি সভা কালি সাধনী ভৱনত অনুষ্ঠিত হয়। প্ৰাক্তন জিলা সভাপতি মোহন চন্দ্ৰ শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত উক্ত সভাত কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক মৃগেন বৰুৱা, প্ৰাক্তন কাৰ্যকৰী সভাপতি শৰৎ বৰা আৰু চুতীয়া জাতি সন্মিলন যোৰহাট জিলা সমিতিৰ উপ-সভাপতি গোলাপ শইকীয়া উপস্থিত থাকে। উক্ত সভাত দিগন্ত কুমাৰ বড়াক সভাপতি, মাধৱ বড়াক কাৰ্যকৰী সভাপতি, পলাশজ্যোতি বড়া আৰু পাপু কুমাৰ শইকীয়াক যুটীয়া সম্পাদকৰূপে লৈ সন্মিলনৰ নতুন সমিতিখন গঠন কৰা হয়। সভাখনত গৃহীত এক প্ৰস্তাৱত জনজাতিকৰণৰ দাবীত আন্দোলন কাৰ্যসূচী গ্ৰহণৰ সিদ্ধান্ত লোৱা হয়।

## বঙাইগাঁৱত সংঘটিত পথ দুৰ্ঘটনাত থিতাতে নিহত মটৰ চাইকেল আৰোহী

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১০ জানুৱাৰী ঃ** বঙাইগাঁও সদৰ থানাৰ অন্তৰ্গত চাপৰাকাটাত কালি সন্ধিয়া সাত বজাত সংঘটিত এক পথ দুৰ্ঘটনাত এজন মটৰ চাইকেল আৰোহীৰ থিতাতে মৃত্যু হয়। নিহত মটৰ চাইকেল আৰোহীজন চাপৰাকাটা নয়াপাৰা প্ৰথম খণ্ডৰ পলান চন্দ্ৰ দাস (৫০)। বঙাইগাঁও যানবাহন শাখাৰ আৰক্ষীয়ে উল্লেখ কৰা মতে, চাপৰাকাটাৰ ঘাইপথৰ উৰণীয়া সেতুৰ ওচৰত এই দুৰ্ঘটনাটো সংঘটিত হয়। বঙাইগাঁৱৰ ৰাখালডুবিৰ দিশৰ পৰা চাপাগুৰি অভিমুখী এ এছ-১৯ ই-৩০৬০ নম্বৰৰ বাহনখনে উৰণীয়া সেতুৰ নামনিত বঙাইগাঁৱৰ দিশৰ পৰা গৈ থকা এ এছ-১৯ জে-৮৫৪৬ নম্বৰৰ মটৰ চাইকেলখনক পথৰ বাওঁফালৰ পৰা সোঁফাললৈ বুলি পথ অতিক্ৰম কৰোতে খুন্দিওৱাত মটৰ চাইকেল আৰোহীজনৰ ঘটনাস্থলীতে মৃত্যু হয়। আৰক্ষীয়ে পাছত দুৰ্ঘটনাস্থলীৰ পৰা ক্ষতিগ্ৰস্ত হোৱা বাহন আৰু মটৰ চাইকেলখন উদ্ধাৰ কৰি থানালৈ আনে।

## এতিয়া লাইটপোষ্টতো সোণোৱালৰ পাছপ'ৰ্ট ফটো এখন দেখিবলৈ নাই ঃ ভট্টাচাৰ্য

অগ্ৰদূত বাৰ্তা

তেজপুৰ, ১০ জানুৱাৰী ঃ 'কংগ্ৰেছ দল আউটডেটেড নে ইনডেটেড সেই লৈ ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মূৰঘমাব নালাগে। প্ৰথমে তেওঁ নিজেই আউটডেটেড নে ইনডেটেড সেই কথা হৃদয়ংগম কৰক। ২০২১ৰ বিধানসভা নিৰ্বাচনৰ আগতে তেওঁৰ বৰ বৰ ফটোৰে স'তে দেখা পোৱা বেনাৰ হৰ্ডিংবোৰৰ ঠাইত এতিয়া দেখোন তেওঁৰ এখন পাছপোৰ্ট আকাৰৰ ফটো এখনো লাইটপোষ্টত দেখিবলৈ নায়য়ে' কালি তেজপুৰত প্ৰাক্তন মুখ্যমন্ত্ৰী সোণোৱালক এনেদৰেই সমালোচনা কৰে অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা মুখপাত্ৰ অপূৰ্ব ভট্টাচাৰ্যই। তেজপুৰৰ জিলা কংগ্ৰেছৰ কাৰ্যালয়ত বিয়লি তিনিবজাত এক সংবাদমেলত ভট্টাচাৰ্যই কয় যে,কংগ্ৰেছ দল যদি আউটডেটেডেই হয় তেনেহ'লে বিজেপিয়ে কিয় এই দলৰ পৰা তেনে মানুহ নি বিজেপি দলৰ সংখ্যা বঢ়াইছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কংগ্ৰেছ দলক লৈ কৰা মন্তব্যৰ লগতে দেশৰ নৰেন্দ্ৰ মোদীক বিশ্বৰ শ্ৰেষ্ঠ নেতা আখ্যা দিয়া সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি ভট্টাচাৰ্যই পুনৰ কয় যে সোণোৱালে অসম চুক্তি ৰূপায়ণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিছিল আৰু তেওঁ জাতীয় নায়কত পৰিণত হৈছিল। অসম চুক্তিৰ ছয় নম্বৰ দফা আখৰে আখৰে পালন কৰিব বুলি কৈছিল। পিছে সেইবোৰ সকলো অসাৰ হ'ল। ইয়াৰ বিপৰীতে নাগৰিকত্ব সংশোধনী আইনহে জাপি দিলে বুলি উল্লেখ কৰি কংগ্ৰেছ নেতাজনে কয় যে এইবোৰ কথা সোণোৱালহঁতে পাহৰিলেও কিন্তু অসমৰ ৰাইজে পাহৰা নাই। জাতি মাটি আৰু ভেটি ৰক্ষাৰ কথা কোৱা সোণোৱালহঁতৰ কাৰ্যকালতে এতিয়া ৰজ্যৰ জাতি থানবান হোৱাৰ উপৰি মাটিটো নায়েই আৰু ভেটিও থৰকবৰক হ'ল বুলি কয় ভট্টাচাৰ্যই।

তেওঁ পুনৰ কয় যে দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ কথা কৈ সোণোৱালে লুইছ বাৰ্জাৰ কেলেংকাৰিৰ তদন্ত কৰা হ'ব বুলিও কৈছিল। পিছে সেই তদন্ত হোৱাটো দূৰৰে কথা সোণোৱালেই দেখোন পলাই পত্ৰং দিলে বুলি মন্তব্য কৰি ভট্টাচাৰ্যই লগতে কয় মোদীক সোণোৱালে তেল মাৰিবই লাগিব, কাৰণ তেওঁৰ চকীখনৰ কথা আছে। কিন্তু মোদী কেনেদৰে বিশ্বৰ শ্ৰেষ্ঠ নেতা সেই ব্যাখ্যা আগবঢ়াই কংগ্ৰেছৰ সাধাৰণ সম্পাদকজনে কয় যে নিৰ্বাচনৰ আগতে ২০১৪ত মোদীয়ে কৈছিল মেহেংগাই কি মাৰ, আব কি বাৰ মোদী চৰকাৰ; কিন্তু এতিয়া মূল্যবৃদ্ধিয়ে মাধমাৰ সোধাইছে বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে মিঠাতেলে ২৪০টকা স্পৰ্শ কৰিলে, এইবাৰ মাঘৰ উৰুকাতো ৰাইজে মূল্যবৃদ্ধিৰ বাবে জুৰুলা হ'বলগীয়া হোৱাৰ বিষয়ে উনুকিয়াই ভট্টাচাৰ্যই আৰু কয় যে মোদী বিশ্বৰ শ্ৰেষ্ঠ নেতা কাৰণ তেওঁৰ দিনতে দেশৰ জিডিপি নেপাল আৰু বাংলাদেশতকৈ তললৈ নামিল। তদুপৰি অপৰিকল্পিত বিমুদ্ৰাকৰণ আৰু তলাবন্ধৰ বাবে দেশৰ দুই কোটি লোক নিবনুৱা মোদীৰ বাবেই হোৱা বুলি উল্লেখ কৰি কংগ্ৰেছ মুখপাত্ৰজনে লগতে কয় যে সোণোৱালে এতিয়া নিজে আউটডেটেড নে ইনডেটেড হৈ আছে সেই কথাৰহে বিচাৰ কৰা উচিত।

## সন্মিলিত বড়ো গণমঞ্চৰ অধিবেশনৰ প্ৰস্তুতি

**উৰিয়ামঘাট, ১০ জানুৱাৰী ঃ** সন্মিলিত বড়ো গণমঞ্চৰ গোলাঘাট জিলা সমিতিৰ বাৰ্ষিক অধিবেশন অহা দুই আৰু তিনি ফেব্ৰুৱাৰীত চিচুপানীৰ তেলিশাল ৰংগমঞ্চত অনুষ্ঠিত হ'ব। তদুপলক্ষে চিচুপানী গাঁও পঞ্চায়তৰ সভাকক্ষত গোলাঘাট জিলা সমিতিৰ বড়ো গণমঞ্চৰ অভ্যৰ্থনা সমিতি গঠনৰ উদ্দেশ্যে হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক মিলন ৰামচিয়াৰীয়ে। সভাত সন্মিলিত বড়ো গণমঞ্চৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক পীতাম্বৰ ব্ৰহ্ম, বড়ো কছাৰী কল্যাণ স্বায়ত্ত পৰিষদৰ অধ্যক্ষ গাম্বাৰু মুছাহাৰী, কাৰ্যবাহী সদস্য প্ৰদীপ স্বৰ্গীয়াৰী, গোলাঘাট জিলাৰ এবছুৰ উপদেষ্টা সিমাং বসুমতাৰী, ধনশিৰি জিলা ট্ৰাইবেল সংঘৰ প্ৰাক্তন সম্পাদক প্ৰফুল্ল বড়োৱে অধিবেশনৰ সৰ্বোত্তৰ প্ৰকাৰৰ সফল হোৱাৰ পৰামৰ্শ আগবঢ়ায়। দুই ফেব্ৰুৱাৰীত বিয়লি প্ৰতিনিধি সভা অৰু তিনি ফেব্ৰুৱাৰীৰ পুৱা পতাকা উত্তোলন, ছহিদ তৰ্পণ আৰু আবেলি মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাত সন্মিলিত বড়ো গণমঞ্চৰ কেন্দ্ৰীয় সভাপতি মনোৰঞ্জন বসুমতাৰী উপস্থিত থাকিব। ইয়াৰ উপৰি বড়ো কছাৰী স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্যৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ দল-সংগঠনৰ বিষয়ববীয়া উপস্থিত থাকিব।

## গোৱালপাৰা জিলা বড়ো সাহিত্য সভা-বড়ো ছাত্ৰ সন্থাৰ অধিবেশনৰ সামৰণি



অগ্ৰদূত বাৰ্তা

**দুধনৈ, ১০ জানুৱাৰী ঃ** ধূপধৰাৰ দীঘলীত যোৱা আঠ জানুৱাৰীত পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত গোৱালপাৰা জিলা বড়ো সাহিত্য সভাৰ ৪৫ সংখ্যক আৰু গোৱালপাৰা জিলা বড়ো ছাত্ৰ সন্থাৰ ৩৩ সংখ্যক অধিবেশনৰ কালি সামৰণি পৰে। অন্তিম দিনৰ কাৰ্যসূচী অনুসৰি বড়ো সাহিত্য সভা আৰু বড়ো ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে ক্ৰমে জিলা বড়ো সাহিত্য সভাৰ সভাপতি ৰবীন চন্দ্ৰ বড়ো আৰু জিলা বড়ো ছাত্ৰ সন্থাৰ সভাপতি সন্তোষ হাজোৱাৰীয়ে যুটীয়া সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাত অংশগ্ৰহণ কৰে বড়ো সাহিত্য সভাৰ সম্পাদক প্ৰশান্ত বড়ো, বড়ো ছাত্ৰ সন্থাৰ উপ-সভাপতি ৰোমদন বসুমতাৰীৰ লগতে গোৱালপাৰা জিলাৰ কে'বাটাও বড়ো সংগঠনৰ বিষয়ববীয়াসকল। ইপিনে, পৰহি প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি সাহিত্য প্ৰতিযোগিতা, ভলীবল প্ৰতিযোগিতা আৰু আলোচনাচক্ৰ অনুষ্ঠিত হয়। আনহাতে, নিশাৰ ভাগত অনুষ্ঠিত প্ৰতিনিধি সভাত গোৱালপাৰা জিলা বড়ো সাহিত্য সভাৰ পুৰণি সমিতি ভংগ কৰি জয়ন্ত পাটগিৰিক সভাপতি আৰু আকাশ খাখলাৰীক সম্পাদক হিচাপে লৈ নতুন সমিতি গঠন কৰা হয়।

## যোৰহাট জিলা কুৰ্মী মহিলা সভাৰ উদ্যোগত বাগৰদিয়াত বিশেষ অভিনন্দন অনুষ্ঠান

বিশেষ সংবাদদাতা

**নগাবাট, ১০ জানুৱাৰী ঃ** যোৰহাট জিলা কুৰ্মী মহিলা সভাৰ উদ্যোগত আৰু যোৰহাট জিলা কুৰ্মী সমাজ আৰু কুৰ্মী যুৱ ছাত্ৰ পৰিষদৰ সহযোগত তিতাবৰ মহকুমাৰ বাগৰদিয়াত কালি এক বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। বাগৰদিয়াস্থিত প্ৰৱীণ কুৰ্মীৰ 'শিৰিষ বহুমুখী কৃষি পাম আৰু গ্ৰাম্য পৰ্যটন ক্ষেত্ৰ'ত অনুষ্ঠিত এই অভিনন্দন অনুষ্ঠানত পঞ্চমবাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হোৱা মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, ৰাষ্ট্ৰীয় বঁটাপ্ৰাপক ৰজাবাহৰৰ যদুমণি চুতীয়াৰ লগতে বিভিন্ন প্ৰান্তৰ বহুসংখ্যক কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। যোৰহাট জিলা কুৰ্মী মহিলা সভাৰ সম্পাদিকা মামনি কুৰ্মীয়ে আঁত ধৰা আৰু সভানেত্ৰী বীণা কুৰ্মীৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত উদ্বোধনী ভাষণ প্ৰদান কৰে অসম কুৰ্মী সমাজৰ সাংগঠনিক সম্পাদক প্ৰৱীণ কুৰ্মীয়ে। সভাত সন্মানীয় অতিথি হিচাপে বিধায়ক ৰূপজ্যোতি কুৰ্মী, মুখ্য অতিথি হিচাপে অসম কুৰ্মী সমাজৰ ক্ৰমে উপদেষ্টা গংগাপ্ৰসাদ কুৰ্মী, জানুৰাম কুৰ্মী, সভাপতি চহনলাল কুৰ্মী, তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা, অসম কুৰ্মী যুৱ ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক নবীন কুৰ্মী, উপ সভাপতি কিৰণ কুৰ্মী, সহকাৰী সম্পাদক মিণ্টু কুৰ্মী, বিজেপিৰ চাহ জনগোষ্ঠী মৰ্চা অসম প্ৰদেশৰ সাধাৰণ সম্পাদক অঞ্জন কুৰ্মী, অৱসৰপ্ৰাপ্ত শিক্ষক বিমান শইকীয়া, বিশিষ্ট শিল্পী চেনিৰাম ওৰাং আদি প্ৰমুখ্যে বহুকেইজন সন্মানীয় অতিথিয়ে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীক উদ্দেশি সাৰলীল বক্তব্য প্ৰদান কৰে। সভাৰ আৰম্ভণিতে কে'বাগৰাকী ছাত্ৰীয়ে সমবেত সংগীত পৰিৱেশন কৰি অনুষ্ঠান জীপাল কৰি তোলে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ কে'বাশতাধিক ৰাইজৰ উপস্থিতিত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানৰ সফল ৰূপায়ণৰ বাবে সংবাদ মাধ্যমৰ যোগেদি কৃতজ্ঞতা জ্ঞাপন কৰিছে উদ্যোক্তা সমিতিৰ হৈ প্ৰৱীণ কুৰ্মীয়ে।

## চৰকাৰে ছয় জনগোষ্ঠীৰ মাজত ৰক্তাক্ত পৰিৱেশ সৃষ্টিৰ ষড়যন্ত্ৰ ৰচিছে

### ■ মৰাণত অসম জাতীয় পৰিষদৰ সমষ্টি সমিতিৰ অধিৱেশনত লুৰিণজ্যোতি গগৈ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ১০ জানুৱাৰী ঃ** অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অত্যাচাৰী শাসক আখ্যা দিছে। কালি চৰাইদেউ জিলাৰ মৰাণত আঞ্চলিক দলটোৰ সমষ্টি সমিতিৰ অধিৱেশনত অংশগ্ৰহণ কৰি গগৈয়ে অত্যাচাৰী শাসকৰ শেষ পৰিণতি অতি পুতৌজনক হোৱাৰ উদাহৰণ ইতিহাসত অলেখ আছে বুলিও মুখ্যমন্ত্ৰী শৰ্মাক কটাক্ষ কৰে। অসমত বিজেপি চৰকাৰে ধৰ্মৰ নামত, জাতিৰ নামত বিভাজনৰ ৰাজনীতি কৰি ভ্ৰাতৃঘাটি সংঘাত সৃষ্টিৰ অপচেষ্টা চলাইছে বুলি উল্লেখ কৰি অজাপৰ সভাপতি গগৈয়ে বৰ্তমানৰ জনজাতি আৰু জনজাতিৰ মৰ্যদা বিচাৰি থকা ছয় জনগোষ্ঠীৰ মাজত ৰক্তাক্ত পৰিৱেশ সৃষ্টিৰ ষড়যন্ত্ৰ ৰচনা কৰা বুলি কয়। বিজেপিৰ এনে ষড়যন্ত্ৰ আমি কেতিয়াও সফল হ'বলৈ নিদিওঁ বুলি লগতে সকিয়াই দিয়ে গগৈয়ে। দিল্লীৱালা বা নাগপুৰৱালাৰ শ্ৰুতলিপি শুনি অসমীয়া জাতিৰ ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতি, আচাৰ-পৰম্পৰা ধ্বংস কৰি নিজৰ আসন সুৰক্ষিত কৰাৰ স্বাৰ্থত কাম কৰা জাতিদ্ৰোহী নেতাক স্বাভিমানি অসমীয়াই ইতিমধ্যেই চিনি পাইছে বুলিও লগতে কয়।



ইফালে মাহমৰা সমষ্টিৰ খুমটাই চাহ বাগিছাত আয়োজিত অসম জাতীয় পৰিষদৰ সমষ্টি সমিতিৰ কালিৰ অধিৱেশনখন বন্ধ কৰিবৰ বাবে মন্ত্ৰী যোগেন মহনে স্থানীয়লোকক বিভিন্ন প্ৰকাৰে ভীতি প্ৰদৰ্শন কৰাৰ অভিযোগ উত্থাপন কৰি কাৰো ভয়-ভাবুকিৰে স্বাভিমানী অসমীয়াৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰাম স্তব্ধ কৰিব নোৱাৰে বুলি হুংকাৰ দিয়ে। দলটোৰ মাহমৰা সমিষ্টি সমিতিৰ সভাপতি ঘনশ্যাম চাহুৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় উপসভাপতি, প্ৰাক্তন বিধায়ক অনুপ কুমাৰ ফুকন, সম্পাদক বিশ্বজিত টিপমীয়া, চৰাইদেউ জিলাৰ সভাপতি মাণিক গগৈ, সম্পাদক বিপুল কুমাৰ ফুকন, কেন্দ্ৰীয় সাংগঠনিকৰ সম্পাদক টংকেশ্বৰ কোঁৱৰ, ৰঞ্জন কোঁৱৰ আৰু উৎপল শৰ্মা, মহিলা শক্তিৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদিকা মিলি কোৱৰ আদি নেতাই বক্তব্য আগবঢ়ায়। পুৱা দলৰ পতাকা উত্তোলন আৰু ছহিদ তৰ্পণ কাৰ্যসূচী সম্পন্ন হোৱাৰ পাচতে প্ৰতিনিধি সভা অনুষ্ঠিত হয়। মৰাণৰ খুমটাই চাহ বাগিছাৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত কালিৰ প্ৰতিনিধি সভাই পৰৱৰ্তী কাৰ্যকালৰ কাৰণে ঘনশ্যাম চাহুক সভাপতি, অচিন্ত্য মাধৱ বড়া আৰু ৰাজীৱ ৰাজকোঁৱৰক সম্পাদকৰূপে নিৰ্বাচিত কৰি অসম জাতীয় পৰিষদৰ মাহমৰা সমিষ্ট সমিতি গঠন কৰে।

■ আঞ্চলিক পঞ্চায়তৰ পুঁজি ব্যৱহাৰত বিসংগতিৰ তথ্য ■ চুতীয়া ছাত্ৰ সন্থাৰ স্মাৰকপত্ৰ

# কলীয়াপানী উন্নয়ন খণ্ডত উন্নয়নৰ নামত লুণ্ঠন


অগ্রদূত বাৰ্তা

**টীয়ক, ১০ ডিচেম্বৰ ঃ** টীয়কৰ কলীয়াপানী উন্নয়ন খণ্ডত আঞ্চলিক পঞ্চায়তৰ পুঁজি ব্যৱহাৰৰ ব্যাপক বিসংগতি হোৱাৰ তথ্য পোহৰলৈ আহিছে। উল্লেখ্য যে কলীয়াপানী উন্নয়ন খণ্ডৰ গৃহ মেৰামতি তথা শৌচাগাৰ মেৰামতিৰ নামত বৃহৎ পৰিমাণৰ পুঁজিৰ লুণ্ঠন চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। উত্থাপিত অভিযোগ মতে, উন্নয়ন খণ্ডৰ গৃহ মেৰামতিৰ নামত ৫,২২,৭৬৪ টকাৰ কোনো প্ৰাক্কলন প্ৰস্তুত নোহোৱাকৈ কাম আৰম্ভ কৰা হৈছে। নিয়ম অনুসৰি প্ৰাক্কলন প্ৰস্তুতৰ লগতে এখন নিৰ্মাণ সমিতি গঠন কৰিব লাগে; কিন্তু এই সকলো নীতি-নিয়ম জলাঞ্জলি দি কাম আৰম্ভ কৰা বিষয়টোৱে ৰাইজৰ চকু কপালত তুলিছে। এই বিষয়ে চুতীয়া ছাত্ৰ সন্থাৰ যোৰহাট জিলাই খণ্ড উন্নয়ন বিষয়াৰ পৰা জানিব বিচৰাত তেওঁ সদুত্তৰ দিব নোৱাৰিলে। আনকি তেওঁ বিষয়টো সন্দৰ্ভত অজ্ঞতাহে প্ৰকাশ কৰে। আনহাতে, শৌচাগাৰ মেৰামতিৰ নামত ধাৰ্য কৰা ২,৭২,৭৬৪ টকাৰ ক্ষেত্ৰতো অনুৰূপ ধৰণে কোনো প্ৰাক্কলন প্ৰস্তুত নকৰাৰ লগতে নিৰ্মাণ সমিতি গঠন নকৰাৰো অভিযোগ উত্থাপিত হৈছে। খণ্ড উন্নয়ন বিষয়া অজয় গগৈয়ে খণ্ড উন্নয়ন কাৰ্যালয়তে চলি থকা কামৰ ভু-নৰখা কাৰ্যই কাৰ্যালয়টোত চলি থকা অৰাজকতাৰ কথাকে প্ৰতীয়মান কৰিছে। আনহাতে, এই সমগ্ৰ কাৰ্যৰ লগত আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী পুণ্য কোচহে জড়িত বুলি কয় খণ্ড উন্নয়ন বিষয়াই। এই বিষয়ে বিভাগীয় অভিযন্তাৰ পৰা ছাত্ৰ সংগঠনটোৱে জানিব বিচৰাত কোনো ধৰণৰ নিৰ্মাণ সমিতি বৰ্তমানলৈ গঠন নোহোৱাৰ লগতে প্ৰাক্কলন প্ৰস্তুত নকৰা বুলিহে উল্লেখ কৰে। ছাত্ৰ সংগঠনটোৱে অভিযোগ কৰা মতে, সমগ্ৰ উন্নয়ন পুঁজি একমাত্ৰ লুণ্ঠনৰ স্বাৰ্থত আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰীগৰাকীয়ে মইমতালিভাৱে কাম কৰিছে। আনহাতে, উন্নয়ন খণ্ডৰ চৌহদৰ ভিতৰত এশজোপা সোণাৰু আৰু ৩০ জোপা ঔষধি গছ ৰোপণ কৰা দেখুৱাই লুণ্ঠন চলোৱাৰ তথ্য পোহৰলৈ আহিছে। এই পুলিসমূহ বেৰা দিয়াৰ নামত ১৫০ টা জাতি বাঁহ ১১০ টকাকৈ আৰু ৬০ টা ভলুকা বাঁহ ১৫০ টকাকৈ উলিয়াই নিয়ে; কিন্তু খণ্ড উন্নয়ন কাৰ্যালয় চৌহদত এই গছ পুলিৰ বৰ্তমান অস্তিত্ব নাই। উক্ত আঁচনিৰ পুঁজি ব্যৱহাৰতো আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী জড়িত থকাৰ অভিযোগ উঠিছে। এই দুৰ্নীতিৰ তদন্তৰ দাবীত আজি চুতীয়া ছাত্ৰ সন্থাৰ যোৰহাট জিলা সমিতিয়ে খণ্ড উন্নয়ন বিষয়াক স্মাৰকপত্ৰ প্ৰদান কৰে।

## ডাইনী কাণ্ডৰ বিৰুদ্ধে সজাগতা সৃষ্টি

## ডংকামোকামত সহযোগ অসমৰ দল


**গুৱাহাটী, ১০ জানুৱাৰী ঃ** বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নয়নৰ সময়তো অন্ধবিশ্বাস আৰু ডাইনী নিৰ্যাতনৰ দৰে ঘটনা সংঘটিত হোৱা বিষয়বোৰৰ অৱসান ঘটাই এখন সুস্থ নিকা সমাজ গঢ়াৰ লক্ষ্যৰে কালি পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছ'ৰ ডংকামোকামত উপস্থিত হয় সহযোগ অসম নামৰ স্বেচ্ছাসেৱী সংস্থাটোৰ এটি দল। এই দলটোত আছিল সহযোগ অসমৰ অধ্যক্ষা পূৰৱী বৰুৱা, কাৰ্যকৰী সদস্যা ইনু শৰ্মা আৰু প্ৰবীণ বৈশ্য। পশ্চিম কাৰ্বি আংলং জিলাৰ আৰক্ষী অধীক্ষক আৰংগ বসুমতাৰীয়ে সহযোগিতা আগবঢ়োৱা এই সজাগতা অনুষ্ঠানত সহযোগ অসমৰ সদস্যসকলে ডংকামোকামৰ বাসিন্দাসকলৰ মাজত সজাগতা আনিবলৈ চেষ্টা কৰে। সভাত উপস্থিত থাকে বৈঠালাংছ, থানাৰ আৰক্ষী বিষয়া সত্যজিৎ বৰাৰ লগতে ডংকামোকাম উপ-আৰক্ষী চকীৰ বিষয়াসকলো।



যোৱা চাৰি জানুৱাৰীত এই অঞ্চলৰে ছটা পৰিয়ালক ডাইনী সন্দেহত গাঁৱৰেই কিছু লোকে নিৰ্যাতন চলোৱাৰ ঘটনা পোহৰলৈ আহিছিল। কালি সহযোগ অসমৰ সদস্যসকলে দুয়ো পক্ষৰ লগত কথা পতাৰ লগতে সজাগতা অনুষ্ঠান অনুষ্ঠিত কৰি তেওঁলোকৰ মনৰ পৰা ভীতি আঁতৰাই সকলোকে পুনৰ স্বাভাৱিক জীৱন যাপনৰ ব্যৱস্থা কৰি দিয়ে।

## ভোগালীৰ প্ৰাকক্ষণত গহপুৰৰ বড়িগাঁৱৰ বয়োজ্যেষ্ঠৰ বিহু

■ জাকৈত ছয় বিহুৱাক সম্বৰ্ধনা



অগ্রদূত বাৰ্তা

**গহপুৰ, ১০ জানুৱাৰী ঃ** ভোগৰ উৎসৱ ভোগালী বিহুলৈ মাজত মাত্ৰ কেইটামান দিন থকা অৱস্থাত গহপুৰ মহকুমাৰ বড়িগাঁৱত বিহু মাৰি ভোগালীক আদৰণি জনালে কেইগৰাকীমান বয়োজ্যেষ্ঠ বিহুৱাৰ লগতে যুৱপ্ৰজন্মৰ বিহুৱাই। বড়িগাঁৱৰ 'জাকৈ' ৰেষ্টুৰেণ্টৰ বয়োজ্যেষ্ঠৰ আড্ডাঘৰত কালি সন্ধিয়া উক্ত বিহুৱাসকলে ঢোল-পেঁপা বজাই, বিহু গাই-নাচি মনৰ আনন্দ প্ৰকাশ কৰা পৰিলক্ষিত হয়। প্ৰাক ভোগালী উদ্‌যাপন অনুষ্ঠানত জাকৈ ৰেষ্টুৰেণ্ট আৰু সামাজিক প্ৰচাৰ মাধ্যম 'গহপুৰ নাউ'ৰ তৰফৰ পৰা তিনিগৰাকীকৈ বয়োজ্যেষ্ঠ আৰু ১৩ পৃষ্ঠাত চাওক

## বৰহোলাত কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ কুৰ্মী

তিতাবৰৰ বিধায়ক ভাস্কৰ জ্যোতি বৰুৱাক বিজেপিলৈ অহাৰ আহ্বান



বিশেষ সংবাদদাতা


**নগাবাট, ১০ জানুৱাৰী ঃ** এক বিশেষ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ আহি তিতাবৰ মহকুমাৰ বৰহোলাৰ বাগদিয়াত উপস্থিত হয় মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী। বিধায়কজনে সংবাদ মাধ্যমৰ আগত কংগ্ৰেছক ক্ষুৰধাৰ সমালোচনা কৰে। উল্লেখ্য যে কালি কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈয়ে তিতাবৰ সমষ্টিৰ বিভিন্ন প্ৰান্তত ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি বিজেপিক তীব্ৰ সমালোচনা কৰাৰ পাছতে ইয়াৰ প্ৰত্যুত্তৰ দিয়ে বিধায়ক কুৰ্মীয়ে। বিধায়কজনে কংগ্ৰেছ চৰকাৰৰ ৭০ বছৰীয়া কাৰ্যকালৰ চূড়ান্ত বিফলতাৰ কথা স্পষ্টকৈ উল্লেখ কৰি আজিৰ তাৰিখত কংগ্ৰেছ একেবাৰে নোহোৱা হৈ পৰিছে বুলিও কয়। তেওঁ আৰু কয় যে কোনে দুৰ্নীতি কৰিছে আৰু কোনে নাই কৰা ৰাইজে জানে। দীৰ্ঘসময়ৰ বাবে কংগ্ৰেছৰ চৰকাৰ আছিল। অসমত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ লগতে বিশেষকৈ চাহ জনগোষ্ঠীৰ লোকসকলকো প্ৰৱঞ্চনা কৰিলে কংগ্ৰেছে। চাহ জনগোষ্ঠীৰ লোকসকলৰ মজুৰি বৃদ্ধি নকৰিলে। ভাৰতৰ শাসন ব্যৱস্থাত ৬০ বছৰে কংগ্ৰেছ আছিল। চাহ জনগোষ্ঠীৰ লোকসকলক যেনেদৰে প্ৰাধান্য দিব লাগিছিল একেবাৰে নিদিলে। এতিয়া কেন্দ্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আৰু অসমত ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰ হোৱাৰ পৰা ইমান ১৩ পৃষ্ঠাত চাওক

## দীঘেলীত মাঘী পূৰ্ণিমা উপলক্ষে বাৰ্ষিক সভা মহোৎসৱৰ আয়োজন

অগ্রদূত বাৰ্তা

**নলবাৰী, ১০ জানুৱাৰী ঃ** নলবাৰী জিলাৰ দীঘেলীৰ গোপাল থানত পৱিত্ৰ মাঘৰ পূৰ্ণিমা উপলক্ষে বাৰ্ষিক সভা মহোৎসৱৰ আয়োজন কৰা হৈছে। অহা ১৬, ১৭ আৰু ১৮ জানুৱাৰীত তিনিদিনীয়াকৈ আয়োজন কৰা মহোৎসৱৰ কাৰ্যসূচী অনুসৰি, প্ৰথম দিনা পুৱা থানৰ পতাকা উত্তোলনেৰে গোপাল থান উন্নয়ন সমিতিৰ সভাপতি নগেন ডেকাই কাৰ্যসূচীৰ আৰম্ভ কৰিব। ইয়াৰ পাছত স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, খেল-ধেমালি, চিত্ৰাংকন, ঠাইতে লিখা ৰচনা, কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া বন্তি প্ৰজ্বলন, আতচবাজী প্ৰজ্বলন আৰু নাগাৰা নাম পৰিৱেশন কৰা হ'ব। দ্বিতীয় দিনা পুৱা হোমযজ্ঞ, মহাশান্তি আৰু পুষ্পাঞ্জলি, প্ৰসাদ বিতৰণ, ভোগ বিতৰণ আৰু সন্ধিয়া দ্বৈত বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া সাত বজাত সম্বৰ্ধনা অনুষ্ঠানৰ পাছত পূব নলবাৰী যুৱক সংঘৰ দ্বাৰা পূৰ্ণাংগ নাটক 'অস্তাচলৰ ৰবি' মঞ্চস্থ কৰা হ'ব। শেষৰ দিনা পুৱা সামূহিক চাফাই, বিবাহিত আৰু অবিবাহিতসকলৰ মাজত প্ৰীতি ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা আৰু আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব। অনুষ্ঠানত সকলো ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি অশ্বিনী কুমাৰ শৰ্মা আৰু সম্পাদক পংকজ বৰ্মনে কামনা কৰিছে।

## খুমটাইত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পূৰ্ব আঞ্চলিক শাখাৰ অধিৱেশনৰ সামৰণি



**খুমটাই, ১০ জানুৱাৰী ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বোকাখাত জিলা শাখাৰ অন্তৰ্গত পূৰ্ব আঞ্চলিক শাখাৰ অধিৱেশন দিনজোৱা কাৰ্যসূচীৰে খুমটাইৰ গেলেকীয়াল গাঁও নামঘৰত কালি অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱা পৰিৱেশ নিকাকৰণ, প্ৰাতঃপ্ৰসংগৰে আৰম্ভ হোৱা কাৰ্যসূচীত পুৱা ন বজাত অধিৱেশনৰ ধৰ্মধ্বজা উত্তোলন কৰে আঞ্চলিক শাখাৰ সভাপতি যতীন সিং ভূমিজে। পুৱা ১০ বজাত নাম-প্ৰসংগ অনুষ্ঠানৰ পাছতেই আঞ্চলিক শাখাৰ সভাপতি বাপৰ সঞ্চালনাত যৌথভাৱে অনুষ্ঠিত হয় প্ৰতিনিধি সভা, সাহিত্য, সংস্কৃতি, সেৱাবাহিনী, শিশু আই মাতৃ কল্যাণ সমিতি আদিৰ সভা। জিলাৰ প্ৰাক্তন শৰণ সদস্য মহেশ্বৰ ৰাজবংশীয়ে উদ্বোধন কৰা সভাখনিত জিলা সদস্য চন্দন বৰাই কেউটা দিশ সামৰি বক্তব্য প্ৰদান কৰে। দিনৰ এক বজাত আঞ্চলিক শাখাৰ সভাপতি যতিন সিং ভূমিজৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত সংঘৰ বোকাখাত জিলা শাখাৰ প্ৰাক্তন মূলৰ সদস্য তথা কমাৰগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ শোভন চন্দ্ৰ শইকীয়া নিৰ্দিষ্ট বক্তাৰূপে ভাষণ প্ৰদান কৰে। আঞ্চলিক শাখাৰ সম্পাদক দিগন্ত বৰাই আঁত ধৰা অনুষ্ঠানত সংঘৰ ১৩ পৃষ্ঠাত চাওক

## দেহাৰকুছি পঞ্চায়তত পঞ্চদশ বিত্তীয় আয়োগৰ আঠ আঁচনিৰ আধাৰশিলা



অগ্রদূত বাৰ্তা

**বাহাৰঘাট, ১০ জানুৱাৰী ঃ** নলবাৰী সমষ্টিৰ অন্তৰ্গত ১১ নম্বৰ দেহাৰকুছি গাঁও পঞ্চায়তৰ অধীনস্থ গাঁওসমূহত পঞ্চদশ বিত্তীয় আয়োগৰ আবণ্টিত ধনৰে মুঠ আঠটা আঁচনিৰ আধাৰশিলা আজি স্থাপন কৰা হয়। সমষ্টিটোৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাই অন্য ৰাজনৈতিক কাৰ্যসূচীত ৰাজ্যৰ বাহিৰত থাকিব লগা হোৱাত তেওঁৰ হৈ গাঁও পঞ্চায়তখনৰ সভাপতি যোগেশ্বৰ শৰ্মা, আঞ্চলিক সদস্য ফণীনাথ লহকৰ, বিজেপিৰ বড়িগোগ বনভাগ মণ্ডল সমিতিৰ সম্পাদক মনোজ ডেকা, শ্যামন্ত শৰ্মা, মৃগেন শৰ্মা, শক্তি কেন্দ্ৰৰ আহ্বায়ক যাদৱ দাস আদিয়ে আঁচনিকেইখন আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপন কৰি প্ৰতিজনে বিধায়কজনে গাঁও পঞ্চায়তসমূহত ৰাইজৰ বাবে লোৱা আঁচনিৰ তথ্য দাঙি ধৰে। তদুপৰি প্ৰতিখন আঁচনি ৰাইজৰ লগত আলোচনা কৰি প্ৰাককলন অনুযায়ী কৰাৰ বাবে নিৰ্মাণ সমিতিক আহ্বান জনায়। আঁচনিসমূহৰ ভিতৰত চতমা বাসন্তী পূজা মন্দিৰত ৰাণিং ওৱাটাৰ প্ৰজেক্ট, এখন শ্লেপকালভাৰ্ট, এটি পথৰ মেৰামতি আৰু নামখালা উপ-স্বাস্থ্য কেন্দ্ৰ গৃহৰ মেৰামতি, বৰখালা লক্ষীনাৰায়ণ যুৱক সংঘত শৌচাগাৰ নিৰ্মাণ, দেহাৰকুছি দুৰ্গা পূজা মণ্ডপত ৰাণিং ওৱাটাৰ প্ৰজেক্ট, পূৰ্ণকামদেৱ এল পি স্কুল চৌহদত পকীবেৰ আৰু পূৰ্ণদৈচপৰা বৰদৌলত প্ৰস্ৰাৱাগাৰসহ ৰাণিং ওৱাটাৰ প্ৰজেক্ট। কাৰ্যসূচীৰ আঁত ধৰে খনীন্দ্ৰ ১৩ পৃষ্ঠাত চাওক

## হাওৰাঘাটত সংগীত মহাবিদ্যালয়ৰ আৰম্ভ


■ অচিৰেই আৰম্ভ হ'ব পাঠদান



অগ্রদূত বাৰ্তা

**হাওৰাঘাট, ১০ জানুৱাৰী ঃ** হাওৰাঘাটৰ সাহিত্য-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰস্বৰূপ কিৰাত ভৱনত দেওবাৰে আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয় এখন সংগীত মহাবিদ্যালয়ৰ। হাওৰাঘাট-বৰবিলৰ উদীয়মান সাংবাদিক বিক্ৰম সন্দিকৈৰ তত্ত্বাৱধানত আৰু প্ৰবীণ শিল্পী জগন্নাথ গগৈৰ নেতৃত্বত জন্মলাভ কৰে সন্দিকৈ সংগীত মহাবিদ্যালয়ে। তবলা, হাৰমনিয়াম, গীটাৰ, ঢুলকি আৰু বাঁহীৰ সুৰত আকৌ এবাৰ প্ৰাণ পাই উঠিল কিৰাত ভৱন। সংগীতৰ এইসমূহ বাদ্যযন্ত্ৰৰ উপৰি জনগোষ্ঠীয় সংগীত-নৃত্যৰো পাঠ্যক্ৰম থাকিব এই সংগীত মহাবিদ্যালয়খনত। স্বত্বাধিকাৰী বিক্ৰম সন্দিকৈয়ে জনোৱা মতে, সংগীত মহাবিদ্যালয়ৰ লগতে ইয়াত ছাত্ৰ-ছাত্ৰীৰ বহুমুখী প্ৰতিভাক বিকাশৰ লক্ষ্যৰে কুইজ ক্লাব, তৰ্ক-কবিতা আবৃত্তিৰ কৰ্মশালা আৰু ইংৰাজী ভাষা চৰ্চাৰ ক্ষেত্ৰতো বিশেষ গুৰুত্ব প্ৰদান কৰা হ'ব। দেওবাৰে বন্তি প্ৰজ্বলনেৰে আনুষ্ঠানিকভাৱে এই সংগীত মহাবিদ্যালয়খনৰ আৰম্ভণি কৰে স্বত্বাধিকাৰী বিক্ৰম সন্দিকৈয়ে। পৰৱৰ্তী সময়ত সংগীত সূৰ্য ভাৰতৰত্ন ড° ভূপেন হাজৰিকা আৰু হাওৰাঘাটৰ সিংহ পুৰুষ ক্ষুদ্ৰ বৰাৰ আৱক্ষ মূৰ্তিত মাল্যাৰ্পণ কৰে ক্ৰমে সাংবাদিক ৰূপক দাস আৰু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰবক্তা বিজয় বসুমতাৰীয়ে। সাংবাদিক ৰূপক দাসে এই সংগীত মহাবিদ্যালয়খনে বৃহত্তৰ হাওৰাঘাট অঞ্চলত সংস্কৃতিৰ পথাৰত এক নতুন ধাৰাৰ সূচনা কৰিব বুলিও মন্তব্য আগবঢ়ায়।

## নামতিৰ কাকত এজেন্সীৰ বাটকটীয়া দিলীপ দত্তৰ মৃত্যু



অগ্রদূত বাৰ্তা

**নামতি, ১০ জানুৱাৰী ঃ** ৭০ৰ দশকত এখন চাইকেলত এজাপ বাতৰি কাকত বান্ধি নামতি অঞ্চলৰ ঘৰে ঘৰে বিলাই পাছলৈ নিজাকৈ এজেন্সী খুলি এক বৃহৎ অঞ্চলৰ বাতৰি কাকত বিতৰক হিচাপে প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হোৱা নামতি ষ্টেছন চাৰিআলিৰ প্ৰথম বাতৰি কাকতৰ হকাৰ তথা এজেণ্ট দিলীপ দত্তৰ উচ্চ ৰক্তচাপত ভুগি আজি নামতি পেৰাভাৰী গাঁৱৰ নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত দত্তৰ বয়স আছিল ৬১ বছৰ। পত্নীসহ এজন পুত্ৰ তেওঁ ইহসংসাৰত এৰি গৈছে। দত্তৰ মৃত্যুত নামতি প্ৰেছ গীল্ড, নামতি ব্যৱসায়ী সন্থা, নিউ লাইব্ৰেৰী, সদৌ অসম আহোম সভা, নামতি আঞ্চলিক সমিতি, প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ সমিতি, তাই ভাষা সংস্কৃতি সংৰক্ষণ সমিতি আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

## কৃষ্ণাইৰ মাজজাখিলিত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ সামগ্ৰী বিতৰণ

অগ্রদূত বাৰ্তা

**কৃষ্ণাই, ১০ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত ১৭ নম্বৰ মাজজাখিলি পৰিষদীয় সমষ্টিত আজি পাঁচশ হিতাধিকাৰীৰ মাজত বিছনাৰ সামগ্ৰী বিতৰণ কৰা হয়। ২০২০-২১ৰ সামগ্ৰী বিতৰণী অনুষ্ঠান অনুষ্ঠিত হয় মাজজাখিলি ভূপেন হাজৰিকা মুকলি মঞ্চত। অনুষ্ঠানত মুঠ পাঁচশগৰাকী মহিলা হিতাধিকাৰীৰ মাজত একোখনকৈ বিছনা চাদৰ, আঁঠুৰা আৰু কম্বল বিতৰণ কৰা হয়। দুপৰীয়া অনুষ্ঠিত সামগ্ৰী বিতৰণী অনুষ্ঠানত উপস্থিত থাকে চাহ জনজাতি ছাত্ৰ সন্থাৰ গোৱালপাৰা জিলা সমিতিৰ উপদেষ্টা নিৰ্মল চাহু, সূৰ্যগিৰি আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি বিজু ফুকন ৰাভাকে ধৰি কে'বাগৰাকী জনগোষ্ঠীয় নেতৃস্থানীয় লোক।

## তিনিচুকীয়াত ক'ভিড-১৯ৰ বুষ্টাৰ ড'জ প্ৰদান প্ৰক্ৰিয়াৰ আৰম্ভণি

অগ্রদূত বাৰ্তা

**তিনিচুকীয়া, ১০ জানুৱাৰী ঃ** সমগ্ৰ ৰাজ্যৰ লগতে তিনিচুকীয়া জিলাতো আজি চিকিৎসা সেৱাৰ স'তে জড়িত লোকসকলৰ লগতে ফ্ৰণ্টলাইনৰ কৰ্মী তথা বয়োজ্যেষ্ঠ নাগৰিকসকলৰ বাবে ক'ভিড-১৯ৰ বুষ্টাৰ ড'জ প্ৰদান কাৰ্যসূচীৰ উদ্বোধন কৰে তিনিচুকীয়া জিলা স্বাস্থ্য বিভাগৰ অতিৰিক্ত উপায়ুক্ত ডীপু কুমাৰ ডেকাই। তিনিচুকীয়া জিলা অসামৰিক চিকিৎসালয়ত ক'ভিড-১৯ৰ বুষ্টাৰ ড'জ প্ৰদান কাৰ্যসূচীৰ উদ্বোধন কৰি স্বাস্থ্য বিভাগৰ অতিৰিক্ত উপায়ুক্ত ডীপু কুমাৰ ডেকাই জিলাখনৰ সকলো চিকিৎসক, নাৰ্চ তথা স্বাস্থ্যকৰ্মীৰ লগতে সকলো ফ্ৰণ্টলাইন কৰ্মচাৰী আৰু বয়োজ্যেষ্ঠ নাগৰিকসকলক ক'ভিড-১৯ৰ দ্বিতীয় পালি প্ৰতিষেধক গ্ৰহণৰ ৯০ দিনৰ পাছত বুষ্টাৰ ড'জ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। আজিৰ উদ্বোধনী কাৰ্যসূচীত অতিৰিক্ত উপায়ুক্ত ডীপু কুমাৰ ডেকাই ক'ভিড-১৯ৰ বুষ্টাৰ ড'জ গ্ৰহণ কৰে। তেওঁৰ লগতে তিনিচুকীয়া জিলা অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ জ্যোতিৰ্ময় শৰ্মাই ক'ভিড-১৯ৰ বুষ্টাৰ ড'জ গ্ৰহণ কৰে।

## দিনজোৱা কাৰ্যসূচীৰে প্ৰাক্তন সৈনিক সংস্থাৰ বাৰ্ষিক অধিৱেশনৰ সামৰণি

অগ্রদূত বাৰ্তা

**আজাৰা, ১০ জানুৱাৰী ঃ** বৰঝাৰৰ প্ৰাক্তন সৈনিক সংস্থাৰ দ্বাবিংশতিতম বাৰ্ষিক অধিৱেশনখন যোৱা ন জানুৱাৰীত দিনজোৱা কাৰ্যসূচীৰে আজাৰাৰ হৰি গায়ত্ৰী দাস মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যায়। উক্ত দিনা পুৱা সংস্থাৰ সভাপতি শৰৎ শৰ্মাই পতাকা উত্তোলনেৰে অধিৱেশনৰ কাৰ্যসূচীৰ আৰম্ভ কৰে। ইয়াৰ পাছতে ছহিদ বেদীত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি তৰ্পণ কৰে ক্ৰমে কনক চন্দ্ৰ শৰ্মা আৰু হালিম মহম্মদে। উইং কমাণ্ডাৰ গোবিন্দ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন প্ৰাক্তন সৈনিক সংস্থাৰ মহিলা সদস্যসকলে পৰিৱেশন কৰা দিহা নামেৰে মুকলি কৰা হয়। ইয়াৰ পাছতে সংস্থাৰ সম্পাদক নন্দেশ্বৰ ভট্টাচাৰ্যই সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে। সভাত ৰাজ্যিক সৈনিক ব'ৰ্ডৰ সঞ্চালক ব্ৰিগেডিয়াৰ এন ডি জি ডি যোছী (অৱসৰপ্ৰাপ্ত)-এ নিৰ্দিষ্ট বক্তা, কৰ্ণেল ৰবীন দাস আৰু হৰি গায়ত্ৰী দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিজু বৰুৱাই বিশিষ্ট আলহী হিচাপে অংশগ্ৰহণ কৰে। উক্ত সভাতে স্মৰণিকা উন্মোচন কৰে জিলা সৈনিক ব'ৰ্ডৰ সৈনিক কল্যাণ বিষয়া গ্ৰুপ কেপ্টেইন কনক চন্দ্ৰ কলিতাই। ইয়াৰ লগতে প্ৰাক্তন সৈনিক অক্ষেন্দ্ৰ সিংহৰ দ্বাৰা ৰচিত বৰঝাৰ প্ৰাক্তন সৈনিক সংস্থাৰ শীৰ্ষ গীতটো আনুষ্ঠানিকভাৱে মুকলি কৰে হৰি গায়ত্ৰী দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিজু বৰুৱাই। আবেলি সংস্থাৰ সদস্যসকলে গীত-মাত পৰিৱেশন কৰে।

## টুপামাৰী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এম্বুলেন্স প্ৰদান



অগ্রদূত বাৰ্তা

**আলোপতি, ১০ জানুৱাৰী ঃ** বিধায়িকা নন্দিতা দাসে তেওঁৰ বিধায়ক উন্নয়ন পুঁজিৰে প্ৰদান কৰে এম্বুলেন্স। আজি বিধায়িকাগৰাকীয়ে এম্বুলেন্সখন চলাই মুকলি কৰে। এই উপলক্ষে স্বাস্থ্য কেন্দ্ৰ প্ৰাংগণত এক সভা অনুষ্ঠিত কৰা হয়। সভাত স্বাস্থ্য বিষয়া দীপক কুমাৰ দাস, স্বাস্থ্য কেন্দ্ৰটোৰ পৰিচালনা সমিতিৰ সভাপতি তথা সমাজকৰ্মী আমজাদ আলী, ছমৰীয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি ৰফিকুল ইছলাম, ছমৰীয়া ব্লক মহিলা কংগ্ৰেছৰ সভানেত্ৰী ছুফিয়া আহমেদ, আলহাজ জুলহক আলী, সমাজকৰ্মী আব্দুল হান্নান চৌধুৰী আদিয়ে উপস্থিত থাকে। বৃহত্তৰ অঞ্চলটোৰ দীৰ্ঘদিনীয়া সমস্যা সমাধান হোৱাত ৰাইজে সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে স্বাস্থ্য কেন্দ্ৰটোৰ বিভিন্ন সমস্যা আৰু অভাৱ সম্পৰ্কে সভাত উপস্থিত বিধায়িকা দাসক অৱগত কৰে।

## সামৰণি পৰিল সদৌ কুকুৰখোৱা বংশৰ বংশাৱলী সভাৰ ত্ৰিবাৰ্ষিক অধিৱেশন

অগ্রদূত বাৰ্তা

**তালাপ, ১০ জানুৱাৰী ঃ** আৱহমান কালৰে পৰা অসমত তথা উত্তৰ- পূৰ্বাঞ্চলত বসবাস কৰি অহা মৰাণ জনগোষ্ঠীৰ খেল বংশসমূহৰ ভিতৰত এটা উল্লেখনীয় বংশ হ'ল কুকুৰখোৱা বংশ। বংশটোৰ প্ৰথম ত্ৰিবাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনখন আঠ জানুৱাৰীৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে তিনিচুকীয়া জিলাৰ কৰ্দৈগুৰি আঞ্চলিক সমিতিৰ আতিথ্যত আৰু ৰাইজৰ সহযোগত কৰ্দৈগুৰি গাঁৱৰ 'পূৰ্ণকান্ত বৰুৱা সমন্বয় ক্ষেত্ৰত' অনুষ্ঠিত হয়। আঠ জানুৱাৰীৰ পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, ক্ষেত্ৰ উদ্বোধন, 'স্বৰ্গীয় মণিকান্ত মৰাণ সোঁৱৰণী মঞ্চ' উন্মোচন কৰা হয়। পুৱা ১১ বজাৰ পৰা ৰচনা, চিত্ৰাংকন, কুইজ আদি প্ৰতিযোগিতা। দিনৰ এক বজাৰ পৰা প্ৰতিনিধি শিবিৰ মুকলি, বন্তি প্ৰজ্বলন কৰাৰ পাছত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। ইপিনে, আবেলি চাৰি বজাৰ পৰা অনুষ্ঠিত হোৱা 'বংশধৰসকলৰ মাজত অন্তৰংগ' আলাপ' অনুষ্ঠান সঞ্চালনা কৰে অভিনেতা ঋতুৰাজ মেধি আৰু সাংবাদিক জয়ন্ত মৰাণে।



আবেলি পাঁচ বজাত স্মৃতিগ্ৰন্থ 'শিপা' উন্মোচন কৰে অনাতাঁৰ শিল্পী এলিন মেছে। আনহাতে, সন্ধিয়া ছয় বজাত 'সুৰ সমলয়' প্ৰতিযোগিতা অনুষ্ঠিত হয়। পৰহি পুৱা মাৰাথন দৌৰ প্ৰতিযোগিতা, সামূহিক চাফাই অভিযান, অনুষ্ঠিত কৰা হয়। দিনৰ ১১ বজাত কেৰিয়াৰ কাউঞ্চেলিং অনুষ্ঠানটো সঞ্চালনা কৰে কৰ্দৈগুৰি কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ যুগান্ত মৰাণে তদুপৰি সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে যুগ্য ফুকন আৰু মানিক মৰাণে। আবেলি চাৰি বজাৰ পৰা অনুষ্ঠিত মুকলি সভা, বঁটা বিতৰণী সভা আৰু সম্বৰ্ধনা অনুষ্ঠান উদ্বোধন কৰে কুকুৰ খোৱা বংশৰ কেন্দ্ৰীয় সমিতিৰ উপ- সভাপতি শৈলেন মৰাণে আৰু সভাপতিত্ব কৰে বংশাৱলী সভাখনৰ কেন্দ্ৰীয় সভাপতি তাৰৱ বৰুৱাই। উক্ত সভাতেই বংশাৱলী সভাখনৰ আলোচনী সম্পাদক দেৱকান্ত মৰাণৰ সম্পাদনাত প্ৰকাশ পোৱা মুখপত্ৰ 'ভুঁই' উন্মোচন কৰে মৰাণ স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য শান্তনু মৰাণে। উক্ত মুকলি সভাতে বিভিন্ন ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতা দেখুওৱা কুকুৰ খোৱা বংশৰ প্ৰতিষ্ঠাপক সম্পাদক তুলসী প্ৰসাদ মৰাণ, ফণীধৰ ১৩ পৃষ্ঠাত চাওক

## চৰাইদেউ জিলাত ক'ভিড-১৯ৰ তৃতীয় ঢৌৰ সন্দৰ্ভত এক পৰ্যালোচনা

অগ্রদূত বাৰ্তা

**মৰাণ, ১০ জানুৱাৰী ঃ** চৰাইদেউ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত উপায়ুক্ত পল বৰুৱাৰ পৌৰোহিত্যত আজি ক'ভিড-১৯ৰ তৃতীয় ঢৌৰ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত উপায়ুক্তই ক'ভিড-১৯ মহামাৰীক প্ৰতিহত কৰিবলৈ ল'বলগীয়া সাৱধানতাসমূহৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰাৰ লগতে সকলো জিলাবাসী ৰাইজক প্ৰশাসনৰ লগত সহায়-সহযোগ আগবঢ়াবলৈ আহ্বান জনায়। বৈঠকত অতিৰিক্ত উপায়ুক্তত্ৰয় জাবেদ আৰমান, মৌচুমী চেতিয়া, জিলমী শইকীয়া, আৰক্ষী অধীক্ষক সুধাকৰ সিং, মহকুমাধিপতি (সদৰ) প্ৰাঞ্জল প্ৰতিম কোঁৱৰ, মিতালী লহকৰ, জিলা ক্ৰীড়া বিষয়া সমুজ্জ্বল বড়া, জিলাখনৰ কাৰ্যবাহী দণ্ডাধীশসকল, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালিকা ড° নিজৰা দেৱীৰ লগতে এন এইছ এমৰ বিষয়াসকলো উপস্থিত থাকে।

# অসম দাপোণ

দৈনিক অগ্রদূত

গুৱাহাটী, ১১ জানুৱাৰী, মঙলবাৰ, ২০২২ পৃষ্ঠা ১৪


## লখিমপুৰ জিলাৰ ৩০৬জন ঠিকাভিত্তিক শিক্ষকৰ শ্ৰেণী বৰ্জন

**অগ্ৰদূত বাৰ্তা**

**বান্দৰদেৱা, ১০ জানুৱাৰী ঃ** লখিমপুৰ জিলাৰ ১৪৪খন বিদ্যালয়ৰ ৩০৬জন অতিৰিক্ত (ঠিকা ভিত্তিক) শিক্ষকে চাৰিমাহ ধৰি দৰমহা নোপোৱাৰ প্ৰতিবাদত আজিৰে পৰা শ্ৰেণী বৰ্জনেৰে প্ৰতিবাদ সাব্যস্ত কৰে। জিলাখনৰ আন আন বিদ্যালয়ৰ লগতে হাৰমতী উঃ মাঃ বিদ্যালয়ৰ দুই ঠিকাভিত্তিক শিক্ষক পংকজ নেওগ (গণিত/বিজ্ঞান) আৰু দিতিমণি হাজৰিকা (সমাজ বিজ্ঞান)ই পাঠদান গ্ৰহণৰ পৰা বিৰত থাকে। যাৰ বাবে ২৬০জন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হ'ব লগা হয়।

## নটসূৰ্য-মঞ্চকোঁৱৰ-সুধাকণ্ঠৰ স্মৃতি বুকুত সাৱটি গ'লগৈ অভিনেতা তেজপুৰৰ চৈয়দ হুছেইন



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১০ জানুৱাৰী ঃ** প্ৰচাৰবিমুখ প্ৰবীণ অভিনেতা তেজপুৰ নিবাসী চৈয়দ হুছেইন (৭৯)ৰ নিজা বাসভৱনত কালি সন্ধিয়া বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। এসময়ত নটসূৰ্য ফণী শৰ্মাৰ পৰিচালিত আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সংগীত পৰিচালনাত শোণিতপুৰ পিকচাৰ্ছৰ দ্বাৰা নিবেদিত 'ধুমুহা' নামৰ ছবিত খলনায়কৰ অভিনয় কৰি খলকনি তুলিছিল এইজন শিল্পীয়ে। তেওঁ নটসূৰ্যৰ সান্নিধ্য আৰু ভূপেন হাজৰিকাৰ মৰমৰ স্মৃতি স্মৰণৰেই পৰৱৰ্তী জীৱন আত্মতুষ্টিৰে অতিবাহিত কৰে। সুধাকণ্ঠই পৰিধান কৰা টুপীৰ দৰেই তেওঁ টুপী চিলাই লৈ পৰিধান কৰি আহিছিল এইজন অভিনেতাই। ১৯৪৩ৰ ১২ মাৰ্চত জন্মগ্ৰহণ কৰা এইজন অভিনেতাই নটসূৰ্য-সুধাকণ্ঠৰ স্মৃতি লৈ ১৯৫৭ত শোণিতপুৰ পিকচাৰ্ছৰ বেনাৰত নিৰ্মিত 'ধুমুহা' চলচ্চিত্ৰত নটসূৰ্য ফণী শৰ্মাৰ লগতে মঞ্চকোঁৱৰ চন্দ্ৰধৰ গোস্বামী, প্ৰয়াত তুলসী দাস, হিতেশ্বৰ মহন্ত, কুলেন গোস্বামী, দুলাল গোস্বামী, অমলেন্দু বাগচি, দুৰ্লভ শইকীয়া, দয়াল দত্ত, তৰুণ দুৱৰা চামচুল হুদা, ঋষি বেনাৰ্জীকে আদি কৰি বহু সংখ্যকৰ লগত অভিনয় কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ হিন্দী, ভোজপুৰী, বাংলা আৰু অসমীয়া ভাষাৰ ৪০ খনৰো অধিক নাটকত অভিনয় কৰিছিল। কিন্তু কালক্ৰমত এইজন প্ৰচাৰ বিমুখ অভিনেতা সকলোৰে অলক্ষিতেই থাকি গ'ল। কোনো দিনাই বঁটা বাহনৰ হাবিয়াস নকৰা আৰু ৰাজ্য চৰকাৰৰ শিল্পী পেঞ্চনৰো আবেদন নকৰা এইজন প্ৰবীণ অভিনেতাৰ বিয়োগত তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভা, প্ৰাক্তন বিধায়ক বৃন্দাবন গোস্বামী, অসম নাট্য সন্মিলনৰ উপ-সভাপতি মৃগেন বৰা, বাণ থিয়েটাৰৰ সাধাৰণ সম্পাদক জিতুমণি দেৱচৌধুৰী, এমট্ৰনৰ উপাধ্যক্ষ ঋতুবৰণ শৰ্মা, জ্যেষ্ঠ কংগ্ৰেছ নেতা মাধুৰ্য্য গোস্বামী, সাংস্কৃতিক কৰ্মী শান্তনু মহন্ত, বাণ থিয়েটাৰ, বাঁহবাৰী ঊষা নাট্য সমাজ, নটৰাজম কলা মন্দিৰ, শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নকে ধৰি বহু সংখ্যক ব্যক্তি তথা অনুষ্ঠানে শোক প্ৰকাশ কৰিছে।

## মাজুলীত ক'ভিড-১৯ৰ সুৰক্ষাসূচক পালি গ্ৰহণৰ আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১০ জানুৱাৰী ঃ** সমগ্ৰ ৰাজ্যৰ লগতে মাজুলীত জিলা প্ৰশাসন আৰু চিকিৎসা সেৱা বিভাগৰ দ্বাৰা আজিৰ পৰা ক'ভিড-১৯ৰ সুৰক্ষাসূচক পালি গ্ৰহণ কাৰ্যসূচী আৰম্ভ কৰা হয়। এই উপলক্ষে গড়মূৰৰ শ্ৰীশ্ৰী পিতাম্বৰদেৱ গোস্বামী জিলা অসামৰিক চিকিৎসালয়ে আয়োজন কৰা এক কাৰ্যসূচীত উপায়ুক্ত পুলক মহন্তই প্ৰথমপালি প্ৰতিষেধক নিজে গ্ৰহণ কৰে। যি সকলে দ্বিতীয় পালি প্ৰতিষেধক পূৰ্বতে গ্ৰহণ কৰিছে আৰু যিসকল ব্যক্তিৰ বয়স ৬০ বা উৰ্ধ্বত, যিসকলৰ শৰীৰত কোনো ৰোগৰ উপসৰ্গ আছে আৰু যিসকল ব্যক্তিয়ে দ্বিতীয় পালি প্ৰতিষেধক গ্ৰহণ কৰা ন মাহ তথা ৩৯ সপ্তাহ অতিক্ৰম কৰিছে সেই সকলক এই টিকা গ্ৰহণ কৰিবলৈ তেওঁ অনুৰোধ জনায়। উক্ত অনুষ্ঠানতে আৰক্ষী অধীক্ষক গৌতম বৰাই নিজে ক'ভিড-১৯ সুৰক্ষাসূচক পালি গ্ৰহণ কৰে। লগতে এই ক'ভিড মহামাৰীৰ পৰা নিজৰ লগতে পৰিয়াল তথা সমাজক বচাই ৰাখি চলা-ফুৰা কৰিবলৈ হ'লে মাস্ক, ছেনিটাইজাৰ ব্যৱহাৰ আৰু সামাজিক দূৰত্ব বজাই ৰাখিবলৈ আহ্বান জনায়। অতিৰিক্ত উপায়ুক্ত বিপুল কুমাৰ দাস, অৰিন্দম বৰুৱা, জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ড° নীলকান্ত পেগু, বৰবাৰী গাঁৱৰ ৬০ ঊৰ্ধ্বৰ ব্যক্তি মাণিক বৰাৰ লগতে অন্যান্য স্বাস্থ্য সেৱা কৰ্মী, আগশাৰীৰ কৰ্মীসকলে ক'ভিড-১৯ সুৰক্ষাসূচক পালি গ্ৰহণ কৰে। অনুষ্ঠানত অতিৰিক্ত উপায়ুক্ত কাৰ্তিক কলিতা আৰু চিকিৎসা বিষয়াসকল উপস্থিত থাকে।



■ কৰ'নাৰ আতংকৰ মাজতে ভোগালীৰ আগমন

## মেঘালয়তো ভোগালীৰ পাৰভঙা উছাহ



**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ১০ জানুৱাৰী ঃ** কৰ'নাৰ নতুন সংক্ৰমণ অ'মিক্ৰনৰ আতংকৰ মাজতে ৰাজ্যৰ চৌদিশে এতিয়া ভোগালী বিহুকেন্দ্ৰিক উখল-মাখল পৰিৱেশ। এনে পৰিৱেশৰ পৰা পিছপৰি ৰোৱা নাই আমাৰ চুবুৰীয়া ৰাজ্য মেঘালয়ো। ভোগালীৰ প্ৰাকমুহূৰ্তত চুবুৰীয়া মেঘালয়তো দেখা গৈছে হেঁপাহৰ ভোগালী বিহুৰ পাৰ ভঙা উছাহ। ভৌগোলিকভাৱে বিচ্ছিন্ন হ'লেও মেঘালয়ত বসবাস কৰা ৰাভা জনগোষ্ঠীৰ লোকসকলে এতিয়াও পাহৰিব পৰা নাই অসমীয়াৰ পৰম্পৰা। সেই পৰম্পৰা ৰক্ষা কৰিয়েই মেঘালয়ৰ উত্তৰ গাৰোপাহাৰ জিলাৰ হৰিণকাটাত অসমীয়াৰ হেঁপাহৰ ভোগালীক আদৰাৰ প্ৰস্তুতি চলিছে। উল্লেখ্য যে মেঘালয়ত বসবাস কৰা ৰাভা জনগোষ্ঠীৰ লোকসকলে আজিও এৰা নাই অসমীয়া লোকৰে আত্মীয়তা। পাহৰা নাই অসমীয়াৰ সংস্কৃতিৰ কথা। যাৰ বাবে মেঘালয়ত বসবাস কৰা ৰাভা জনগোষ্ঠীৰ লোকসকলে অসমৰ প্ৰতিটো উৎসৱ ধুমধামেৰে পালন কৰি আহিছে। ৰঙালী, কঙালী কিম্বা ভোগালী প্ৰত্যেকটো উৎসৱে মেঘালয়ত বসবাস কৰা ৰাভা জনগোষ্ঠীৰ লোকসকলৰ বাবে হেঁপাহৰ উৎসৱ। মেঘালয়ৰ উত্তৰ গাৰোপাহাৰৰ অকল হৰিণকাটাই নহয়, মাণিকগঞ্জ, ৰ'ম, দাৰাম সকলোতে উখল-মাখল পৰিৱেশ।

## উৰিয়ামঘাটত ডাম্পাৰৰ খুন্দাত নিহত ব্যৱসায়ী

**উৰিয়ামঘাট, ১০ জানুৱাৰী ঃ** বাছষ্টেণ্ডৰ সমীপত ডাম্পাৰৰ খুন্দাত সুভাষ জাঠ (৫৫) নামৰ এজন ব্যৱসায়ীৰ মৃত্যু হয়। ব্যৱসায়ীজনক এ এছ-০৫ চি-১৩৭৭ নম্বৰৰ ডাম্পাৰখনে খুন্দিওৱাত ঘটনাস্থলীতে তেওঁৰ মৃত্যু হয়। উল্লেখ্য যে উৰিয়ামঘাটৰ অসম-নগালেণ্ড সীমান্তৰ দৈয়াং নদীৰ পৰা দৈনিক শ শ ডাম্পাৰে শিল কঢ়িয়াই মূল পথটোত দ গাঁৱৰ সৃষ্টি কৰাত দুৰ্ঘটনা সংঘটিত হোৱা বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে।

## বৌয়েকে হত্যা কৰি পত্নীৰ জ্ঞাতে দুদিনে ঘৰৰ ভিতৰতে পেলাই থলে মৃতদেহ

### ৰঙাপৰাত নৃশংস হত্যাকাণ্ড

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ১০ জানুৱাৰী ঃ** ৰঙাপৰাত সংঘটিত হৈছে এক নৃশংস হত্যাকাণ্ড। ৰঙাপৰা আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ নামনি গাঁৱত সংঘটিত হৈছে এই ঘটনা। এক নম্বৰ নামনি গাঁৱৰ নিবাসী ৰতন বৰুৱাক বৌয়েক পিংকী কৰ্মকাৰে শনিবাৰে নিশা এডাল লাঠিৰে মৰিয়াই মৰিয়াই হত্যা কৰে বুলি আৰক্ষী সূত্ৰই সদৰী কৰিছে। হত্যাকাণ্ড সংঘটিত কৰি ৰতনৰ পত্নী অষ্টমী বৰুৱাৰ জ্ঞাতে ঘৰৰ ভিতৰতে মৃতদেহটো লুকুৱাই থোৱা বুলি অভিযোগ উঠিছে। শনিবাৰৰ পৰা ৰতনক গাঁওবাসীয়ে গাঁৱত নেদেখাত পত্নীক সোধাপোছা কৰিছিল। আজি গাঁৱৰ ৰাইজে ৰতনৰ মৃতদেহ ঘৰৰ ভিতৰত প্ৰত্যক্ষ কৰে আৰু ৰঙাপৰা আৰক্ষীক খবৰ দিয়াত ৰঙাপৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱেন বৰাৰ নেতৃত্বত আৰক্ষীৰ এটি দলে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে পত্নী অষ্টমীক সোধাপোছাৰ বাবে থানালৈ লৈ আহে। স্বামী ৰতন আৰু পত্নী অষ্টমীৰ মাজত প্ৰায়ে কাজিয়াৰ সূত্ৰপাত হৈছিল বুলি স্থানীয় ৰাইজে আৰক্ষীক জানিব দিয়ে। যাৰ বাবে পত্নী অষ্টমীয়ে পিংকীৰ স'তে মিলি স্বামী ৰতনক হত্যা কৰা বুলি সন্দেহ কৰা হৈছে। আনহাতে, হত্যাকাণ্ডৰ স'তে জড়িত পিংকী বৰ্তমান পলাতক হৈ আছে। আৰক্ষীয়ে ঘটনাটোৰ সন্দৰ্ভত গোচৰ ৰুজু কৰি ঘটনাটোৰ তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

কণ কণ শিশুৰ মাজত পুষ্টিকৰ খাদ্য বিতৰণ

## চতিয়া সমষ্টিত ১১টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন বিধায়কৰ



**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১০ জানুৱাৰী ঃ** চতিয়া সমষ্টিৰ বিভিন্ন প্ৰান্তত আজি একেদিনাই ১১টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ গৃহ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে বিধায়ক পদ্ম হাজৰিকাই। বিধানসভা সমষ্টিৰ অন্তৰ্গত গামানী, চমাৰদলনী, দুই নম্বৰ বালিজুৰি, ৰঙাচকুৱা, ভানুপুৰ এদেনবাৰী, পহুচোৰা, চামধৰা, ওপৰ টলকাবাৰী কৰৈয়নী চাপৰি, হোলাকান মাজগাঁৱকে ধৰি ১১খনকৈ গাঁৱত এই আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ গৃহৰ আধাৰশিলা স্থাপন কৰে। প্ৰতিটো আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ বিপৰীতে চৰকাৰে ২৫ লাখকৈ টকা আবণ্টন দিছে। এই আটকধুনীয়া গৃহসমূহত কণ কণ শিশুসকলে বৌদ্ধিক-মানসিক উৎকৰ্ষ সাধনৰ বাবে যথেষ্ট সুবিধা লাভ কৰিব বুলি মন্তব্য কৰে বিধায়ক হাজৰিকাই। পুৱাৰে পৰা দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত আধাৰশিলা অনুষ্ঠানত শোণিতপুৰ জিলা সমাজকল্যাণ বিষয়া, নদুৱাৰ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া, নদুৱাৰ খণ্ড উন্নয়ন বিষয়া, মুঢ়াদল জিলা পৰিষদৰ সদস্য কিশোৰ দাহাল, নদুৱাৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি অজিত পায়েঙকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। অনুষ্ঠানত বিধায়কজনে কয় যে এই আদৰ্শ অংগনৱাড়ী কেন্দ্ৰসমূহৰ এমাহৰ ভিতৰত আটকধুনীয়াকৈ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিব। এমাহৰ পাছত একেদিনাই এই ১১টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ মুকলি কৰিম। ৰঙাচকুৱা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত এটি অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা কৰি বিধায়ক হাজৰিকাই নিজহাতে কণ কণ শিশুসকলৰ মাজত পুষ্টিকৰ খাদ্য সামগ্ৰীৰ টোপোলাও বিতৰণ কৰে।

## খাৰুপেটীয়াত তীৰৰ বুকী গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ১০ জানুৱাৰী ঃ** এক বিশেষ খবৰৰ ভিত্তিত দৰঙৰ খাৰুপেটীয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ নেতৃত্বত এটা আৰক্ষীৰ দলে খাৰুপেটীয়াৰ বিভিন্ন অঞ্চলৰ পৰা ছয়জন অবৈধ তীৰৰ এজেণ্টক কৰায়ত্ত কৰে। ধৃত তীৰৰ এজেণ্টৰ পৰা ১০ হেজাৰ নগদ ধন আৰু বৃহৎ পৰিমাণৰ খেলৰ লগত জড়িত বুকি আৰু অন্যান্য বস্তু উদ্ধাৰ কৰে। কৰায়ত্ত এজেণ্টৰ নাম জন্তু সাহা, কৃষ্ণ সৰকাৰ, আশা আলী, মাজিদ আলী, মাষ্টান হুছেইন আৰু সাহা আলী বুলি জানিব পৰা গৈছে।

## সাগৰৰ তলিত উৰুৱালে গামোচা



**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১০ জানুৱাৰী ঃ** আন্দামান নিকোবৰৰ সাগৰ তলিত অসমীয়াৰ স্বাভিমান গামোচা লৈ বিহু নচাৰ প্ৰয়াস লক্ষ্যজ্যোতি নাথ নামৰ এজন অসমীয়া যুৱকৰ। আন্দামান নিকোবৰ দীপপুঞ্জত কৰ্মৰত যুৱকজনে সাগৰৰ তলিত গামোচা লৈ বিহু নাচে। বংগোপ সাগৰৰ তলীত খোজকাঢ়ি 'জয় আই অসম' লিখা গামোচা প্ৰদৰ্শন কৰে যুৱকজনে। যুৱকজনে চিনাকিসূত্ৰে সংবাদ মাধ্যমৰ জৰিয়তে ভাইৰেল কৰে এই সমগ্ৰ ভিডিঅ'গ্ৰাফী। উল্লেখ্য যে লক্ষ্যজ্যোতিৰ ঘৰ বিশ্বনাথ জিলাৰ চতিয়াত। তেওঁ চাকৰি সূত্ৰে বৰ্তমান আন্দামান নিকোবৰত থাকে।

## তিনিচুকীয়াৰ বাৰেকুৰিত পৰ্যটন মেলাস্থলী পৰিদৰ্শন মন্ত্ৰী কিষাণৰ



**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ১০ জানুৱাৰী ঃ** আজি পুৱা তিনিচুকীয়া জিলাৰ পৰ্যটনৰ আকৰ্ষণৰ কেন্দ্ৰ তথা প্ৰচুৰ সম্ভাৱনা থকা বাৰেকুৰি অঞ্চলৰ মতাপুং মাগুৰি বিলৰ পাৰত বাৰেকুৰি আঞ্চলিক যুৱ সংঘৰ উদ্যোগত অহা ২০ জানুৱাৰীৰ পৰা ২৩ জানুৱাৰীলৈ 'বাৰেকুৰি পৰ্যটন মেলা-২০২২' আয়োজন কৰা হৈছে। পুৰণি মতাপুং গাঁৱৰ বেবেজীয়া অঞ্চলৰ শ্ৰীশ্ৰী অষ্টভুজ সমন্বয় ক্ষেত্ৰ প্ৰাংগণত অনুষ্ঠিতব্য 'বাৰেকুৰি পৰ্যটন মেলা-২০২২'ৰ প্ৰস্তুতিৰ অগ্ৰগতিৰ বুজ ল'বলৈ আজি আয়োজক সমিতিৰ সভাপতি তথা মন্ত্ৰী সঞ্জয় কিষাণ আয়োজনস্থলীত উপস্থিত হয়। তেওঁ কাৰ্যসূচীৰ সন্দৰ্ভত উদ্যোক্তা সংগঠনসমূহৰ লগতে স্থানীয় ৰাইজৰ স'তে মন্ত্ৰীজনে প্ৰস্তুতি সন্দৰ্ভত মত বিনিময় কৰে।

আদৰ্শ খেতিয়ক টুটু সোণোৱালৰ কৃষি বিপ্লৱ, নিবনুৱাক দেখুৱাইছে স্বাৱলম্বিতাৰ পথ

## কৃষি কৰ্মৰে বছৰি পাঁচ লাখ টকা উপাৰ্জন টিংখাঙৰ লেঙেৰীৰ টুটুৰ



**অগ্ৰদূত বাৰ্তা**

**ৰাজগড়, ১০ জানুৱাৰী ঃ** টিংখাং সমষ্টিৰ লেঙেৰীৰ বগৰীগুৰী বৰবাম গাঁৱৰ টুটু সোণোৱাল (৩৭) নামৰ যুৱক এজনে ৰাজ্যৰ লগতে বহিঃৰাজ্যতো খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। গাঁওখনৰ দুলেশ্বৰ সোণোৱাল আৰু সৰুমণি সোণোৱালৰ পুত্ৰ টুটু সোণোৱালে সম্পূৰ্ণ জৈৱিক পদ্ধতিৰে দিহিঙৰ পাৰত কৃষি কৰ্মত নিয়োজিত হৈছে। টুটুৱে পখিলা খেদা বয়সতে দৰিদ্ৰতাৰ বাবে পেটৰ তাড়নাত পঢ়া জীৱন সামৰি ১০ বছৰ বয়সৰ পৰাই কৃষিকৰ্মত জড়িত হয়। তেওঁ প্ৰথম অৱস্থাত ১৮ বিঘা মাটি, প্ৰতি বিঘাত ১৫০০ টকাকৈ লিজত লৈ কৃষি কৰ্ম আৰম্ভ কৰিছিল। বিগত ২৭ বছৰে ফুলকবি, বন্ধাকবি, জাতি লাও, ৰঙা লাও, বেঙেনা, চটপতি, ওল কবিকে ধৰি অন্যান্য কৃষি কৰ্ম কৰি টুটুৱে নিজৰ পৰিয়ালটোক পোহপাল দি অহাৰ লগতে কে'বাজনো নিৰনুৱা যুৱকক কৰ্মসংস্থাপনো দিবলৈ সক্ষম হৈছে। টুটুৱে কেৱল শাক-পাচলিয়ে নহয়, লগতে মৌ, গাহৰি, মাছ, হাঁহ-কুকুৰা, ছাগলী-গৰু পালন কৰিও উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত টুটুক পূৰ্ণ সহযোগিতা আগবঢ়াই আহিছে পত্নী ডলী সোণোৱালে। আম, কঠাল, লিচু, জামু, কৰ্দৈ, জলফাই, বগৰি, চিৰিচ, কদম, চাহ গছ আদিকে ধৰি বিভিন্ন প্ৰকাৰৰ গছেৰে ভৰপুৰ হৈ আছে টুটুৰ ঘৰৰ বাৰী। কঠোৰ শ্ৰম কৰিও ক্লান্তিবোধ নকৰা এইজন খেতিয়কে কৃষি কৰ্ম কৰিয়ে বছৰি পাঁচ লাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। তেওঁ বছৰি পাঁচ লাখ টকাকৈ উপাৰ্জন কৰিবলৈ সক্ষম হোৱা বাবেই দীৰ্ঘদিন ধৰি এনেদৰে কৃষিকৰ্মত জড়িত হৈ আছে। এসময়ত মাটি লিজত লৈ কৃষি কৰা টুটুৰ এতিয়া কে'বা বিঘা নিজৰ নামত মাটি আছে। কৃষিৰ বহল পথাৰখনত আত্মনিয়োগ কৰি পাৰদৰ্শিতাৰে নিজৰ লগতে নিৰনুৱাকো সংস্থাপিত কৰি উন্নতিৰ জখলাত আৰোহণ কৰাৰ বাবে ইতিমধ্যে জিলা কৃষি বিভাগ, জিলা উপায়ুক্ত কাৰ্যালয়ে তেওঁক কে'বাখনো প্ৰশংসাপত্ৰৰে সন্মানিত কৰিছে। ভাৰত চৰকাৰৰ ইনষ্টিটিউট অৱ হৰ্টিকালচাৰ টেকন'লজী নয়ডাৰ পৰা প্ৰশিক্ষণ গ্ৰহণ কৰি অহা টুটুৱে কৰ'নাৰ বাবে হোৱা তলাবন্ধৰ সময়ছোৱাতো শাক-পাচলি খেতিৰ জৰিয়তে দুই লাখ টকা পৰ্যন্ত উপাৰ্জন কৰিবলৈ সক্ষম হৈছিল।


অসম চৰকাৰ

Azadi Ka Amrit Mahotsav

আজাদী কা অমৃত মহোৎসৱ উপলক্ষ্যত
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ

সশ্ৰদ্ধ নিবেদন

তৰিলে দেশ মৰিলে স্বৰ্গ



এখনি আলেখ্য

পৰিকল্পনা আৰু পৰিচালনা - অনুপজ্যোতি চৌধুৰী

স্থানঃ ৰবীন্দ্ৰ ভৱন, গুৱাহাটী
তাৰিখঃ ১১ জানুৱাৰী, ২০২২ । সময়ঃ সন্ধিয়া ৫-৩০ বজা

উক্ত অনুষ্ঠানত আপোনাৰ /আপোনালোকৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰিলোঁ

সঞ্চালক
তথ্য আৰু জনসংযোগ, অসম

জনসংযোগ/ডি/১৩১০৪/২১

অনুষ্ঠানত সকলোকে ক'ভিড প্ৰট'কল মানি চলিবলৈ অনুৰোধ জনোৱা হ'ল

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow us @diprassam dipr.assam.gov.in



### শৃংখলা নিৰ্ণায়ক টেষ্টত টীম ইণ্ডিয়াক নেতৃত্ব দিব বিৰাটে ঃ বাদ পৰিব চিৰাজ ঃ মূল একাদশক লৈ উৎকণ্ঠা

অব্যাহত

# আজিৰে পৰা ভাৰত-দক্ষিণ আফ্ৰিকাৰ তৃতীয় টেষ্ট




**কেপটাউন, ১০ জানুৱাৰী ঃ** ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টেষ্ট শৃংখলাৰ অন্তিমখন মেচ কাইলৈৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে কেপটাউনত হ'ব গান্ধী-মেণ্ডেলা শৃংখলাৰ অন্তিমখন টেষ্ট মেচ। শৃংখলা নিৰ্ণায়ক তৃতীয় টেষ্টত ভাৰতীয় দলৰ অধিনায়ক বিৰাট কোহলিয়ে পুনৰ দললৈ প্ৰত্যাৱৰ্তন কৰাৰ কথা আজি নিজে সংবাদমেলত ব্যক্ত কৰে যদিও আঘাতপ্ৰাপ্ত চিৰাজৰ খেলাক লৈ সন্দেহ আছে। উল্লেখ্য যে আঘাতৰ বাবে দ্বিতীয় টেষ্টত খেলা নাছিল বিৰাটে। সেয়ে দলক নেতৃত্ব দিছিল লোকেছ ৰাহুলে। ইফালে, কোহলিৰ প্ৰত্যাৱৰ্তনত মূল একাদশৰ পৰা কোনজন বেটছমেন বাহিৰ হ'ব সেয়া কাইলৈ পূৰা নিৰ্ণয় হ'ব। স্মৰ্তব্য যে দ্বিতীয় টেষ্টত বিৰাটৰ স্থানত খেলিছিল হনুমা বিহাৰিয়ে। এতিয়া তৃতীয় টেষ্টত হনুমা বাহিৰ হ'ব নে ৰাহানে আৰু পূজাৰাৰ এজনক বাদ দিয়া হ'ব তাক লৈ চৰ্চা অব্যাহত আছে। ইফালে, ৰাহানে আৰু পূজাৰা উভয়কে বিদায় দি শ্ৰেয়াছ আয়াৰক দলত লোৱাৰো চৰ্চাও চলিছে। ইফালে, কেপটাউনত হ'বলগা শৃংখলাৰ অন্তিমখন টেষ্ট মেচত ভাৰতৰ বলিং বিভাগ সলনি হোৱাটো নিশ্চিত। দ্বিতীয় টেষ্টত আঘাত পোৱা চিৰাজ নিশ্চিতভাবে বাদ পৰিব তৃতীয় টেষ্টত। তেওঁৰ স্থানত ঈশান্ত শৰ্মা আৰু উমেশ যাদবক দলত লোৱাৰ সম্ভাৱনা আছে। অৱশ্যে এজন পেচাৰ ল'ব নে এজন অলৰাউণ্ডাৰ ল'ব সেয়া নিৰ্ণয় কৰিব ভাৰতীয় দলৰ প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়ে। কিন্তু স্পীনাৰৰূপে অশ্বিনে খেলাটো নিশ্চিত। ভাৰতীয় দলটো ঃ বিৰাট কোহলি, লোকেছ ৰাহুল, মায়ংক আগৰৱাল, চেতেশ্বৰ পূজাৰা, অজিংক্য ৰাহানে, শ্ৰেয়াছ আয়াৰ, হনুমা বিহাৰী, প্ৰিয়াংক পাঞ্চল, ঋষভ পণ্ট, ঋদ্ধিমান সাহা, ৰবিচন্দ্ৰন অশ্বিন, জয়ন্ত যাদব, ঈশান্ত শৰ্মা, মহম্মদ ছামি, উমেশ যাদব, যশপ্ৰীত বুমৰাহ, ছাৰ্দুল ঠাকুৰ আৰু মহম্মদ চিৰাজ। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই ভাৰতৰ বিৰুদ্ধে খেলা দ্বিতীয় টেষ্টখনত সাত উইকেটত জয়লাভ কৰি শক্তিশালী প্ৰত্যাৱৰ্তনৰে তিনিখনীয়া শৃংখলাটোত ১-১ ত সমতা স্থাপন কৰিছে। ইয়াৰপূৰ্বে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত টীম ইণ্ডিয়াই দক্ষিণ আফ্ৰিকাক ১১৩ ৰাণৰ ব্যৱধানত পৰাস্ত কৰি শৃংখলাত ১-০ ৰ অগ্ৰগতি লৈছিল।

**জে কে বৰুৱা ট্ৰফী আন্তঃজিলা ক্ৰিকেট**

## ফাইনেলত বৰপেটাৰ বিৰুদ্ধে উত্তৰ শালমাৰা

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১০ জানুৱাৰী ঃ** নামনি অসম মণ্ডলৰ ১৯ বছৰ অনূৰ্ধ্ব জে কে বৰুৱা ট্ৰফী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ নিশ্চিত কৰিছে উত্তৰ শালমাৰা দলে। বৰপেটা জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত চলি থকা প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত গুৰুত্বপূৰ্ণ মেচ খনত দলটোৱে কোকৰাঝাৰক তিনি উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি কোকৰাঝাৰে ৩৫.৫ অভাৰত ১২২ ৰানত ইনিংছ সামৰণি মাৰে। প্ৰত্যুত্তৰত, উত্তৰ শালমাৰাই বেট ধৰি ৩৮ অভাৰত সাত উইকেটৰ বিনিময়ত ১২৩ ৰান সংগ্ৰহ কৰি বিজয়লক্ষ্যত উপনীত হয়। এই জয়লাভেৰে উত্তৰ শালমাৰাই অহা ১২ জানুৱাৰীত হ'ব লগীয়া নামনি অসম মণ্ডলৰ ফাইনেল মেচ খনত বৰপেটাৰ বিৰুদ্ধে খেলিব।

## গুৱাহাটী ক্ৰীড়া সন্থাৰ বেডমিণ্টন স্থগিত

**গুৱাহাটী, ১০ জানুৱাৰী ঃ** গুৱাহাটী ক্ৰীড়া সন্থাই অহা ২৪ৰ পৰা ২৭ জানুৱাৰীলৈ আয়োজন কৰিব লগা প্ৰথম সদৌ গুৱাহাটী জিলা ভিত্তিক নলিনীবালা দেৱী আন্তঃ শিক্ষানুষ্ঠান বেডমিণ্টন চেম্পিয়নশ্বিপ আৰু কনকলতা সিনহা মুকলি বেডমিণ্টন টুৰ্নামেণ্ট অনিৰ্দিষ্ট সময়লৈ পিছুৱাই দিছে। উল্লেখ্য যে কৰ'নাৰ বাবেই উভয় প্ৰতিযোগিতা এইসময়ত বন্ধ কৰাৰ সিদ্ধান্ত লৈছে গুৱাহাটী ক্ৰীড়া সন্থাই। উলুবাৰীৰ আৰ জি বৰুৱা স্প'ৰ্টছ কমপ্লে'ত থকা ডিটিআৰপি ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱাৰ কথা আছিল এই প্ৰতিযোগিতা দুখন।

## জুনিয়ৰ আন্তঃজিলা ল'ৰা-ছোৱালীৰ বক্সিং



**বিশেষ সংবাদদাতা, বৰপেটা, ১০ জানুৱাৰী ঃ** চলিত ৪২ সংখ্যক আন্তঃজিলা জুনিয়ৰ লৰা-ছোৱালীৰ বক্সিং প্ৰতিযোগিতাৰ আজিৰ দ্বিতীয় দিনৰ খেলত বাতৰি লিখাৰ পৰলৈকে ৬৬ জনে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাৰ লগতে ২৮ জনে ছেমিফাইনেলত প্ৰৱেশ কৰি পদক জয় নিশ্চিত কৰিছে। উল্লেখ্য যে অসম এমেচাৰ বক্সিং এছ'চিয়েচনৰ উদ্যোগত তথা বৰপেটা জিলা এমেচাৰ বক্সিং এছ'চিয়েচনৰ ব্যৱস্থাপনাত আয়োজন কৰা প্ৰতিযোগিতাখনত অসমৰ ৩৪ খন জিলা মুঠ তিনিশ গৰাকী প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছে । ইয়াৰে ২১০ গৰাকী পুৰুষ আৰু ৯০ গৰাকী মহিলা বক্সাৰ। অহা বুধবাৰে সামৰণি পৰিব লগা আন্তঃজিলা জুনিয়ৰ লৰা-ছোৱালীৰ বক্সিং প্ৰতিযোগিতাখনত কাইলৈৰ পৰা অনুষ্ঠিত হ'ব বিভিন্ন শাখাৰ ফাইনেল মেচ।

## গোলাঘাট জিলা চেম্পিয়ন শোণিতপুৰ-চৰাইদেউ দ্বিতীয়

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১০ জানুৱাৰী ঃ** গোলাঘাটৰ জেনেৰেল ফিল্ডত কালি অনুষ্ঠিত হৈ যোৱা নৰম আন্তঃ জিলা টাগ অফ ৱাৰ প্ৰতিযোগিতা ২০২১-২২' ত গোলাঘাটৰ পুৰুষ আৰু মহিলাৰ উভয় দলেই বিজয়ীৰ সন্মান অৰ্জন কৰাৰ বিপৰীতে শোণিতপুৰৰ পুৰুষ দলে বিজিত দলৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। আনহাতে, মহিলাৰ দ্বিতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে চৰাইদেউ দলে। উল্লেখ্য যে, ৰাজ্যৰ মুঠ ১১ খন জিলাৰ প্ৰায় ২৬ টা দলৰ মুঠ ২৫০ গৰাকী প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰা প্ৰতিযোগিতাখনত শোণিতপুৰ দলটোৰ মুখ্য প্ৰশিক্ষক হিচাবে মুজাহিদ ৰাজা থকাৰ বিপৰীতে মাহাবুল হুছেইন, পংকজ ছেত্ৰী, জন গুৰিয়া, ইনজামুল হক, দ্বীপজ্যোতি ডেকা, সাহাবুল হাছান, মুতীন্দ্ৰ সৰকাৰ, ইৰফান মাৰুফ আৰু জাহাংগীৰ আলমৰে খেলুৱৈ দলটো গঠন কৰা হয়। তদুপৰি প্ৰতিযোগিতা খনত শোণিতপুৰৰ উৎপল বৰা, দিব্যজ্যোতি দাস আৰু সমীৰণ বৰাই বিচাৰক হিচাবে অংশ গ্ৰহণ কৰে। আনহাতে প্ৰতিযোগিতাখনত কাৰিকৰী সঞ্চালক হিচাবে উপস্থিত থাকে আন্তঃৰাষ্ট্ৰীয় বিচাৰক পংকজ কুমাৰ বৰা। বিজয়ী আৰু বিজিত দলৰ সদস্য সকলক ট্ৰফী, পদক আৰু মানপত্ৰৰে সন্মানিত কৰা হয়।



**অসম প্ৰিমিয়াৰ ক্লাব**

## আজি ফাইনেলত টপ ইলেভেনৰ বিৰুদ্ধে ৰিভাৰাইন

**অগ্ৰদূত বাৰ্তা**

**মাজুলী, ১০ জানুৱাৰী ঃ** চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি মাজুলী মিনি ষ্টেডিয়াম, গড়মূৰত অনুষ্ঠিত হোৱা দ্বিতীয়খন ছেমিফাইনেল খেলত টপ ইলেভেন ক্ৰিকেট ক্লাবে ৰাইজিং ষ্টাৰ ক্লাবক ৬০ ৰাণত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। খেলখনত প্ৰথমে বেট ধৰি টপ ইলেভেন ক্ৰিকেট ক্লাবে ২৫.১ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১১১ ৰাণ সংগ্ৰহ কৰে ।প্ৰত্যুত্তৰত ৰাইজিং ষ্টাৰ ক্লাবে ১০.৫ অভাৰত সকলো উইকেট হেৰুৱাই ৫১ ৰাণ সংগ্ৰহ কৰে। টপ ইলেভেন ক্ৰিকেট ক্লাবৰ জিতু মুদৈয়ে ১৯ ৰাণৰ বিনিময়ত পাঁচটা উইকেট দখল কৰে। তেওঁক খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বাচনি কৰা হয়। আজিৰ খেলখন পৰিচালনা কৰে বিজয় দত্ত আৰু সঞ্জীৱ প্ৰসাদে ।এতিয়া কালিলৈ প্ৰতিযোগিতাৰ ফাইনেলত টপ ইলেভেন ক্ৰিকেট ক্লাবে ৰিভাৰাইন ক্লাবৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব। উল্লেখ্য যে প্ৰথমখন ছেমিফাইনেল খেলত ৰাজীৱ পগাগৰ অনবদ্য অলৰাউণ্ড প্ৰদৰ্শনৰ সহায়ত ৰিভাৰাইন ক্লাবে টেলেণ্টেড ষ্টাৰ ক্লাবক ৫৩ ৰাণত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। খেলখনত প্ৰথমে বেট ধৰি ৰিভাৰাইন ক্লাবে ৩১.৩ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৫৫ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত টেলেণ্টেড ষ্টাৰ ক্লাবে ২৭.৪ অভাৰত সকলো উইকেট হেৰুৱাই ১০২ ৰাণ সংগ্ৰহ কৰে।



**আছুৰ আন্তঃজিলা স্বৰ্ণকাপ ভলীবলৰ সামৰণি**

## যোৰহাটক হৰুৱাই মাজুলী চেম্পিয়ন




**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১০ জানুৱাৰী ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত যোৱা সাত জানুৱাৰীৰ পৰা অনুষ্ঠিত হোৱা নাচিৰ হুছেইন সোঁৱৰণী আছু আন্তঃজিলা স্বৰ্ণকাপ ভলীবল প্ৰতিযোগিতাখনৰ যোৱা নিশা সফল সামৰণি পৰে। যোৰহাট জিলা ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত আছুৰ স্বৰ্ণকাপ ভলীবল প্ৰতিযোগিতাখনত মাজুলীয়ে যোৰহাটক হৰুৱাই চেম্পিয়ন খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। অজস্ৰ দৰ্শকৰ উপস্থিতিত নৈশালোকত অনুষ্ঠিত ফাইনেল খেলখনত প্ৰথমে আয়োজক যোৰহাট দলে ২৪-২৬ চেটত অগ্ৰগতি লাভ কৰিছিল যদিও উত্তেজনাপূৰ্ণ খেলখনত শেষলৈ মাজুলীয়ে যোৰহাটক ২৫-২২, ২৫-২৩, ২৫-১৯ ৰ ব্যৱধানেৰে পৰাজিত কৰি চেম্পিয়ন ট্ৰফী অৰ্জন কৰে। প্ৰতিযোগিতাখনত শৃংখলাবদ্ধ দলৰ সন্মান লাভ কৰে কামৰূপ মহানগৰ দলে, বেষ্ট ব্লকাৰ সন্মান লাভ কৰে যোৰহাট দলৰ মৃণাল গগৈয়ে আৰু শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰে মাজুলী দলৰ মৃত্যুঞ্জয় মহন্তই। উল্লেখ্য যে ২৫ খন জিলাৰ অংশগ্ৰহনেৰে সুন্দৰ ফৰকাল বতৰত জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত দিনে নিশাই তিনিখন ক'ৰ্টত খেল অনুষ্ঠিত হৈছিল। ইয়াৰপূৰ্বে প্ৰতিযোগিতাৰ ছেমিফাইনেলত মাজুলীয়ে বঙাইগাঁৱক আৰু আয়োজক যোৰহাটে তিনিচুকীয়াক ফাইনেলত উপনীত হয়। খেলৰ অন্তত বিজয়ী দল মাজুলীক আৰু বিজিত দল যোৰহাটৰ লগতে প্ৰতিযোগিতাৰ অন্যান্য বঁটা সমূহ প্ৰদান কৰে আছুৰ কেন্দ্ৰীয় সভাপতি দীপাংক কুমাৰ নাথ, সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা, মুখ্য উপদেষ্টা ড০ সমজ্জ্বল কুমাৰ ভট্টাচাৰ্যকে ধৰি ভালে সংখ্যক নেতাৰ উপৰি অ এন জি চিৰ চিনামৰাস্থিত বেচিন মেনেজাৰ সুষ্মা ৰাৱত আদিয়ে। ইফালে, ফাইনেল খেল আৰম্ভ হোৱাৰ পূৰ্বে অনুষ্ঠিত এক সভাত প্ৰতিযোগিতাখনিৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ "ভাস্বত" উন্মোচন কৰে চি কে বি কমাৰ্চ কলেজৰ অধ্যক্ষ ড০ ৰঞ্জিত কুমাৰ শৰ্মাই।

**জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেট**

## ৰেলৱে-শিলচৰ চেম্পিয়ন




**গুৱাহাটী, ১০ জানুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা ১৯ বছৰ অনূৰ্ধ্ব জে কে বৰুৱা ট্ৰফী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ হেড কোৱাৰ্টাৰ মণ্ডলৰ চেম্পিয়ন হৈছে ৰেলৱে দল। গোৱালপাৰাত হোৱা ফাইনেলত ৰেলৱে দলে (১৬০-৪ৰ ছয় উইকেটত পৰাস্ত কৰে সম্পাদক একাদশক (১৫৬-১০ৰঙ্গ ইফালে, দক্ষিণ মণ্ডলৰ ফাইনেলত জয়লাভ কৰি চেম্পিয়ন হৈছে শিলচৰ জিলা। শিলচৰে (২০১-৮ৰ হাইলাকান্দিক (৫২-১০ৰ পৰাস্ত কৰে ১৪৯ ৰাণৰ ব্যৱধানত। ইফালে, নামনি অসম মণ্ডলৰ ১৯ বছৰ অনূৰ্ধ্ব জে কে বৰুৱা ট্ৰফী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ নিশ্চিত কৰিছে উত্তৰ শালমাৰা দলে। বৰপেটা জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত চলি থকা প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত গুৰুত্বপূৰ্ণ মেচ খনত দলটোৱে কোকৰাঝাৰক তিনি উইকেটত পৰাস্ত কৰে।

## আজি গুৱাহাটীত এ এছ জে এৰ বাৰ্ষিক ক্ৰীড়া বঁটা প্ৰদান অনুষ্ঠান

**গুৱাহাটী, ১০ জানুৱাৰী ঃ** অসম ক্ৰীড়া সাংবাদিক সন্থাই ইতিমধ্যে ঘোষণা কৰা বাৰ্ষিক ক্ৰীড়া বঁটা কাইলৈ লেণ্ডমাৰ্ক হোটেলত দিনৰ তিনি বজাত হ'বলগা এক অনুষ্ঠানত প্ৰদান কৰিব। উক্ত অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকিব ক্ৰীড়া মন্ত্ৰী বিমল বৰা আৰু এছিয়ান গেমছত পদক জয়ী শ্বুটাৰ জয়দীপ দাস। উল্লেখ্য যে এইবাৰ অসম ক্ৰীড়া সাংবাদিক সন্থাই চাৰিটা শাখাত বঁটা প্ৰদান কৰিছে। সেই অনুসৰি আৰ জি বৰুৱা বৰ্ষ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰিছে প্ৰথম অসমীয়াৰূপে অলিম্পিক পদক তথা খেলৰত্ন সন্মান লাভ কৰা মহিলা বক্সাৰ লাভলীনা বৰগোহাঁয়ে। ইফালে, নৃপেন্দ্ৰ নাৰায়ণ সিংহ বৰ্ষ শ্ৰেষ্ঠ জুনিয়ৰ বঁটা বিজয়ী দুই খেলুৱৈ হ'ল শিৰাংগী শৰ্মা (সাঁতোৰ) আৰু সিদ্ধান্ত গগৈ (ভাৰোত্তোলন)। আনহাতে, অসম ক্ৰীড়া সাংবাদিক সন্থাই এইবাৰ পুলিন দাস জীৱনযোৱা সাধনা বঁটা দিব সাংবাদিক, সংগঠক, ৰেফাৰী প্ৰেমধৰ শৰ্মাক। আনহাতে, নৰুল আমিন বৰ্ষশ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিছে অসমৰ পুৰুষ ভলীবল দলে। উল্লেখ্য যে এইবাৰ অসম ক্ৰীড়া সাংবাদিক সন্থাক বঁটা প্ৰদানত সহায় কৰিছে অইল আৰু অসম চৰকাৰে।

## বাংলাদেশৰ বিৰুদ্ধে প্ৰথম ইনিংছত বৃহৎ অগ্ৰগতি লাভ নিউজিলেণ্ডৰ

**ক্ৰিছচাৰ্চ, ১০ জানুৱাৰী ঃ** নিউজিলেণ্ডে বাংলাদেশৰ বিৰুদ্ধে খেলা চলিত দুখনীয়া শৃংখলাৰ দ্বিতীয়খন টেষ্টৰ প্ৰথম ইনিংছত বৃহৎ অগ্ৰগতি লাভ কৰিছে। উল্লেখ্য যে প্ৰথম টেষ্টত বাংলাদেশৰ বিৰুদ্ধে অপ্ৰত্যাশিত পৰাজয়ৰ সন্মুখীন হোৱা নিউজিলেণ্ডে চলিত দ্বিতীয়খন টেষ্টৰ প্ৰথমদিনাই দৃঢ় বেটিঙৰে শক্তিশালী স্থিতিত উপনীত হৈছিল। ক্ৰিছচাৰ্চত আৰম্ভ হোৱা শৃংখলা নিৰ্ণায়ক টেষ্টখনৰ প্ৰথমদিনা নিউজিলেণ্ডে এটা উইকেট হেৰুৱাই সংগ্ৰহ কৰিছিল ৩৪৯ ৰাণ। আজি নিউজিলেণ্ডে ছয় উইকেট হেৰুৱাই ৫২১ ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰে। প্ৰত্যুত্তৰত, দ্বিতীয় দিনাৰ খেলৰ অন্তত বাংলাদেশে ১২৬ ৰাণতে সকলো উইকেট হেৰুৱাই প্ৰথম ইনিংছ সামৰে। নিউজিলেণ্ডে প্ৰথম ইনিংছত ৩৯৫ ৰাণৰ অগ্ৰগতি লাভ কৰে। কিন্তু কিৱি বাহিনীয়ে দ্বিতীয় ইনিংছত বেটিং কৰিব নে বাংলাদেশক ফল'অন দিব সেয়া কাইলৈ জনা যাব। উল্লেখ্য যে নিউজিলেণ্ডৰ হৈ লাথামে স্তু২৫২ ৰাণ) দ্বিশতক অৰ্জন কৰে। আনহাতে,



শতক অৰ্জন কৰে ক'নৱে (১০৯ৰঙ্গ ইফালে, বাংলাদেশৰ হৈ য়াছিৰ আলী (৫৫ৰ আৰু নুৰুল হাছানৰ (৪১ৰ বাদে অন্য বেটাৰ একক ৰাণ সংখ্যাত আউট হয়। নিউজিলেণ্ডৰ হৈ বৌল্টে পাঁচটা উইকেট দখল কৰে। উল্লেখ্য যে চলিত দুখনীয়া শৃংখলাৰ প্ৰথমখন টেষ্টত নিউজিলেণ্ডৰ বিৰুদ্ধে আঠ উইকেটত জয়লাভ কৰি ১-০ ত অগ্ৰগতি লৈছে বাংলাদেশে। বাংলাদেশে প্ৰথমবাৰৰ বাবে নিউজিলেণ্ডৰ ভূমিত ঐতিহাসিক টেষ্ট জয়ৰ গৌৰৱময় সফলতা লাভ কৰিছে। দ্বিতীয় টেষ্ট ড্ৰ হ'লেও আন এক ইতিহাস গঢ়িৱ পৰিব বাংলাদেশে। নিউজিলেণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা জয় কৰাৰ সফলতা।



আইনী যুঁজৰ অন্তত অষ্ট্ৰেলিয়ান অপেন খেলিবলৈ সাজু ন'ভাক।

## পূজাৰা-ৰাহানেক দলে কোনো চাপ দিয়া নাই ঃ বিৰাট

**কেপটাউন, ১০ জানুৱাৰী ঃ** ভাৰতীয় টেষ্ট দলৰ দুই জ্যেষ্ঠ সদস্য অজিংক্য ৰাহানে আৰু চেতেশ্বৰ পূজাৰাৰ বেটিং ফৰ্মক লৈ চৌদিশে সমালোচনা চলি আছে যদিও ভাৰতীয় দলৰ অধিনায়ক বিৰাট কোহলিয়ে আজি কয় যে দলীয় মেনেজেমেণ্টে কোনো চাপ দিয়া নাই উভয় বেটছমেনৰ ওপৰত। উল্লেখ্য যে তৃতীয় টেষ্টত ৰাহানে আৰু পূজাৰা উভয়কে বিদায় দি শ্ৰেয়াছ আয়াৰ আৰু হনুমা বিহাৰীক দলত লোৱাৰো চৰ্চাও চলিছে। কিন্তু কোহলিয়ে এই বিষয়ে কোনো স্পষ্ট ইংগিত নিদিলে। বিৰাটৰ পূৰ্বে ভাৰতীয় টেষ্ট দলৰ স্থায়ী সদস্য হ'বৰ বাবে শ্ৰেয়াছ আয়াৰ আৰু হনুমা বিহাৰীয়ে অপেক্ষা কৰিব লাগিব বুলি ব্যক্ত কৰিছিল প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়ে। উল্লেখ্য যে ৰাহানে আৰু পূজাৰাৰ ব্যৰ্থতাৰ বাবে শ্ৰেয়াছ আয়াৰ আৰু হনুমা বিহাৰীক সুযোগ দিয়াৰ চৰ্চা চলি থকা সময়তে প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড় আৰু অধিনায়ক বিৰাট কোহলিয়ে কাৰ্যতঃ একেই মন্তব্য প্ৰকাশ কৰিছে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে প্ৰথম টেষ্টত জয়লাভ কৰি আত্মবিশ্বাসী হৈ থকা ভাৰতে চলিত তিনিখনীয়া শৃংখলাৰ দ্বিতীয়খন টেষ্টত কিন্তু নিজৰ দৃঢ়তা ধৰি ৰাখিবলৈ সক্ষম নহ'ল। দক্ষিণ আফ্ৰিকাই ভাৰতৰ বিৰুদ্ধে খেলা দ্বিতীয় টেষ্টখনত সাত উইকেটত জয়লাভ কৰি শক্তিশালী প্ৰত্যাৱৰ্তনৰে তিনিখনীয়া শৃংখলাটোত ১-১ ত সমতা স্থাপন কৰিছে। ইয়াৰপূৰ্বে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত টীম ইণ্ডিয়াই দক্ষিণ আফ্ৰিকাক ১১৩ ৰাণৰ ব্যৱধানত পৰাস্ত কৰি শৃংখলাত ১-০ ৰ অগ্ৰগতি লৈছিল। দক্ষিণ আফ্ৰিকাত ভাৰতে পূৰ্বে টেষ্ট শৃংখলা জয় কৰা নাই। প্ৰথম টেষ্ট জয়ৰে সুযোগ পাইছিল যদিও দ্বিতীয় টেষ্টত পৰাস্ত হোৱাত নিৰ্ণায়ক তৃতীয় টেষ্টত ভাৰতহে চাপত থাকিব। কিন্তু বিৰাটৰ প্ৰত্যাৱৰ্তনে দলক সকাহ দিব।



## বিলাসনন্দন চ'ৰা



# খালী চকীৰ সভা

**দেছত** ক'ভিড বাঢ়িছে। গতিকে তাকে লৈ দিল্লীৰ বাদশ্বাহ সাংঘাতিক চিৰিয়াছ। পাঁচ ৰাজ্যৰ ভোটো আহি আছে। আহিলে আহক। তাকে লৈ পাছত কথা হ'ব। সকলো সময়তে পলিটিক্স নচলেতো! পলিটিক্স কৰাৰো কিছুমান ট্ৰিক্স আছে। সেইবোৰ ট্ৰিক্স পলিটিক্সত কেনেকৈ এপ্লাই কৰিব লাগে, সেই কথা বাদশ্বাহে বৰ ভালকৈ জানে। কিন্তু বাদশ্বাহে জানিলে কি হ'ব, বাকীবোৰে নাজানে নহয়। সিহঁতে এতিয়া কেৱল খালী চকীৰ টেনছনতে আছে। খালী চকী মানে পঞ্জাৱৰ মিটিঙৰ সেই খালী চকীবোৰ, যাৰ আগত বাদশ্বাহে ভাচন দিয়াৰ কথা আছিল। বেলেগ ধৰণৰ ট্ৰিক্স খটুৱাই পলিটিক্সত ধুমুহা আনি মিটিংখন যেনিবা বাদশ্বাহে এভইড় কৰিলে! কিন্তু খালী চকীৰ দৃশ্যবোৰ সৰৱে চকুৰ আগত জলজল-পটপটকৈ জিলিকি আছে। পাঁচ ৰাজ্যৰ ভোট আহি আছে। তাতো যদি এনেকৈ খালী চকী পৰি থাকে! বৰ লাজৰ কথা হ'ব নহয়। কিন্তু বাদশ্বাহে এইবোৰ কথা ভবা নাই। এই সময়টো পলিটিক্স কৰাৰ সময় নহয়। দেছবাচীৰ কাৰণে ভবাৰ সময়। আটাইকে ৰাজসভালৈ মাতি আনিলে বাদশ্বাহে। মাতি আনি বাদশ্বাহ ক'লে— 'অৱশেষত আহি গ'ল দেখিছা!' আটায়ে সমস্বৰে সঁহাৰি দি ক'লে—'হয় জাহাপনা! পাঁচ ৰাজ্যৰ ভোট আহি গ'ল।' বাদশ্বাহে চকু দুটা ডাঙৰ কৰি খং নকৰাকৈ খং উঠাৰ মুডটো দেখুৱাই ক'লে—'মই ভোট অহাৰ কথা কোৱা নাই!'

ঃ তেন্তে কি অহাৰ কথা কৈছে জাহাপনা?
ঃ ক'ভিড অহাৰ কথা কৈছো।



ঃ হয় জাহাপনা!
ঃ থাৰ্ড ৱেভ আহি গৈছে।
ঃ হয় জাহাপনা!
ঃ আমি আটায়ে সতৰ্ক হ'ব লাগিব।
ঃ হয় জাহাপনা!
ঃ দেছবাচীক সতৰ্ক কৰিব লাগিব।
ঃ হয় জাহাপনা!
ঃ সৱকে ভেকচিন দিব লাগিব।
ঃ হয় জাহাপনা!
ঃ মাস্ক পিন্ধাব লাগিব।
ঃ হয় জাহাপনা!
ঃ ডিষ্টেন্সিং ৰাখিব ক'ব লাগিব।
ঃ হয় জাহাপনা!
ঃ কাৰ্ফিউ দিব লাগিব।
ঃ হয় জাহাপনা!
ঃ জাগাই জাগাই লকডাউন দিব লাগিব।
ঃ হয় জাহাপনা!
ঃ দুখীয়াবোৰৰ কাৰণে পেকেজ ঘোষণা কৰিব লাগিব।
ঃ হয় জাহাপনা!
ঃ মজদুৰবোৰক খোজ কাঢ়িব দিব লাগিব।
ঃ হয় জাহাপনা!
ঃ বাদশ্বাহে এঙামুৰি এৰি ক'লে— 'মুঠতে নাটকখন কৰিয়ে যাব লাগিব!'
ঃ হয় জাহাপনা!
ঃ আৰু এটা কাম কৰিম বুলি ভাবিছো।
ঃ কি কাম জাহাপনা?
ঃ ভোট আহি গ'ল নহয়।
ঃ হয় জাহাপনা!
ঃ ভোটৰ সময়ত আমি আটায়ে সাংঘাতিক প্ৰট'কল মেণ্টেইন কৰিম।
ঃ কেনেকৈ জাহাপনা?
ঃ আগতেই ঘোষণা কৰি দিম।
ঃ কি বুলি?
ঃ এইবুলি যে নিয়ম মানি আমি মিটিঙত লেকচাৰ দিম।
ঃ হয় জাহাপনা!
ঃ কিন্তু বিশাল জনসমাগমৰ আগত নিদিওঁ।
ঃ তেন্তে?
ঃ খালী চকীৰ আগতহে দিম।
ঃ কিয়?
ঃ তেনেকৈ আগতীয়াকৈ কৈ থ'লে লাজত পৰিব নালাগে!

মূৰটো পিহি পিহি বাদশ্বাহে ক'লে—'লাজত পৰাৰ পৰা বাচি যাম বুজিছা। সদায় সদায়তো আৰু ফ্লাই অভাৰৰ নাটকখন কৰি থাকিব নোৱাৰি!'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## শেষ পৃষ্ঠাৰ প্ৰথম
### দৈনন্দিন

# 'হৰেকমাল'ৰ ব্যৱসায়ৰ বাবে মুৰ্ছিদাবাদৰ পৰা গুৱাহাটীত সুজিত মণ্ডল

## মূৰত-পিঠিত মেটমৰা বোজাই লৈ পুৱাই ৰাওনা ব্যৱসায়ৰ উদ্দেশ্যে



**মূৰত** মেটমৰা পাচিটো আৰু পিঠিত আন এটা বোজা লৈ নিতৌ পুৱাই ওলাই আহে তেওঁ। মহানগৰীৰ দুৱাৰমুখ জালুকবাৰীৰ ৰেলৰে উৰণীয়া সেতুৰ তলতে থকা প্লাষ্টিকৰ লগতে 'হৰেকমাল'ৰ দোকানৰ পৰা তেওঁ সামগ্ৰীসমূহ বাছি বাছি লৈ ওলাই আহে। সমীপত হ'লে মূৰত আৰু পিঠিত লৈ অলিয়ে-গলিয়ে সোমাই গৈ চিঞৰে 'লাগে হৰেকমাল, কাপ-প্লেট, কাঁহী-বাটি..।' আনহাতে, দূৰণিলৈ যাবলৈ হ'লে চিটিবাছত নহ'লে আন সৰু গাড়ীত উঠি গৈ তেওঁ সেয়া বিক্ৰী কৰে। প্ৰতিটো সামগ্ৰীৰ বাবদ তিনি টকাকৈ লাভ পোৱা লোকজনৰ নাম সুজিত মণ্ডল (৫২)। চুবুৰীয়া ৰাজ্য পশ্চিম বংগৰ মুৰ্ছিদাবাদ জিলাৰ আজিমগঞ্জ চহৰৰ সমীপৰ চল্টাবাৰীত তেওঁৰ ঘৰ। সৰুৰে পৰা যথেষ্ট কষ্টৰে ডাঙৰ-দীঘল হোৱা সুজিতৰ পিতৃৰ সৰুতেই মৃত্যু হৈছে। ঘৰৰ একমাত্ৰ ল'ৰা সন্তান সুজিতে মাতৃৰ লগতে তিনি ভগ্নীৰ দায়িত্ব কান্ধ পাতি ল'বলগীয়া হৈছিল। দিন হাজিৰা কৰা পিতৃৰ থকা ভেটিটোৰ বাহিৰে নাছিল আন কোনো সা-সম্পত্তি। সেয়েহে সৰুৰে পৰা শিক্ষা-দীক্ষাৰ প্ৰতি পিঠি দি উপাৰ্জনৰ পথ বাছি ল'বলগীয়া হৈছিল। যথেষ্ট কষ্টৰে পৰিয়ালক পোহপাল দিয়াৰ লগতে তিনি ভগ্নীক বিয়া দিয়াৰ পাছত একপ্ৰকাৰ উপাৰ্জনৰ পথ নাইকিয়া হোৱাত অসমলৈ ঢাপলি মেলে জীৱিকাৰ সন্ধানত। অসমলৈ অহাৰ কাৰণ আছিল পৃথক। সুজিতৰ মতে, পশ্চিমবংগৰ উম্মাৰপুৰত প্লাষ্টিকৰ কাৰখানাসমূহ আছে, য'ত 'হৰেকমাল' প্ৰস্তুত কৰা হয়। পশ্চিমবংগত উৎপাদিত সামগ্ৰীসমূহে তাত চাহিদা পূৰণ কৰা হেতুকে বিক্ৰী যথেষ্ট কম। ইয়াৰ বিপৰীতে অসমত ইয়াৰ যথেষ্ট চাহিদা আছে। যাৰ বাবে কাৰখানাৰ কৰ্মচাৰীসকলৰ পৰামৰ্শ মতে অসমলৈ আহি এই সামগ্ৰীৰ ব্যৱসায় আৰম্ভ কৰে। প্ৰায় ১৫ বছৰ পূৰ্বে অসমলৈ অহা সুজিতে জালুকবাৰীত আন তিনিজনৰ স'তে লগ লাগি দুহেজাৰ টকাত এটা ৰুম ভাড়ালৈ লৈ এই ব্যৱসায় কৰি আহিছে। পুৱাই দোকানৰ পৰা বিধে বিধে বস্তুসমূহ বাছি লৈ তেওঁলোকে ঢাপলি মেলে বিক্ৰীৰ বাবে। গুৱাহাটী মহানগৰীৰ লগতে পাৰ্শ্বৱৰ্তী চহৰ আৰু গাঁওসমূহলৈ গৈ সুজিতে দিনটো বিক্ৰী কৰি পোৱা সামগ্ৰীৰ প্ৰতিটোৰ বিপৰীতে তিনি টকাকৈ লাভ কৰাৰ বিপৰীতে বিক্ৰী নোযোৱা সামগ্ৰীসমূহ ঘূৰাই দিয়ে। এইদৰে চলি থকা ব্যৱসায় তিনি-চাৰি মাহৰ মূৰত ঘৰলৈ যোৱাৰ সময়ত দোকানৰ গৰাকীৰ স'তে হিচাপ কৰি ৰাহি ধন লৈ যায়। পুনৰ কেইদিনমান পাছত ব্যৱসায়ৰ উদ্দেশ্যে গুৱাহাটীলৈ ৰাওনা হয়। এইদৰে নিতৌ সামগ্ৰী বিক্ৰী কৰি মাহত আঠৰ পৰা ১০ হেজাৰ টকা ৰাহি হয় বুলি সদৰী কৰি সুজিতে কয়, 'সামগ্ৰীৰ চাহিদা বাঢ়িলে আমাৰ কিছু লাভ হয়; কিন্তু সাম্প্ৰতিক সময়ত বিভিন্ন ধৰণৰ প্ৰযুক্তি-কৌশলৰ বাবে ন ন সামগ্ৰীৰ বাবে পূৰ্বৰ তুলনাত কিছু চাহিদা হ্ৰাস পাইছে। ফলত আমাৰ বিক্ৰীও কিছু কম হয়। তথাপি চলি যাব পাৰো।'

দুই সন্তানৰ পিতৃ সুজিতে কন্যাক ইতিমধ্যে বিয়া দিছে। উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হোৱাৰ পাছতে কন্যাক বিয়া দিয়া সুজিতে এতিয়া উচ্চতৰ মাধ্যমিক পঢ়ি থকা পুত্ৰক লৈ সপোন দেখি আহিছে। পুত্ৰই ভালদৰে পঢ়ি-শুনি এদিন তেওঁক নিৰাপত্তা দিব বুলি আশা কৰিছে। কৰ'নাৰ সংহাৰী ৰূপত হোৱা তলাবন্ধৰ সময়ত পশ্চিমবংগৰ ঘৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিল যদিও কেতবোৰ চৰকাৰী আঁচনিৰ জৰিয়তে তেওঁ উপকৃত হোৱা বুলি কয়। তিনিবাৰ বিনামূলীয়াকৈ ৰন্ধন গেছৰ চিলিণ্ডাৰ পোৱাৰ লগতে তিনিবাৰ পাঁচশ টকাকৈ নগদ ধন আৰু ১৫ দিনৰ মূৰে মূৰে দুই কিলোকৈ চাউল লাভ কৰিছিল। মমতা বেনাৰ্জী চৰকাৰৰ বিৰুদ্ধে তেওঁৰ কোনো ক্ষোভ নাই বুলিও উল্লেখ কৰি সুজিতে কয়, 'মূৰত আৰু পিঠিত বোজাই লৈ ব্যৱসায় কৰাটো যথেষ্ট কষ্টকৰ যদিও উপায় নাই। ইয়াৰ বাবে চৰকাৰক দোষাৰোপ কৰিলে নহ'ব। কৰ্ম কৰিতো খাবই লাগিব। কথা হ'ল চৰকাৰৰ পৰা ভাত-কাপোৰ-থকাৰ সুবিধাখিনি দিলেই ভাল পাম। চৰকাৰসমূহে ইয়াৰ প্ৰতি গুৰুত্ব দিলে আমাৰ দৰে খাটি খোৱা লোকসকল যথেষ্ট সুখী হ'ম। তদুপৰি ল'ৰা-ছোৱালীক শিক্ষা লোৱাৰ সুবিধা দিলে ভাল। কাৰণ আমিতো অভাৱৰ শিক্ষা ল'বই নোৱাৰিলো।'

■ *চাহাবুদ্দিন আহমেদ*

## নতুন দাবী কেন্দ্ৰৰ ক'ভিড কমিটীৰ অধ্যক্ষৰ

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১০ জানুৱাৰী ঃ** ক'ভিড-১৯ সংক্ৰমণৰ দৈনিক পৰিসংখ্যাত দৃষ্টি ৰাখি একো লাভ নাই। কিয়নো পৰিসংখ্যা চাই বিপদৰ গুৰুত্বৰ ইংগিত হোৱা সম্ভৱ নহয় বুলি অভিযোগ কৰিছে ৰাষ্ট্ৰীয় ক'ভিড-১৯ ছুপাৰমডেল কমিটীৰ অধ্যক্ষ ড° এম বিদ্যাসাগৰে। আজি তেওঁ কয়, 'দৈনিক আক্ৰান্তৰ সংখ্যা চালে একোৱেই বুজি পোৱা নাযায়।' অৱশ্যে সাম্প্ৰতিক সংক্ৰমণ বৃদ্ধিৰ ঘটনা বিশেষ ক্ষতিকাৰক নহ'ব বুলিও তেওঁ দাবী কৰিছে।

# পৰিসংখ্যাত বুজা নাযাব সংক্ৰমণৰ তীব্ৰতা



হায়দৰাবাদৰ 'ইণ্ডিয়ান ইনষ্টিটিউট অৱ টেক্‌ন'লজী' (আইআইটি)ৰ অধ্যাপক ড° বিদ্যাসাগৰৰ মতে, অ'মিক্ৰনৰ সংক্ৰমণ বৃদ্ধিক কেন্দ্ৰ কৰি সাম্প্ৰতিক উদ্বেগৰ প্ৰকোপত চৰকাৰৰ তৰফৰ পৰা নতুনকৈ নানা বিধে-নিষেধ আৰোপ কৰা হ'লেও তাৰ পৰা বিশেষ ফল পোৱা নাযাব। ড° বিদ্যাসাগৰে কয়, 'অফিচ, শিক্ষানুষ্ঠান বন্ধ বা নতুনকৈ তলাবন্ধ জাৰিৰ সিদ্ধান্ত লোৱাৰ বাবে আমি সংক্ৰমণৰ সংখ্যা চোৱাটো বন্ধ কৰা উচিত। এতিয়া আক্ৰান্তৰ সংখ্যা বাঢ়িবই। কাৰণ ৰূপ পৰিৱৰ্তনৰ ফলত আৰু সংক্ৰামক হৈ পৰিছে কৰ'না ভাইৰাছ। প্ৰতিযেধক লৈ বা কৰ'না বিধি মানি এতিয়া সংক্ৰমণ ৰোধ কৰিব পৰা নাযাব।' তলাবন্ধ বা কঠোৰ বিধি-নিষেধ জাৰিৰ বিৰোধিতা কৰি তেওঁ পুনৰ কয়, 'তলাবন্ধই ভাইৰাছ বিয়পি পৰাটো বন্ধ কৰিব নোৱাৰিব। বৰঞ্চ এয়া আতংক সৃষ্টিতহে সহায়ক হ'ব।' সংক্ৰমণৰ এই আকস্মিক বৃদ্ধি প্ৰাণঘাতী নহ'ব বুলিও ডাঃ বিদ্যাসাগৰে মন্তব্য কৰিছে। তেওঁ কয়, 'শীতকালত যিদৰে বহু মানুহৰ একেলগে চৰ্দি লাগে, এয়াও তেনেকুৱাই।'




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com